www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

খুব কমসংখ্যক মানুহহে জীৱনত সফল হয় কাৰণ সৰহ সংখ্যক মানুহে কথাৰ দ্বাৰাহে সফলতা বিচাৰে, কৰ্মৰ দ্বাৰা নহয়। —— মেনোনিমাচ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ১৬৯ □ মঙ্গলবাৰ □ ১৪ এপ্ৰিল, ২০২৬ চন □ Volume/Year- I □ Issue- 169 □ Tuesday □ 14th April, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

■ চ'তৰ ধূলি ফালি আকৌ আহি পালেহি ব'হাগৰ বিহু ■

# যান্ত্ৰিকতাৰ আঁৰত লুকাই আজি গৰু বিহু



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** চাওঁতে চাওঁতে পদূলি মুখত অসমীয়াৰ নৱবৰ্ষ, অৰ্থাৎ হেঁপাহৰ ব'হাগ বিহু আহি পালেহি। কুলি-কেতেকীৰ মৌ মিঠা মাতত ৰজনজনালে আকাশ বতাহ। নাচনীৰ দুভৰিৰ গিৰিপনীত কঁপিছে বিহুতলী। এতিয়া অসমীয়াই হেঁপাহৰ বিহুটিক আদৰিবলৈ সাজু। আজি যে গৰু বিহু...। দীঘলতি-মাখিয়তি পাত গৰু বিহুৰ দিনা গৰুক গা ধুৱাই কেৰেলা বেঙেনাৰ চাত...। -এনেদৰেই সকলো ডেকা-বুঢ়া একত্ৰিত হৈ গৰুক গা ধুৱাই অপায়। অমংগল বিনাশৰ নিমিত্তে একত্ৰিত হ'ব। -দীঘলতিৰ দীঘল পাত / গৰু কোবাও জাক জাক। / লাও খা বেঙেনা খা / বছৰে বছৰে বাঢ়ি যা / মাৰ সৰু বাপেৰ সৰু / তই হবি বৰ বৰ গৰু। / - এই বুলি গৰুক গা ধুওৱা দেখা গ'ল। অসমীয়াৰ অতি আদৰৰ গৰু বিহুৰ পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি অসমবাসীয়ে পালন কৰিব গৰু বিহু। দীঘলতি, মাখিয়তিৰ পাতেৰে গৰুৰ গাত কোবাই লাও, বেঙেনা, কেৰেলা, হালধি, ঠেকেৰা, তিয়হ আদিৰে গৰু গাত চাত □ ৬ পৃষ্ঠাত

ডিমা হাচাওৰ হাফলঙ উপ-কাৰাগাৰত কঠোৰ নিৰাপত্তাৰ মাজত চলিল জেৰা, ১৭ এপ্ৰিললৈকে তদন্ত অব্যাহত


## শেখৰজ্যোতি-অমৃতপ্ৰভাক জেৰা আৰম্ভ এজনীয়া সমিতিৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** অসমৰ সংগীত জগতৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা সন্দেহজনক মৃত্যুৰ তদন্ত □ ৬ পৃষ্ঠাত

### আজিৰ কলম

## বিহুৰ উৎপত্তি; সাত বিহুৰ তাৎপৰ্য



শৰৎ চন্দ্ৰ চিৰিংফুকন

মনুষ্য ৰাজ্যত বিহুৰ উৎপত্তি, এই সম্পৰ্কত এটি বৰ সুন্দৰ আৰু মনোগ্ৰাহী কিংবদন্তি আছে। প্ৰকৃতি দেৱীয়েই হৈছে সকলো সৃষ্টি কাৰ্যৰ মূল। পোনপ্ৰথমে এই প্ৰকৃতিদেৱীয়ে দেৱী-দেৱতাসকলৰ মাজত চিনাকি দিয়ে 'চেংনাঙ' বা বনদেৱীৰূপে। এই গৰাকী বনদেৱীকে □ ৪ পৃষ্ঠাত

তেলেংগানা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ বিৰোধিতা ৰাজ্য চৰকাৰৰ

## পৱন খেড়াৰ অন্তৰ্বৰ্তীকালীন জামিনক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল অসম চৰকাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** কংগ্ৰেছ নেতা পৱন খেড়াৰ অন্তৰ্বৰ্তীকালীন জামিন প্ৰদানৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই অসম চৰকাৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। মুখ্যমন্ত্ৰী হিমন্ত □ ৬ পৃষ্ঠাত

## বিহাৰত ইতিহাস সৃষ্টিৰে ১৫ এপ্ৰিলত বিজেপি প্ৰাৰ্থীৰ মুখ্যমন্ত্ৰী ৰূপে শপত গ্ৰহণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** বিহাৰৰ ৰাজনৈতিক দৃশ্যপটত এক যুগান্তকাৰী পৰিৱৰ্তনৰ দিশে আগবাঢ়িছে ৰাজ্যখন। অহা ১৫ এপ্ৰিলত বিজেপিয়ে বিহাৰত প্ৰথমবাৰৰ বাবে নিজৰ □ ৬ পৃষ্ঠাত

■ সহস্ৰাধিক লোকৰ সমাগমত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন ■

## মুম্বাইৰ শিৱাজী পাৰ্ক শ্মশানত সুৰৰ ৰাণী আশা ভোছলেৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** ভাৰতীয় সংগীত জগতৰ এটা যুগৰ অৱসান ঘটিল। আঠটা দশকতকৈও অধিক সময় ধৰি লক্ষ লক্ষ হৃদয়ত সুৰৰ জাদু বিলাই অহা কিংবদন্তি কণ্ঠশিল্পী আশা ভোছলেক সোমবাৰে □ ৬ পৃষ্ঠাত

পৱন খেড়াৰ অভিযোগৰ সমৰ্থনত তীব্ৰ আক্ৰমণ; তদন্তৰ দাবী

## দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা; ৰাহুল গান্ধীৰ অভিযোগ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দেশৰ ভিতৰতে সৰ্বাধিক দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী বুলি আখ্যা দি তীব্ৰ আক্ৰমণ কৰিছে। এক্সত এটা পোষ্ট জাৰি কৰি ৰাহুল গান্ধীয়ে কংগ্ৰেছ নেতা পৱন খেড়াৰ সমৰ্থনত থিয় দি মুখ্যমন্ত্ৰী আৰু তেওঁৰ পত্নী ৰিণিকি □ ৬ পৃষ্ঠাত



নিৰ্বাচনী প্ৰচাৰত ভুৱা আৰু মানহানিকৰ মন্তব্য কৰি অনলাইন হাৰাশাস্তিৰ সন্মুখীনৰ অভিযোগ

## মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় মহিলা আয়োগত অভিযোগ সুজাতা গুৰুং চৌধুৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ এপ্ৰিল ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় মহিলা আয়োগত অভিযোগ দাখিল কৰা হৈছে। অভিযোগ দাখিল কৰিছে মধ্য গুৱাহাটী বিধানসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ □ ৬ পৃষ্ঠাত



৭ মাহ ধৰি বন্দী কৰি ৰখা হৈছিল শ্ৰমিকসহ পৰিয়ালক; চলাই আহিছিল অমানৱীয় অত্যাচাৰ

## অৱশেষত বিহাৰত বন্দীত্বৰ জীৱন কটোৱা ধুবুৰীৰ ৪৭ শ্ৰমিকক উদ্ধাৰ

নাবালিকা কিশোৰীৰ ওপৰত যৌন নিৰ্যাতনৰ অভিযোগ; অভিযুক্ত গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** বহিঃৰাজ্যত অসমৰ শ্ৰমিকসকলৰ সৈতে নিৰ্যাতন আৰু শোষণৰ ঘটনা বাৰে বাৰে পোহৰলৈ আহিলেও এইবাৰ বিহাৰত সংঘটিত হোৱা ঘটনাই সকলোকে স্তম্ভিত কৰি তুলিছে। প্ৰায় ৭ মাহ ধৰি বিহাৰৰ এটা ইটা ভাটাত বন্দী কৰি ৰখা হৈছিল ধুবুৰী জিলাৰ প্ৰায় ৪৭ □ ৬ পৃষ্ঠাত

## সংসদৰ বিশেষ অধিৱেশনক সমালোচনা ছোনিয়া গান্ধীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** সংসদৰ আহ্বান কৰা বিশেষ অধিৱেশনক লৈ তীব্ৰ সমালোচনা কৰিছে কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষা ছোনিয়া গান্ধীয়ে। চৰকাৰে বিৰোধীক বিপাঙত পেলোৱাৰ উদ্দেশ্যে ততাতৈয়াকৈ এই অধিৱেশন আহ্বান কৰা বুলি অভিযোগ তুলি তেওঁ কয় যে, মহিলা সংৰক্ষণ আইনৰ □ ৬ পৃষ্ঠাত

আৰক্ষীৰ ঘটনাৰ ৰহস্য উন্মোচন, চিচি টিভি ফুটেজ আৰু তদন্তত প্ৰকাশ

## গুলীৰ শব্দ নহয়, ফটকাৰ শব্দহে আছিল পৰেশ বৰুৱাৰ ঘৰৰ কাষত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** চাবুৱাৰ জেৰাইগাঁৱত আলফা স্বাধীনৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ ভাতৃ বিপুল বৰুৱাৰ বাসগৃহৰ ওচৰত গুলীচালনা হোৱা বুলি উত্থাপিত অভিযোগ সম্পূৰ্ণ মিছা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীৰ তদন্তত প্ৰকাশ □ ৬ পৃষ্ঠাত



"কেইজনমান ডেকা ল'ৰাই পৰেশ বৰুৱাৰ ঘৰৰ পৰা প্ৰায় ১৫০ মিটাৰ দূৰত থকা নিজৰ ঘৰত জন্মদিন উদ্‌যাপন কৰি দুটা ফটকা ফুটাইছিল।"

### ◂ সম্পাদকীয় ▸

## পৰম্পৰাৰ মাজেৰে প্ৰাসংগিকতাৰ সন্ধান

✍ তনয় বৰা

অসমীয়াৰ বাবে বিহু কেৱল উৎসৱ নহয়, ই এক চিৰন্তন চেতনা। ব'হাগ বিহুৰ প্ৰথম দিনটো গৰু বিহু ৰূপে পালন কৰা হয়। গৰু স্নান কৰোৱা, হালধি-তেল লগাই দিয়া, বনৰীয়া ফুলৰ মালা পিন্ধোৱা, পিঠাগুৰি খুউৱা- এই আচাৰ-ব্যৱহাৰে গাঁও-নগৰৰ প্ৰতিজন অসমীয়াকে □ ৪ পৃষ্ঠাত

দালালৰ জৰিয়তে ভুৱা ভোটাৰ কাৰ্ড লৈ চলাইছিল মুম্বাইলৈ যোৱাৰ প্ৰস্তুতি

## গুৱাহাটীত আটক চাৰিগৰাকী অবৈধ বাংলাদেশী নাগৰিক




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ এপ্ৰিল ঃ** সীমান্ত আৰক্ষীয়ে চচল এলেকাৰ পৰা আটক কৰা চাৰিগৰাকী অবৈধ বাংলাদেশী নাগৰিকক গুৱাহাটী আৰক্ষীয়ে জিম্মাত লৈছে। এগৰাকী মহিলা, এজন পুৰুষ □ ৬ পৃষ্ঠাত

ৰাইজৰ দলৰ নিৰ্বাচনী পৰ্যালোচনা সভা; বিজেপি চৰকাৰক তীব্ৰ সমালোচনা

## অভিলেখ সংখ্যক ভোটদান চৰকাৰ পৰিৱৰ্তনৰ ইংগিত !

**ষ্টাফ ৰিপ'ৰ্টাৰ, কাজিৰঙা, ১৩ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ভোটদান প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনী পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰিছে। সোমবাৰে কাজিৰঙাত ৰাইজৰ দলে ১৩ গৰাকী □ ৬ পৃষ্ঠাত






দৈনিক 'অসম বাৰ্তা' কাকতখন অনলাইনত পঢ়িবলৈ চাৰ্চ কৰক asombarta.in

# চলচ্চিত্ৰ অভিনেতা তথা দাপোনৰ প্ৰতিষ্ঠাপক পৱিত্ৰ ৰাভালৈ "বৰপেটা বঁটা"

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৩ এপ্ৰিল ঃ** হেঁপাহৰ ৰঙালী বিহু এতিয়া দুৱাৰ দলিত, সাজোনে কাচোনে ওলাই আহিছে নাচনী, লগত ধুলীয়াও আহিছে এনেহেন বিহুৰ সময়ত জুবিনবিহীন অসমীয়াই পালন কৰিব লৈছে ৰঙালী উৎসৱ ব'হাগ বিহু। এইবাৰ পহিলা বহাগত মুকলি বিহুৰ কাৰ্যসূচী লৈ গাত টঙালি বান্ধিছে বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই। পূৰ্বৰ দৰে এইবাৰো অহা ১ বহাগ অৰ্থাৎ ১৫ এপ্ৰিল, বুধবাৰে স্থানীয় জিলা ক্ৰীড়া সংস্থাৰ খেলপথাৰত আয়োজন কৰিব এদিনীয়া ৰঙালী বিহুৰ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী। বিহু নৃত্য, হুছৰিৰ লগতে আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীতৰ শৰাই এইবাৰ মুখ্য আকৰ্ষণ হ'ব বুলি জনাইছে। আনহাতে পূৰ্বৰ দৰে আয়োজক তথা বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা ত্ৰয়োদশ সংখ্যক 'বৰপেটা বঁটা' প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। সেয়েহে এইবাৰ চলচ্চিত্ৰ অভিনেতা তথা দাপোনৰ প্ৰতিষ্ঠাপক পৱিত্ৰ ৰাভালৈ আগবঢ়োৱা হ'ব ২০২৬ বৰ্ষৰ 'বৰপেটা বঁটা'। আজি স্থানীয় শ্বহীদ ভৱনত আয়োজিত এক সংবাদ মেল যোগে আয়োজক বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই এই কথা সদৰি কৰিছে। ছাত্ৰ সন্থাৰ ফালৰ পৰা অবিনাশ কুমাৰে সদৰি কৰা মতে এইবাৰৰ 'বৰপেটা বঁটা'ৰ লগত নগদ ধন, চেলেং চাদৰ, স্মাৰক, ফুলাম গামোচা আদিৰে পৱিত্ৰ ৰাভা দেৱক সন্মানিত কৰা হ'ব। লগতে এই বঁটাটি সমাজকৰ্মী তথা চলচ্চিত্ৰ প্ৰযোজক কুশান চৌধুৰীয়ে প্ৰদান কৰিব বুলি সংবাদ মেলত সদৰি কৰা হয়। উল্লেখযোগ্য যে ওদালগুৰি জিলাৰ টংলাৰ বাসিন্দা পৱিত্ৰ ৰাভাই বিগত ২০১১ বৰ্ষতে স্থাপন কৰিছিল 'দাপোন' নামৰ প্ৰতিষ্ঠানটো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক ডিগ্ৰীধাৰী তথা নেশ্যনেল স্কুল অৱ ড্ৰামাৰ ডিপ্লমাধাৰী পৱিত্ৰ ৰাভা এগৰাকী স্বনামধন্য অভিনেতাও। তেওঁ 'কাঞ্চনজংঘা, মিছন চাইনা, 'দ্যা আণ্ডাৰৱৰ্ল্ড', আদি অসমীয়া ছবিত অভিনয় কৰাৰ উপৰিও বাংলা, হিন্দী তথা ইংৰাজী কেইবাখনো ছবিত অভিনয় কৰি সমাদৃত হৈছে। ২০১১ বৰ্ষত ওস্তাদ বিছমিল্লা খাঁ যুৱ বঁটা তথা ২০২০ বৰ্ষত প্ৰতিমা পাণ্ডে বৰুৱা স্মৃতি বঁটাৰে তেওঁ বিভূষিত হৈছিল। পৱিত্ৰ ৰাভাই 'দাপোন' নামৰ প্ৰতিষ্ঠানটোৰ জৰিয়তে সমাজৰ মূল সুঁতিৰ পৰা বিচ্ছিন্ন লোক সকলৰ বাবে এখন মঞ্চ তৈয়াৰ কৰি জনমানসত বিশেষ দৃষ্টি লাভ কৰিবলৈ সক্ষম হৈছে। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই ১ বহাগত আয়োজন কৰা ৰঙালী বিহুৰ সাংস্কৃতিক অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰদান কৰা "বৰপেটা বটাঁ"টো প্ৰথমবাৰৰ বাবে বিগত ২০১৩ বৰ্ষত খ্যাতি সম্পন্ন প্ৰযুক্তি উদ্ভাৱক উদ্ধৱ ভৰালীক প্ৰদান কৰা হৈছিল। তাৰ পৰৱৰ্তী সময়ত বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মাক, সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰক, সাংবাদিক গোকুল পাঠকক, বিশিষ্ট বিজ্ঞানী ড° অখিল কুমাৰ ডেকাক, সাহিত্যিক তথা গৱেষক ড° হৰিনাথ শৰ্মা দলৈক, বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্তক, বিশিষ্ট সংগীত পৰিচালক অনুৰাগ শইকীয়াক, অভিনেত্ৰী চেতনা দাসক, মানৱ প্ৰেমী কুমুদ কলিতাক, মানৱ দৰদী দেৱাশিস শৰ্মাক, সংগীত শিল্পী তৰালী শৰ্মাক তথা সাংবাদিক, সমাজকৰ্মী মজিবুৰ ৰহমানক ধৰি ইতিপূৰ্বে পোন্ধৰ গৰাকী সমাজৰ বিবিধ ক্ষেত্ৰত প্ৰতিভাসম্পন্ন ব্যক্তিক এই বৰপেটা বঁটা প্ৰদান কৰি সুন্দৰ নিদৰ্শন দেখুৱাইছে।

# জুবিন গাৰ্গ বিহীন প্ৰথমটো ব'হাগ; প্ৰাণৰ শিল্পীক সোঁৱৰি বিহু কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, সৰুপথাৰ, ১৩ এপ্ৰিল ঃ** বাপতি সাহোন ৰঙালী বিহুলৈ মাজত মাত্ৰ এটা দিন। ঢোল-পেঁপাৰ মাতেৰে মুখৰিত ৰাজ্যৰ আকাশ-বতাহ। অসমীয়াৰ হিয়াৰ আমঠু, বাপোটি সাহোন ৰঙালী বিহুলৈ মাজত মাত্ৰ এটা দিন বাকী। বসন্তৰ আগমনৰ লগে লগে কুলি-কেতেকীৰ মিঠা মাতে প্ৰকৃতিৰ লগতে প্ৰতিজন অসমীয়াৰ মন-প্ৰাণ আচ্ছন্ন কৰি তুলিছে। ৰাজ্যজুৰি এতিয়া বিহুৰ উখল-মাখল পৰিৱেশ। ঢোল, পেঁপা আৰু গগণাৰ মাতত ৰজনজনাই উঠিছে আকাশ-বতাহ। সোমবাৰে উৰুকা আৰু মঙলবাৰে গৰু বিহুৰে অসমীয়াই আদৰিব তেওঁলোকৰ হেঁপাহৰ বসন্ত উৎসৱটিক। প্ৰতিজন অসমীয়াৰ গা এতিয়া সাতখন-আঠখন। গাঁৱে-ভূঁয়ে, চহৰে-নগৰে কেৱল বিহুৰ প্ৰস্তুতি। ডেকা-গাভৰুৰ পৰা আবাল-বৃদ্ধ-বনিতালৈকে সকলো এতিয়া বিহুৰ আনন্দত আত্মহাৰা। শিপিনীৰ তাঁতশালত বিহুৱানৰ খিটখিটনি আৰু পাকঘৰত সান্দহ-পিঠা-পনাৰ গোন্ধই বিহুৰ আগজাননী দিছে। এইবাৰৰ বিহু অসমীয়া ৰাইজৰ বাবে কিছু ব্যতিক্ৰমী আৰু আৱেগিক হ'ব। কিয়নো, অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ অবিহনেই এইবাৰ ৰাইজে বিহু উদযাপন কৰিব লাগিব। জুবিনৰ অনুপস্থিতিয়ে বিহুৰ মঞ্চসমূহত এক শূন্যতাৰ সৃষ্টি কৰিব যদিও তেওঁৰ কালজয়ী গীতসমূহে প্ৰতিটো বিহু সন্মিলনতে ৰজনজনাই থাকিব। ৰঙালী বিহুক আদৰাৰ প্ৰস্তুতিৰ অংশ হিচাপে সৰুপথাৰৰ টেঙাহোলাবাসী ৰাইজৰ উদ্যোগত আয়োজিত সাতদিনীয়া বিহু কৰ্মশালাৰ আজি সফল সামৰণি পৰে। বিশেষভাৱে মন কৰিবলগীয়া যে, কৰ্মশালাৰ সামৰণি অনুষ্ঠানত জুবিন গাৰ্গক গভীৰভাৱে সোঁৱৰণ কৰা হয়। শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰি আয়োজকসকলে তেওঁৰ প্ৰতি সন্মান জনায়। প্ৰায় এসপ্তাহ ধৰি চলা এই কৰ্মশালাত অঞ্চলটোৰ বহুসংখ্যক কিশোৰ-কিশোৰী আৰু ডেকা-গাভৰুৱে বিহু নাচ আৰু ঢোল বাদনৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। কৰ্মশালাখনত প্ৰশিক্ষক হিচাপে উপস্থিত আছিল বিহু নাচৰ বাবে অসমৰ শ্ৰেষ্ঠ বৰবিহুৱতী সন্মানেৰে সন্মানিত তথা অত্যন্ত অভিজ্ঞ প্ৰশিক্ষক ৰিতামণী বৰা শইকীয়া। তেওঁৰ সুনিপুণ নিৰ্দেশনাত প্ৰশিক্ষাৰ্থীসকলে বিহু নাচৰ বিভিন্ন ভংগীমা আয়ত্ত কৰে। ঢোল বাদন হিচাপে 'ৰং বসন্ত' ২০২৫ বৰ্ষৰ দ্বিতীয় শ্ৰেষ্ঠ ওজা তথা যুৱপ্ৰজন্মৰ ঢোল বাদক প্ৰিন্স গগৈ। তেওঁৰ হাতৰ পৰশত প্ৰশিক্ষাৰ্থীসকলৰ ঢোলৰ কোবত এক অনন্য মাদকতা ফুটি উঠে। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে তেওঁলোকৰ কলা প্ৰদৰ্শন কৰি উপস্থিত ৰাইজক মুগ্ধ কৰে। এনে ধৰণৰ কৰ্মশালাই আমাৰ চহকী লোক-সংস্কৃতিটোক নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে।

# কাইলৈৰ পৰা ৪৫ সংখ্যক চপাই আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, মঙলদৈ, ১৩ এপ্ৰিল ঃ** চপাই যুৱ কল্যাণ কেন্দ্ৰৰ উদ্যোগত অহা ১৫, ২৫ আৰু ২৬ এপ্ৰিলত চপাই নেহৰু ময়দানত ৪৫ সংখ্যক চপাই আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন কৰা হ'ব। এই উপলক্ষে ১৫ এপ্ৰিলত সভাপতি দুগ্ধ ডেকাই বিহু পতাকা আৰু চপাই যুৱ কল্যাণ কেন্দ্ৰৰ সভাপতি হাচিনুৰ হুছেইনে কেন্দ্ৰৰ পতাকা উত্তোলন কৰিব। এই অনুষ্ঠানত শতাধিক ছাত্ৰ ছাত্ৰীয়ে পুৰুষোত্তম দাস ৰচিত 'শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উচবৰ মধু আলোড়ন' শীৰ্ষক গীতটি পৰিৱেশন কৰিব। ইয়াৰ পিছতে চপাই যুৱ কল্যাণ কেন্দ্ৰৰ সম্পাদক ৰমেশ চহৰীয়াই স্মৃতি তৰ্পণ, চপাই সাহিত্য সভাৰ সম্পাদক বসুৰাম নাথে গছপুলি ৰোপণ কৰিব। চেমনীয়া বিহুৰ দলৰ বিহু নৃত্য প্ৰদৰ্শনৰ পিছত প্ৰবীণ মাষ্টাৰ্ছ এথলেট ৰুণু নাথে অজয় চন্দ্ৰ দে সোঁৱৰণী খেল ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব। সাহিত্য প্ৰতিযোগিতা উদ্বোধন কৰিব কবি ইবিনাথ ৰাভাই। দিনৰ ১ বজাত হ'বলগীয়া মুক্তিযুঁজাৰু নিধিৰাম চহৰীয়া সোঁৱৰণী চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰিব বিশিষ্ট শিল্পী মৃত্যুঞ্জয় কুমাৰ দেৱ শৰ্মাই। বিয়লি ৪ বজাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কৃষ্ণকান্ত ডেকাৰ সভাপতিত্বত হ'বলগীয়া বঁটা প্ৰদান অনুষ্ঠানত মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভৱেশ নাৰায়ণ চৌধুৰী, চপাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষ্মীকান্ত শৰ্মা, চপাই আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ প্ৰাক্তন সভাপতি অমিয় কুমাৰ কলিতাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে ২৫ এপ্ৰিলত সদৌ অসম ভিত্তিত মাৰাথন দৌৰ, মৌ কুঁৱৰী, বিহু সুৱীয়া গীতত দলীয় নৃত্য আৰু সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৬ এপ্ৰিলত ভয়চ অৱ দৰং প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান হ'ব বুলি সভাপতি দুগ্ধ ডেকা আৰু সম্পাদক বিপুল ডেকাই জনাইছে।

## ৰং বসন্ত উৎসৱত জিলিকিল দেৰগাঁৱৰ অৰ্পিতা বৰা




**অসম বাৰ্তা, দেৰগাঁও, ১৩ এপ্ৰিল ঃ** পূৰ্বৰ ধাৰা অক্ষুণ্ণ ৰাখি উঠি অহা নৱ প্ৰজন্মক এখন মঞ্চ দিয়াৰ প্ৰয়াসেৰে ৰং চেনেলত সম্প্ৰচাৰিত হোৱা ৰং বসন্ত উৎসৱ ২০২৬ত জিলিকিল দেৰগাঁৱৰ সু-সন্তান অৰ্পিতা বৰা। সৰুৰে পৰা নাটক, ভাওনা আদিৰ সৈতে জড়িত হৈ অৰ্পিতাই ২০২০ চনৰ পৰা আৰম্ভ কৰিছিল বিহুৰ চৰ্চা। পিতৃ পৰেশ বৰা, মাতৃ ৰঞ্জু বৰা আৰু ককায়েক অবিনাশ বৰাই যথেষ্ট কষ্টৰে সাংস্কৃতিক দিশত আগবঢ়াই অসমৰ বিভিন্ন ঠাইত বিহু নাচ পৰিৱেশন কৰি শ্ৰেষ্ঠ সৰু বিহুৱতীৰ পুৰস্কাৰ পাবলৈ সক্ষম হয়। অৰ্পিতাৰ লক্ষ্য আছিল ৰং বসন্ত উৎসৱৰ মঞ্চত বিহু নচাৰ। কিছু দিনৰ আগতে হৈ যোৱা ৰং বসন্ত উৎসৱত অসমৰ বিভিন্ন ঠাইৰ অৰ্ধ শতাধিক প্ৰতিযোগীৰ ভিতৰত অৰ্পিতাই দ্বিতীয় স্থান লাভ কৰি দেৰগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছে।

**তেৰ বছৰ ধৰি ১০০ শতাংশ প্ৰথম বিভাগত উত্তীৰ্ণৰ ধাৰাবাহিক সফলতাৰে অভিলেখ**

# অম্লান ঐতিহ্যক সুকীয়া মাত্ৰা দিলে শিৱসাগৰৰ নিউ লুক একাডেমীয়ে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৩ এপ্ৰিল ঃ** শিৱসাগৰৰ অন্যতম প্ৰতিষ্ঠিত শিক্ষানুস্থান নিউ লুক একাডেমীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পূৰ্বৰ সফলতাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এইবাৰো ২০২৬ বৰ্ষৰ ঘোষিত ফলাফলত এক চমকপ্ৰদ সফলতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। ২০১৪ চনত পোনপ্ৰথম বাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা এই অনুষ্ঠানটিয়ে বিগত বাৰ বছৰৰ দৰে এইবাৰো প্ৰথম বিভাগত ১০০ শতাংশ উত্তীৰ্ণৰে ৰাজ্যৰ শিক্ষাক্ষেত্ৰত এক বিৰল উদাহৰণ দাঙি ধৰে। ২০২৬ বৰ্ষত অৱতীৰ্ণ হোৱা সৰ্বমুঠ ৩১ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ১০ গৰাকীয়ে ডিষ্টিংচন, ১৪ গৰাকীয়ে ষ্টাৰ আৰু ৭ গৰাকীয়ে লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয়খনিৰ লগতে সমগ্ৰ শিৱসাগৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখযোগ্য যে নিউ লুক একাডেমীৰ এনে এক শৈক্ষিক পৰিৱেশ তথা ধাৰাবাহিক প্ৰশংসণীয় সফলতাই বিদ্যালয়খনিক মহিমামণ্ডিত কৰি তোলাৰ লগতে সমগ্ৰ ৰাজ্যৰ শিক্ষাক্ষেত্ৰখনিৰ বাবে এয়া এক নিদৰ্শন বুলি বিদ্বত সমাজে মত প্ৰকাশ কৰিছে।

**আটক বৰপেটাৰ ভাতকুছিৰ ছাহজামাল খান**

# তাৰাবাৰী আৰক্ষীৰ জালত বুজন পৰিমাণৰ গাঞ্জাসহ এজন

**অসম বাৰ্তা, চেঙা, ১৩ এপ্ৰিল ঃ** বৰপেটা জিলাত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। এইবাৰ জিলাখনৰ তাৰাবাৰী আৰক্ষীৰ অভিযানত আটক হৈছে এটা গাঞ্জা ব্যৱসায়ী। আজি সন্ধিয়া বহৰি চিকিৎসালয়ৰ ওচৰত গোপন খবৰৰ ভিত্তিত তাৰাবাৰী আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে চলাইছিল অভিযান। তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত উপ পৰিদৰ্শক ক্ৰমে কল্যাণ বণিক আৰু বিশ্বজিৎ দাসসহ এটি আৰক্ষীৰ দলে চলাইছিল এই অভিযান। অভিযানকালত এটা গাঞ্জা ব্যৱসায়ীৰ পৰা এক কিলোগ্ৰাম গাঞ্জা জব্দ কৰাৰ লগতে গাঞ্জা ব্যৱসায়ীটোক আটক কৰে আৰক্ষীয়ে। ধৃত গাঞ্জা ব্যৱসায়ীটো বৰপেটাৰ ভাতকুছিৰ মকিম খানৰ পুত্ৰ ছাহজামাল খান (৩৭) বুলি জানিব পৰা গৈছে। ধৃত ছাহজামাল খানৰ পৰা আৰক্ষীয়ে গাঞ্জাৰ লগতে মোবাইল ফোন এটা আৰু এখন বাইকো জব্দ কৰে। গাঞ্জা সৰবৰাহত ব্যৱহৃত বাইকখনৰ নম্বৰ হৈছে এএচ-০২চি-৫১১৪। ধৃত ছাহজামাল খানৰ বিৰুদ্ধে আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰিব বুলি জানিব পৰা গৈছে। তাৰাবাৰী আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে চলাই থকা সফল অভিযানৰ বাবে সচেতন মহলে তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ক ধন্যবাদ জ্ঞাপন কৰে।

# চাউলধোৱাৰ বিশিষ্ট সমাজসেৱক খুদিৰাম মুদৈক 'জীৱন সমৃদ্ধ বঁটা ২০২৬' প্ৰদান

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৩ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ কাটৰি চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট সমাজসেৱক, ৰাজনীতিজ্ঞ, লেখক খুদিৰাম মুদৈক অসমৰ অগ্ৰণী সংস্থা শিক্ষক প্ৰকাশন সংস্থা অসমে 'জীৱন সমৃদ্ধ বঁটা ২০২৬' প্ৰদান কৰিছে। গুৱাহাটী মহানগৰত অনুষ্ঠিত সংস্থাৰ 'মহাশয়' শীৰ্ষক আলোচনীখনৰ উন্মোচনী অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয় খুদিৰাম মুদৈক। এই বঁটা লাভ কৰি অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা খুদিৰাম মুদৈক চাউলধোৱা মিডিয়া চাৰ্কল, সোৱণশিৰি শাখা সাহিত্য সভা, সোৱণশিৰি কবি সন্মিলন আদিয়ে শুভেচ্ছা জ্ঞাপন কৰিছে।

# লংকাৰ বিশিষ্ট শিক্ষাবিদ কমলেশ্বৰ কলিতাক "অসম শিক্ষাবিদ বঁটা ২০২৬" প্ৰদান




**অসম বাৰ্তা, লংকা, ১৩ এপ্ৰিল ঃ** শিক্ষা, সাহিত্য আৰু সমাজসেৱা ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে শিক্ষক প্ৰকাশন সংস্থা, অসমৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিস্থিত সাংস্কৃতিক ভৱনত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ২০২৬ বৰ্ষৰ "অসম শিক্ষাবিদ বঁটা" প্ৰদান কৰা হয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, সাংবাদিক, বুদ্ধিজীৱী আৰু সমাজকৰ্মীসকলৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানটো অত্যন্ত মৰ্যাদাপূৰ্ণ আৰু উৎসাহব্যঞ্জক পৰিৱেশত সম্পন্ন হয়। এই বছৰৰ এই গৌৰৱময় বঁটাৰে সন্মানিত হয় হোজাই জিলাৰ লংকাৰ বাসিন্দা, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, সমাজচিন্তক তথা লংকা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক কমলেশ্বৰ কলিতা। শিক্ষা ক্ষেত্ৰত তেখেতৰ দীঘলীয়া অভিজ্ঞতা, নিষ্ঠা, কৰ্মনিষ্ঠা আৰু সমাজমুখী দৃষ্টিভংগীৰ বাবে তেখেতক এই সন্মান প্ৰদান কৰা হয়। কমলেশ্বৰ কলিতাই দীৰ্ঘদিন ধৰি শিক্ষকতা জীৱনত শিক্ষাৰ মান উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে। তেখেতে ছাত্ৰ-ছাত্ৰীৰ নৈতিক বিকাশ, মানৱীয় মূল্যবোধৰ বিকাশ আৰু সমাজৰ প্ৰতি দায়বদ্ধতা সৃষ্টি কৰাৰ ক্ষেত্ৰত সদায় গুৰুত্ব আৰোপ কৰি আহিছে। তেখেতৰ সৃষ্টিশীল আৰু সময়োপযোগী শিক্ষণ-পদ্ধতিয়ে বহু শিক্ষাৰ্থীক জীৱনত সঠিক দিশ নিৰ্দেশনা দিছে আৰু তেওঁলোকৰ ভিতৰত আত্মবিশ্বাস গঢ়ি তুলিবলৈ সহায় কৰিছে। ইয়াৰ উপৰি, কমলেশ্বৰ কলিতা সাহিত্য ক্ষেত্ৰতো এক সক্ৰিয় ব্যক্তিত্ব হিচাপে পৰিচিত। সমাজৰ বিভিন্ন দিশ, বিশেষকৈ নৈতিক মূল্যবোধ, সামাজিক দায়িত্ব আৰু শিক্ষাৰ গুৰুত্ব সম্পৰ্কে তেখেতৰ লিখনীসমূহে সচেতনতা বৃদ্ধি কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। তেখেতৰ এই বহুমুখী প্ৰতিভাই নৱপ্ৰজন্মৰ মাজতো এক সুন্দৰ প্ৰেৰণা সৃষ্টি কৰিছে। অনুষ্ঠানটোত শিক্ষক প্ৰকাশন সংস্থা, অসমৰ সভানেত্ৰী কুসুম কোঁৱৰে বঁটা প্ৰদান কৰি কমলেশ্বৰ কলিতাৰ আগন্তুক জীৱনৰ সফলতা আৰু সুস্বাস্থ্য কামনা কৰে। তেওঁলোকে মন্তব্য কৰে যে, এনে সন্মানে সমাজৰ প্ৰতিশ্ৰুতিশীল শিক্ষাবিদসকলক অধিক উৎসাহিত কৰাৰ লগতে সমাজৰ সামগ্ৰিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উল্লেখযোগ্য যে শিক্ষক প্ৰকাশন সংস্থা, অসমে ৰাজ্যজুৰি শিক্ষা, সাহিত্য, সাংবাদিকতা আৰু সমাজসেৱা ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা ব্যক্তিসকলক প্ৰতিবছৰে বিভিন্ন বঁটা আৰু সন্মান প্ৰদান কৰি আহিছে। এই ধৰণৰ পদক্ষেপে ৰাজ্যখনৰ বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশ অধিক সমৃদ্ধ কৰি তুলিছে।

**■ সমান্তৰালকৈ জুবিন গাৰ্গৰ ন্যায়ৰ দাবীও তুলিছে শিপিনীয়ে ■**

# তাতঁশালৰ খটখটনি আৰু মাকোৰ শব্দই সৰুপথাৰতো দিছে বিহুৰ বতৰা



**অসম বাৰ্তা, সৰুপথাৰ, ১৩ এপ্ৰিল ঃ** তাঁতশালৰ খিটখিটনি আৰু ৰাজ্যত বিহুৰ প্ৰস্তুতি। বসন্তৰ আগমনৰ লগে লগে গাঁৱৰ চুকে-কোণে এতিয়া কেৱল বিহুৰ উছাহ। বিশেষকৈ তাঁতশালত এতিয়া জীয়ৰী-বোৱাৰীৰ ব্যস্ততাৰ অন্ত নাই। বিহুৰ বাবে প্ৰস্তুতি চলোৱাত সকলো মগন হৈ পৰিছে। চেনেহৰ বিহুৱানখন বৈ উলিয়াবলৈ মাকো চলোৱাত কাৰোৰেই আহৰি নাই। গামোচা, চেলং আৰু মেখেলাৰ 'জোৰ কাপোৰ' ইতিমধ্যে প্ৰস্তুত কৰি থোৱা হৈছে। এই কাপোৰবোৰ কেৱল বস্ত্ৰই নহয়, ইয়াৰ লগত জড়িত হৈ আছে অসমীয়া নাৰীৰ নিপুণ হাতৰ পৰশ আৰু মৰম। তাঁতৰ শালত বিহুৱান ঃ চেনেহৰ 'চেনাই'লৈ বুলি জীয়ৰী-বোৱাৰীয়ে তাঁতৰ শালত মৰমেৰে বৈ উলিয়াইছে বিহুৱান। মাকোৰ শব্দই যেন কঢ়িয়াই আনিছে বিহুৰ বতৰা। সমান্তৰালকৈ জুবিন গাৰ্গৰ ন্যায়ৰ দাবীও তুলিছে। বিহুৰ বাবে সাজু প্ৰতিজন অসমীয়া। বিহু গোৱাৰ বাবে যি এক বিশেষ পৰিৱেশৰ প্ৰয়োজন, সেই পৰিৱেশ চৌপাশে বিৰাজ কৰিছে। নতুন কাপোৰৰ গোন্ধ আৰু বিহুৰ প্ৰস্তুতিয়ে প্ৰতিজনৰ মন প্ৰাণ পুলকিত কৰি তুলিছে। প্ৰতিজন অসমীয়াৰ মন এতিয়া উলাহতে সাতখন-আঠখন। বসন্তৰ আগমনৰ লগে লগে কুলি-কেতেকীৰ মিঠা বিননীয়ে চুই গৈছে অসমীয়াৰ হৃদয়; যাৰ ফলত কৰ্মব্যস্ততাৰ মাজতো কাৰোৰেই যেন ততে নাইকিয়া হৈছে। অসম-নাগালেণ্ড সীমান্তৰ সৰুপথাৰৰ বৰবিল-বচাপথাৰ গাঁৱত এতিয়া বিহুৰ ব্যাপক উছাহ। গাঁৱৰ জীয়ৰী-বোৱাৰীসকল একত্ৰিত হৈ নামি পৰিছে বিহুৰ প্ৰস্তুতিত। এই সকলো কামৰ মাজতে বিহু নামৰ কলি জুৰি তেওঁলোকে পৰিৱেশটো জীপাল কৰি তুলিছে। প্ৰতিজন অসমীয়াৰ বাবে এয়া কেৱল এটা উৎসৱ নহয়, এয়া এক আৱেগ। বৰবিল-বচাপথাৰ গাঁৱৰ এই দৃশ্যই প্ৰমাণ কৰে যে আমাৰ চহা সংস্কৃতি আজিও কিমান চহকী আৰু সজীৱ। তাঁতৰ শালৰ শিপিনী এগৰাকীয়ে কয়, "প্ৰথমতে অসমবাসী সকলোকে মোৰ ফালৰ পৰা হিয়াভৰা বিহুৰ শুভেচ্ছা জনালোঁ। হয়, আমি প্ৰথমতে বোৱালোঁ গামোচা, চেলেং, মেখেলা বোৱালোঁ, এতিয়া আমাৰ জোৰ কাপোৰ লগাই থোৱা হৈছে। যিহেতু আমাৰ কাইলৈৰ পৰা বিহু গোৱা হ'ব, তাৰ কাৰণে আমাৰ ইয়াত প্ৰস্তুতি কৰি থকা হৈছে।" পুনৰ কয়, "এইবাৰ আন কালৰ নিচিনা, আন বছৰৰ নিচিনা আমাৰ বিহু নহয়। যিহেতু আমাৰ মাজৰ, আমাৰ হিয়াৰ আমঠু তেখেত নাই। এতিয়ালৈকে আমি একো জাষ্টিচ (justice) পোৱা নাই। আমি বিচাৰোঁ যে তেখেতৰ সোনকালে জাষ্টিচটো পোৱা হয়, তাৰে আশা কৰিছোঁ। বিহুৰ বাবে আমাৰ এতিয়া পিঠা-পনা বনোৱা হৈ গৈছে। এতিয়া আমি জেতুকা লগোৱা হৈছে।"

**লোক নিৰ্মাণ বিভাগৰ মীন পাম সদৃশ দ' গাতত সোমাই পৰিল দুখনকৈ ট্ৰাক**

# বন্ধ হৈ পৰিল নাজিৰা-জয়সাগৰ ঐতিহাসিক বৰ আলি

**অসম বাৰ্তা, নামতি, ১৩ এপ্ৰিল ঃ** আজি পুৱা ভাগতে হঠাৎ বন্ধ হৈ পৰিল নাজিৰা-জয়সাগৰ সংলগ্ন ঐতিহাসিক বৰআলি। নাজিৰা নগৰ চাৰিআলিত ঐতিহাসিক ধোদৰ আলিত সংলগ্ন হোৱা জয়সাগৰ তিনিআলিলৈকে প্ৰায় সোতৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ ঐতিহাসিক বৰ আলি সম্প্ৰতি অতি বিধ্বস্ত হৈ পৰাত জনগণে যাতায়াতৰ ক্ষেত্ৰত যমৰ-যাতনা ভোগ কৰিবলগীয়া হৈছে। বিগত বৰ্ষত জয়সাগৰৰ পৰা নিৰ্মাণ কৰি আহিছে যদিও নাজিৰা চাৰিআলিৰ পৰা প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৱা নিৰ্মাণৰ নামত সংশ্লিষ্ট ঠিকাদাৰ আৰু বিভাগীয় বৰমূৰীয়াৰ দায়িত্বহীনতাৰ বাবে মাহ মাহ ধৰি নিৰ্মাণ কৰা নাই। এই পথছোৱাত চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ মীন পাম সদৃশ প্ৰকাণ্ড প্ৰকাণ্ড দ' দ' গাতৰ সৃষ্টি হৈ যান-বাহনৰ লগতে মানুহে খোজ কাঢ়ি যোৱাটোও অসম্ভৱ হৈ পৰিছে। আজি পুৱা ভাগতে নাজিৰা নগৰৰ সমীপৰ আমোলাপট্টিত ঐতিহাসিক বৰ আলিৰ মাজত থকা এটা প্ৰকাণ্ড দ' গাতত দুয়োফালৰ পৰা যোৱা বোজাই ভৰ্তি দুখন পঞ্জাৱবদী ট্ৰাক সোমাই পৰাত নাজিৰাৰ চাৰিআলিতে আৰক্ষীয়ে পথ বন্ধ কৰি দিব লগা পৰিস্থিতিৰ উদ্ভৱ হয়। লোক নিৰ্মাণ বিভাগৰ নাজিৰা আৰু আমগুৰি সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা আৰু সংশ্লিষ্ট ঠিকাদাৰৰ মাজত কি গোপন বুজাবুজিৰ ফলত মাহ মাহ ধৰি পথচোৱা নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা নাই। যাৰ ফলত আজি দুখনকৈ বোজাই ভৰ্তি ট্ৰাক দ' গাতত সোমাই পৰাত এই ঐতিহাসিক বৰ আলিটো যাতায়তৰ বাবে বন্ধ কৰি দিব লগাত পৰিছে।

**মিথিংগা বড়োৱে লাভ কৰে ৯৪.৮৩ শতাংশ নম্বৰ**

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত ঐতিহ্যমণ্ডিত গোলাঘাট বেজবৰুৱা বিদ্যালয়ৰ পূৰ্বৰ গৰিমা অক্ষুণ্ণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ এপ্ৰিল ঃ** ১০ এপ্ৰিলত ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত শতিকা গৰকা ঐতিহ্যমণ্ডিত গোলাঘাট বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে এই বাৰো যথেষ্ট সন্তোষজনক ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। শিক্ষানুষ্ঠানখনৰ মুঠ ১০১ গৰাকী প্ৰাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ৯৮ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হয়। প্ৰথম বিভাগত ৫৪ গৰাকী, দ্বিতীয় বিভাগত ৪১ গৰাকী, তৃতীয় বিভাগত ৩ গৰাকী উত্তীৰ্ণ হোৱাৰ বিপৰীতে ১ গৰাকীয়ে ডিষ্টিংছন আৰু ৩ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। বিদ্যালয়খনৰ উত্তীৰ্ণৰ হাৰ ৯৭.০৩ শতাংশ। আনহাতে, বিদ্যালয়খনৰ মেধাৱী ছাত্ৰী মিথিংগা বড়োৱে আটাইকেইটা বিষয়ত লেটাৰ সহ ৬০০ নম্বৰৰ ভিতৰত ৫৬৯ নম্বৰ লাভ কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মিথিংগাই ৯৪.৮৩ শতাংশ নম্বৰ লাভ কৰে। বিদ্যালয়খনৰ পৰা সফলতাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে মুঠতে ৭২টা বিষয়ত লেটাৰ নম্বৰ লাভ কৰে। পূৰ্বৰ দৰে বিদ্যালয়খনে গৰিমা অক্ষুণ্ণ ৰাখি সফলতা অৰ্জন কৰাত গোলাঘাটবাসী ৰাইজ আৰু অভিভাৱকসকলে আনন্দ প্ৰকাশ কৰে।

# বেবেজীয়াৰ ফুলগুৰীত অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু পীতাম্বৰ মেধিৰ স্মৃতিচাৰণ

**অসম বাৰ্তা, বেবেজীয়া, ১৩ এপ্ৰিল ঃ** যোৱা ২ এপ্ৰিল তাৰিখে পৰলোকপ্ৰাপ্তি হোৱা খালৈগাঁও লাচিত বৰফুকন উচ্চ মাধ্যমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষাগুৰু, ফুলগুৰী নিৰ্বাসী পীতাম্বৰ মেধিৰ দেওবাৰে আদ্যশ্ৰাদ্ধৰ দিনা তেখেতৰ স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰয়াত মেধিৰ কৰ্মস্থলী লাচিত বৰফুকন উচ্চ মাধ্যমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক গোট, খালৈগাঁও সন্মিলীতজন কল্যাণ নিধি আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ ব্যৱস্থাপনাত প্ৰয়াত মেধিৰ বাসগৃহত দিনৰ ২ বজাত অনুষ্ঠিত হয় স্মৃতিচাৰণ অনুষ্ঠান। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত মেধিৰ প্ৰতিচবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি গুৰুপ্ৰসাদ বৰদলৈয়ে আৰু পুষ্পাঞ্জলি অৰ্পন কৰে প্ৰয়াত মেধিৰ সহধৰ্মীনী ৰাণী মেধিয়ে। প্ৰাক্তন ছাত্ৰ দিপজ্যোতি বৰদলৈয়ে আঁতধৰা অনুষ্ঠানত বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰিনাৰায়ণ বৰদলৈ আৰু পৰিচালনা সমিতিত সভাপতি গুৰুপ্ৰসাদ বৰদলৈয়ে প্ৰয়াত মেধিৰ কৰ্মজীৱন আৰু বিশিষ্ট ব্যক্তিত্বৰ কথা সোঁৱৰি আৱেগিক ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সমাজকৰ্মী মাণিক বৰা, বিদ্যালয়খনৰ বৰ্তমানৰ প্ৰধান শিক্ষক বিচিত্ৰ মোহন ডেকা, প্ৰাঞ্জল ডেকা, বিদ্যালয়খনৰ শিক্ষক গোট, খালৈগাঁও সন্মিলীতজন কল্যাণ নিধিৰ সদস্য সকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকল, পৰিয়ালৰ সদস্য সকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# গৰু বিহু আৰু গোৰ্খা জনগোষ্ঠীৰ গাই তিহাৰ ঃ এক তুলনাত্মক আলোচনা

**অঞ্জন বাচকোটা**

গৰু, বিশেষকৈ কৃষিজীৱি ৰাইজৰ বাবে অতি আদৰৰ জন্তু। বিশ্বৰ প্ৰায় সকলো ৰাষ্ট্ৰতেই গৰুৰ আদৰ বিদ্যমান। ভাৰততো গৰুৰ আদৰ আৰু সমাজ জীৱনত ইয়াৰ স্থান অতি উচ্চ। ভাৰতত গৰুক মাতৃৰ স্থান দিয়া হৈছে। 'গৌ মাতা' বুলি পূজা কৰাৰ প্ৰচলনো ভাৰতীয় সমাজ জীৱনত দেখা যায়। বিশেষকৈ হিন্দুসকলে গৰুক পূজা কৰে। গৰুৰ গাখীৰক অমৃত জ্ঞান কৰি পান কৰা হয়। অসমীয়া সমাজ জীৱনত গৰুৰ স্থান অতি গুৰুত্বপূৰ্ণ।

হালোৱা গৰু, কৃষিকৰ্মৰ বাবে আৰু গাই গৰু দুগ্ধৰ বাবে প্ৰতিপালন কৰা হয়। বৈদিক যুগৰ পৰা আমাৰ দেশখনত চলি অহা সনাতন সংস্কৃতিত প্ৰকৃতিৰ অন্যান্য উপাদানসমূহৰ তুলনাত 'গৰু'ৰ স্থান অতি উচ্চ। ভাগৱত বৰ্ণিত ভগৱান শ্ৰীকৃষ্ণৰ শিশুলীলা খণ্ডত লগৰীয়া গোপ বালকসকলৰ সৈতে শিশু কৃষ্ণই গৰু চৰোৱাৰ মনোৰম কাহিনীভাগে গৰুৰ গুৰুত্ব বঢ়াইছে। আকৌ বৰগীতত গুৰুজনাই যশোদাৰ মুখেৰে কোৱাইছে- 'সুৰভি চাৰিতে লাগে উঠৰে গোপাল....' (তেজৰে কমলাপতি)। আনহাতে পুৰাণ বৰ্ণিত ভগৱান শিৱৰ বাহন বৃষভো, গৰুৰ প্ৰতি আমাৰ সমাজৰ শ্ৰদ্ধা-ভক্তিৰ অন্যতম কাৰক। আমাৰ অসমীয়া সমাজ-সংস্কৃতিৰ প্ৰাণস্পন্দন স্বৰূপ ব'হাগ বিহুত কৃষক ৰাইজে এই গো-ব্ৰাহ্মণসকলৰ পূজা অৰ্চনাৰ বাবে এটি বিশেষ দিন ধাৰ্য্য কৰি পৰম্পৰাগতভাৱে গৰুৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি আহিছে। গ্ৰাম্য অৰ্থনীতিত সৌ সিদিনালৈকে মুখ্য ভূমিকা পালন কৰি অহা কৃষকৰ পৰম বন্ধু হালৰ গৰুহাল আৰু গোহালিৰ গাইকেইটাৰ শ্ৰীবৃদ্ধি কামনাৰে চ'ত আৰু ব'হাগ সংক্ৰান্তিৰ দিনা পুৱাৰেপৰা গধূলিলৈকে নানধৰণৰ কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। অঞ্চলভেদে এই পৰম্পৰাৰ ক্ষেত্ৰত কিছু তাৰতম্য দেখা যায় যদিও লোক-সংস্কৃতিৰ চৰ্চনৰ ক্ষেত্ৰত এইপ্ৰভেদ অৱশ্যম্ভাৱী। দোমাহী অৰ্থাৎ গৰু বিহুৰ দিনা পুৱাই উঠি গৃহস্থই গৰুকেইটা নিৰীক্ষণ কৰে। গৰু শুই থকা বা বহি থকাটোৰে আগন্তুক কৃষিকাৰ্য্যৰ সম্ভাৱনা সম্পৰ্কে আগজাননী দিয়ে বুলি বিশ্বাস কৰা হয়। পুৱাই গৰু নোৱাবৰ বাবে মাহ-হালধি পিচাৰ লগতে শিশুসকলে গৰুৰ বাবে ফুলৰ মালা গঁঠাত ব্যস্ত হৈ পৰে। সত্ৰসমূহত, নামঘৰত ডবাত কোব মৰাৰ লগে লগে সকলোৱে নিজৰ নিজৰ গৰুক প্ৰণাম জনায়, শিৰত তেল দিয়ে। ইয়াৰ পিছত ক্ৰমে- মাহ, হালধি সনা হয়। পূৰ্বতে গাঁৱৰ সকলো গৰু একেলগে মেলি ওচৰৰ নৈ-বিল, পুখুৰী আদিত গা-ধুওৱা হৈছিল যদিও সম্প্ৰতি কিছুমান অঞ্চলত গৃহস্থই ঘৰতে গৰু ধুৱাই ফুলৰ মালা পিন্ধাই পথাৰলৈ নিয়ে আৰু পথাৰত গৰুৰ গাত 'ইতিমধ্যে সাজু কৰি ৰখা লাও, বেঙেনা, কেৰেলা, থেকেৰাৰ চাত মাৰি গৰুৰ স্বাস্থ্য আৰু বংশ বৃদ্ধিৰ কামনা কৰা হয়। মাহ-হালধিৰ পৰা আৰম্ভ কৰি লাও, বেঙেনাৰ চাত মৰালৈকে গোটেই প্ৰক্ৰিয়াটো গ্ৰীষ্মৰ প্ৰাক্-মুহূৰ্তত হ'ব পৰা ৰোগৰ পূৰ্বে সাৱধানতাৰূপে ব্যৱহৃত ঔষধি প্ৰয়োগ বুলিবও পাৰি। আন এক লোকবিশ্বাস অনুসৰি এই দিনটোত মাখিয়তী পাতেৰে গৰুক কোবালে আগন্তুক সময়বোৰত মাখিৰ আক্ৰমণৰ পৰা গৰুসমূহ ৰক্ষা পৰে। ঔষধি গুণযুক্ত দীঘলতিৰ ঠাৰেৰেও গৰুক কোবোৱা হয়। গধূলি পথাৰৰ পৰা গৰু ঘৰলৈ ঘূৰাৰ পৰত পদূলিমূৰত খেৰ, ভাং, বিহলঙনী, মাখিয়তী আদিৰ জাক দিয়া হয়। গোহালিৰ নিৰ্দিষ্ট খুঁটিবোৰত প্ৰতিটো গৰুৰ বাবে কিছুদিন আগতেই বতি উলিওৱা পঘা (মৰাপাট আৰু তৰাপাট মিশ্ৰিত) লগোৱা হয়। অৱশেষত গৰু অহাৰ ঠিক প্ৰাক্ মুহূৰ্তত সাজু কৰি ৰখা জাক জ্বলোৱা হয় আৰু গৰুকেইটাক গোহালিত সোমোৱাৰ আগে আগে বিহুৱান আবৃত্ত বিচনীৰে বা দিয়া হয়। নতুন পঘাৰে গৰুকেইটাক নিজ নিজ স্থানত বন্ধাৰ পিছত গৰুক পিঠাৰে আপ্যায়ন কৰি গৰু বিহুৰ সামৰণি মৰা হয়।

তিহাৰ গোৰ্খা জনগোষ্ঠীৰ এক উল্লেখযোগ্য পৰ্ব। সৰ্বমুঠ পাঁচদিন ধৰি এই তিহাৰ উৎসৱ গোৰ্খা জনগোষ্ঠীৰ লোকে মহা ধুমধামেৰে পালন কৰে। কাতি মাহৰ কৃষ্ণ পক্ষৰ ত্ৰয়োদশীৰ দিনা কাউৰী তিহাৰ (কাক তিহাৰ), চতুৰ্দশীৰ দিনা কুকুৰ তিহাৰ (ইয়াৰ নৰক বা নৰ্কে চতুৰ্দশী বুলিও কোৱা হয়), অমাৱশ্যাৰ দিনা গাই তিহাৰ, প্ৰতিপদৰ দিনা গৰু তিহাৰ আৰু দ্বিতীয়া তিথিত ভাই তিহাৰ অৰ্থাৎ ভাতৃ দ্বিতীয়া হিচাপে পালন কৰা হয়। এই পাঁচ দিৱসীয় উৎসৱক গোৰ্খা জনজীৱনত পঞ্চক (যম পঞ্চক) বা তিহাৰ বুলিও কোৱা হয়। নেপালীভাষীসকল গো-পালন আৰু কৃষি কৰ্মত নিয়োজিত হৈ থকাৰ বাবে গৰু গোৰ্খা সমাজ-সংস্কৃতিৰ এক অভিন্ন উপাদান হিচাপে পৰিগণিত হৈছে। গৰু তিহাৰ গোৰ্খা জনগোষ্ঠীয় লোকে দুদিন পালন কৰে। কাতি মাহৰ অমাৱশ্যাৰ দিনা গাই তিহাৰ আৰু প্ৰতিপদৰ দিনা গৰু তিহাৰপালন কৰাৰ পৰম্পৰা অতীজৰে পৰা চলি আহিছে। নৰক চতুৰ্দশীৰ দিনা গৃহস্থই গোহালিত চাকি-বন্তি জ্বলাই পিছদিনা অৰ্থাৎ অমাৱশ্যাৰ দিনালৈ গাই গৰু, চেউৰি পোৱালীক নিমন্ত্ৰণ জনায়। অমাৱশ্যাৰ দিনা গৃহস্থই পুৱা উঠি গা-পা ধুই চোতালত গাই গৰুক গা ধুৱাইন-পঘাৰে বান্ধি থয়। পৰিয়ালৰ সকলো একগোট হৈ সূৰ্য্যক প্ৰণাম কৰি গাই গৰুক মালা পিন্ধাই, নানা ৰঙী ৰঙেৰে গাই গৰুৰ শৰীৰত বোল সানে। শিং আৰু খুৰত তেল সানে আৰু ঘৰৰ আটাইকেইজন সদস্যই গাই গৰুক পৰিক্ৰমা কৰে আৰু পিঠাগুড়ি, তুঁহগুৰি আদি খাবলৈ দিয়ে। গাইক গোৰ্খা জনগণে সাক্ষাৎ লক্ষ্মী দেৱীৰ স্বৰূপ বুলি আৰাধনা কৰে। দিনৰ ভাগত চেউৰি-গাই পূজাৰ পৰ্ব আৰু সন্ধিয়ালৈ লক্ষ্মী দেৱীৰ প্ৰতিমূৰ্ত্তি স্থাপন কৰি নিজৰ ঘৰৰ সাঁচতীয়া সম্পদ, ধণ-সোণ-ৰূপ আদিৰ পূজা কৰে। ৰাতি গোহালিত জাক দিয়াৰ লগতে পিছদিনালৈ অৰ্থাৎ প্ৰতিপদৰ দিনালৈ হালৰ গৰু আৰু দমৰাক নিমন্ত্ৰণ জনায়। একেদৰে প্ৰতিপদৰ দিনা হালৰ গৰু আৰু দমৰাক নোৱাই-ধুৱাই, ন-পঘা দি চোতালত বন্ধা হয়। গৃহস্থই সেইদিনা চোতালৰ মাজ ভাগত প্ৰতীকি ৰূপত গোবৰৰ গোবৰ্ধন পাহাৰ প্ৰস্তুত কৰে। পূজন পৰ্ব আৰম্ভ কৰা পূৰ্বে দ্বীপ প্ৰজ্বলন কৰি শ্ৰীগণেশৰ পূজা কৰা হয়। ইয়াৰ পিছতেই প্ৰতীকি গোবৰ্ধন পাহাৰৰ পূজা কৰা হয়।

❑ পৰৱৰ্তী অংশ ৬ পৃষ্ঠাত

এক পৃষ্ঠাৰ পৰা

# বিহুৰ উৎপত্তি; সাত বিহুৰ তাৎপৰ্য

কোনো কোনোৱে বিক্ৰমদেৱী, কেঁচাইখাতী আৰু কলীমতী নামেৰে নামাঙ্কিত কৰে।এনেকৈয়ে কলীমতী বা চেংনাঙ হৈ পৰে বিশেষকৈ শ্ৰমিক অনাৰ্য মঙ্গোলীয় লোক সকলৰ একমাত্ৰ কল্পিত প্ৰকৃতি মাতৃ। মঙ্গোলীয় লোকৰ মতে কলীমতীয়েই আছিল হেনো কূলদেৱতা ব্ৰহ্মাৰ প্ৰথমা কন্যা। কলীমতীৰ দুগৰাকী ভগ্নী ক্ৰমে সেউতী আৰু মালতী। কলীমতীয়ে এবাৰ মনুষ্যৰ জীয়া তেজ পিবলৈ আশা কৰি ভগ্নীদ্বয়ে সেউতী মালতীক লগত লৈ জগতগুৰু লাংকুৰি বা শিৱৰ ওচৰলৈ গৈ অনুমতি বিচাৰিলে। এনে এটি অশুভ প্ৰস্তাৱত শিৱই হয়ভৰ দিব নোৱাৰিলে। শিৱই ভাৱিলে যে কলীমতীয়ে বিচৰামতে যদি কলীমতীক মনুষ্যৰ জীয়া তেজ পিবলৈ অনুমতি দিয়া যায়, তেনেহ'লে দেখোন একালত মনুষ্য ৰাজ্য চাৰখাৰ হৈ পৰিব আৰু দেৱী-দেৱতা সকলক সেৱা পূজা কৰি থাকিবলৈকে জগতত এটা সময়ত মানুহ নোহোৱাই হৈ পৰিব। গতিকে ভৱিষ্যতৰ কথা ভাৱি শিৱই কলীমতীক শাস্তি হিচাপে ভাটিলৈ ভটিয়াই গৈ মনুষ্যহীন ঠাইত থাকিবলৈহে কঠোৰ নিৰ্দেশ জাৰি কৰিলে। জগতগুৰু শিৱৰ সিদ্ধান্তত কলীমতীয়ে কোনো প্ৰতিবাদ কৰিব নোৱাৰিলে। শিৱৰ আজ্ঞামতে কলীমতীয়ে তুৰন্তে ভাবি ৰাজ্যৰ অভিমুখেৰেই যাবলৈ স্থিৰ কৰিলে।

কলীমতীও কম নহয়। কলীমতীৰ শক্তি আৰু মহিমা অপৰিসীম। কলীমতীয়ে শিৱৰ সিদ্ধান্তৰ ৰোষত পৰি লগত ভগ্নীদ্বয় সেউতী, মালতীক লৈ সোণৰ নাৱত উঠি ৰূপৰ বঠাৰে বঠা মাৰি মাৰি নৈয়েদি ভটিয়াই গৈ মনুষ্য নোহোৱা এখন পৰ্বতত আশ্ৰয় ল'লৈগে। এইখন পৰ্বতকে কালক্ৰমত চিৰি লুইতৰ দাঁতিত চটাই পৰ্বত বুলি জনা যায়। বৰ্তমানৰ দৈয়াং অঞ্চলেই চটাই পৰ্বতৰ নামনি ভাগ, এই দৈয়াং পৰ্বত অধ্যুষিত অঞ্চলেই আছিল গৰুচৰ ৰাজ্য যি স্থানত মাথোঁন সেই কালত দেৱ-দেৱতা সকলেহে বসতি বিস্তাৰ কৰিছিল।

উল্লেখ কৰা হৈছেই যে কলীমতীৰ শকতি অসীম। কৰো বুলিলে কলীমতীয়ে ভাল-বেয়া সকলো ধৰণৰ কাম অনায়াসে কৰিব পাৰে। নৈয়েদি ভটিয়াই যাওঁতে কলীমতীয়ে কেতবোৰ আচৰ্যকৰ কাম কৰি ওভতগোৱে নাচিবলৈ ধৰিলে। নাৱত উঠি তিনিওজনী বাই-ভনীয়ে গাৰ সমস্ত বস্ত্ৰ খহাই সম্পূৰ্ণ নাঙঠী হৈ নানান প্ৰকাৰে কিৰিলি পাৰি হাঁহি-ধেমালি কৰি নাচিবলৈ ধৰিলে। কলীমতী আৰু সেউতী-মালতীৰ এনে বিভৎস আৰু অশালীন ৰেহ-ৰূপ দেখি নৈৰ দুয়োপাৰৰ দেৱতা সকলে পাৰে মানে কিৰিয়াবলৈ ধৰিলে। কলীমতীহঁতেও দেহৰ সমস্ত মায়া পাহৰি দুগুণ উলাহেৰে উৎসাহিত হৈ পাৰে মানে ৰঙ-ৰহইচ কৰাত লাগিল। তাকে দেখি নৈ পাৰৰ নভনী, বাৰভনীয়েও আহি কলীমতীহঁতৰ লগত ৰঙ-তামাচাত সহযোগ কৰিলেহি। চাওঁতে চাওঁতে কলীমতীহঁতৰ আনন্দোল্লাসত শতদেৱীয়ে আহি যোগ দিয়াত এক সবল শক্তিশালী বিহুদল গঢ় লৈ উঠিল। প্ৰত্যেকেই নানান প্ৰকাৰে গালে, নাচিলে, হাত চাপৰি মাৰিলে আৰু অধীৰ আনন্দত আত্মহাৰা হৈ পাৰেমানে ধেমালি কৰিলে। কলীমতীহঁতৰ গীত-মাত নাচোনৰ লয়-লাসত প্ৰকৃতিৰো ৰূপ সলনি হৈ পৰিলে।

ধাৰাসাৰে বৰষুণ আহিল, গছে কুঁহিপাত মেলিলে, বন-উপবন সুশোভিত হ'ল আৰু প্ৰকৃতিকুঞ্জৰ চৰাই-চিৰিকতিয়েও সুন্দৰ সুললিত কণ্ঠেৰে গীত জুৰিলে। কলীমতী, সেউতী, মালতীৰ হিয়া-মন এক নৱ উন্মাদনাৰে উপচি পৰিল। কলীমতীহঁতৰ এনে গীত-মাত সমৃদ্ধ নয়নাভিৰাম দৃশ্য উপভোগ কৰাৰ মানস কৰি এইবাৰ তেওঁলোকৰ মাজত "ফ্ৰি ফেং" অৰ্থাৎ চাম দেৱতাও আহি সোমাই পৰিল। এইজনা চাম দেৱতাই হৈছে দয়াংদেও বা ধনকলীয়া। কোনো কোনোৱে আকৌ এইজনা দেৱতাক বৰ যশ বা বৰচেমান বুলিও আখ্যা দিয়ে। কলীমতীয়ে তেওঁলোকৰ নাচ-নৃত্য, গীত-মাতেৰে পয়োভৰা বিহুখন মনুষ্য সমাজৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰিলে। ধনকলীয়াই কলীমতীৰ সুপ্ৰয়াসৰ প্ৰতি সঁহাৰি জনালে। ধনকলীয়াই কলীমতীৰ উকা গীত-মাতৰ বিহুখনত ৰজিতা খুৱাই আমৰ আৰু চামৰ দুটা ঢোল আৰু মহৰ শিঙৰ পেঁপাৰ ব্যৱস্থা কৰিলে। দেৱী সকলৰ হাতত বাঁহৰ তকা আৰু গগনা দি গীতৰ তালে তালে বাদ্য বাজনা সঙ্গত কৰিবলৈ শিকাই এখনি পূৰ্ণ সমৃদ্ধ ভৰপূৰ বিহু প্ৰস্তুত কৰি বিহুখনি মনুষ্য সমাজৰ মাজত পৰিৱেশনৰ সু-ব্যৱস্থা কৰিলে। কলীমতীৰ উদ্দেশ্য মাথোঁন মনুষ্য সমাজত বিহু মাৰি ৰঙ-ৰহইচ কৰাই নহ'য়, বিহুৰ লগে-লগে কৃষিজীৱি সমাজক নানান প্ৰকাৰে বিনোদন দি কৃষিকাৰ্যৰ প্ৰতি উৎসাহিত কৰি তোলা। অৱসৰ বিনোদনৰ পৰত যিহেতু কৃষক ৰাইজ বা মানৱ সমাজে ৰং-ধেমালিৰ জৰিয়তেই শৰীৰত প্ৰভুত পৰিমাণে শকতি সঞ্চাৰ কৰি অধিক কৰ্মঠ হৈ উঠিব পাৰে। কলীমতীৰ নেতৃত্বত এনে এটি মহৎ সংকল্প লৈয়ে দেৱী নাচনী সকলে মনুষ্য ৰাজ্যত প্ৰথম বিহু পতা কাৰ্যত আহ্লাদিত হ'ল।

দৈয়াঙত যিমানবোৰ দেৱী নৰ্তকী আছিল সকলোবোৰ আহি কলীমতীৰ বিহু দলত যোগদান কৰিলেহি। কুঁজী নামৰ আন এগৰাকী বিশেষ ৰাংঢালী দেৱী নাচনীও আহিল। কুঁজীয়ে কলীমতীৰ এই অপূৰ্ব বিহুখনৰ আগ-পিচ কৰাৰ দায়িত্ব ল'লে। বিহুলৈ বুলি আহোঁতে কলীমতীয়ে বাটতে বায়ুৰ জীয়েক বৰদৈ আৰু সৰুদৈ দুয়োজনীকে লগ পাই কলীমতীৰ বিহুখনৰ বতৰা জনালে। থিতাতে কুঁজীয়ে বৰদৈ আৰু সৰুদৈক ক'লে যে তেওঁলোক পোনে পোনে বিহুলৈ আহিব নালাগে। মনুষ্য ৰাজ্যলৈ যে কলীমতীৰ নেতৃত্বত এখনি বিহু আগমনি হ'ব এই বতৰাটি আগতীয়াকৈ গৈ মনুষ্য ৰাজ্যত জনাই থৈ আহিবগৈ লাগে। সেয়ে কুঁজী নাচনীৰ আজ্ঞা শিৰোগত কৰি বৰদৈ আৰু সৰুদৈয়ে অগাপিচাকৈ আনন্দ অধীৰা হৈ শিল-দৌল ভাঙি মানুহৰ ঘৰ-দুৱাৰ, গছ-বিৰিখ মহতিয়াই মনুষ্য ৰাজ্যলৈ কলীমতীৰ বিহু আগমনৰ আগলি বতৰা দিলেহি। সেয়ে হ'বলা আজিও ব'হাগ অহাৰ ঠিক আগে আগে ভু-পৃষ্ঠৰ ওপৰ ভাগত একোজাক প্ৰচণ্ড ধুমুহা বতাহে আহি খলকনি লগাইহি। এনেকৈয়ে পয়োভৰা বসন্তৰ উলাহ উপচাই ব্ৰহ্মাৰ বৰকন্যা চেংনাঙ ওৰফে কলীমতীয়ে মনুষ্য সমাজলৈ ৰঙালী বিহুখন বিয়পাই আনিলে। এইদৰেই মানৱ সমাজত বিহুৰ উৎপত্তি হ'ল।

এনে কিংবদন্তিৰ পটভূমিতেই মানুহৰ সমাজত বিহু সৃষ্টি হ'ল। এতিয়া বিহু আমাৰ পৰম্পৰা হ'ল, নানান জাতি-জনগোষ্ঠীৰ মাজত বিহুৱে ভিন্ন ৰূপত খোপনি পুতিলে আৰু কালক্ৰমত বিহু আমাৰ জাতীয় কৃষ্টি আৰু সংস্কৃতি হৈ ৰ'ল। সেই আলমতে আজি আমি বিহুক বাপতি সাহোন বুলি কোৱা হ'লোঁ। এই বিহুৱে বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ তথাকথিত অসমীয়া সমাজখনৰ সম্প্ৰীতি আৰু ঐক্য সংহতিৰ এনাজৰীয়ে সবাকে সাঙুৰি ৰখাৰ প্ৰয়াস কৰিছে।

অসমীয়া জাতিৰ বাবে প্ৰতি বছৰৰ ব'হাগ মাহটি হৈ পৰিল ৰঙৰ সঁফুৰা আৰু জীৱনৰ ৰঙীণ সপোন ৰচাৰ সময়। কেতবোৰ মাঙ্গলিক নীতি-নিয়মৰ আওতাত থাকি অসমৰ সমাজে এক প্ৰাত্যহিক পৰম্পৰা ৰক্ষা কৰিয়েই ব'হাগৰ বিহুটি পালন কৰি আহিছে। ব'হাগ মাহৰ এই বসন্ত উছৰতিত অসমীয়া সমাজে কেনেদৰেনো সাত বিহু পালন কৰি আহিছে তাৰ তাৎপৰ্য এনেধৰণৰ -

ব'হাগ বিহুৰ প্ৰথম প্ৰস্তুতি চ'ত মাহতেই কৰা হয়। চ'ত মাহৰ এটি শুভ দিনবাৰ চাই অসমীয়া সমাজৰ গাঁৱৰ ডেকা-গাভৰুসকলে প্ৰথম প্ৰথম বিহুৰ আখৰা আৰম্ভ কৰে। প্ৰথম বিহুৰ আখৰা তৰা এই দিনটোকে চ'ত বিহু বুলি কোৱা হয়। এই চ'ত বিহুৰ দিনাখনৰে পৰা সংক্ৰান্তিৰ আগদিনা অৰ্থাৎ উৰুকা দিনা পৰ্যন্ত অসমীয়া গ্ৰাম্য সমাজত ঢোল, পেঁপা বজাই প্ৰতিদিনাই ৰাতি ৰাতি বিহু অনুশীলন কৰাটো এক সামাজিক বিধান। ইয়াৰ মাজতেই ডেকাসকলে ঢোল, পেঁপা প্ৰস্তুত কৰে, নন আৱেগ আৰু অনুভূতি ব্যঞ্জক কেতবোৰ নতুন নতুন বিহুগীত ৰচনা কৰি সুৰ সঞ্চাৰ প্ৰয়োগ কৰি ৰাতি ৰাতি অনুশীলন কৰে। ইয়াকেই কোৱা হয়, ৰাতি বিহু। অসমৰ গাঁৱলীয়া কৃষিজীৱি সমাজখনৰ গৰুহাল, গাইজনী হৈছে মূল সম্পদ। কৃষকে খেতিৰ প্ৰধান আহিলা সঁজুলিবোৰ জা-যোগাৰ কৰি কৃষি কাৰ্যৰ বাবে সাজু হ'বলৈ যাওঁতে প্ৰথম চিন্তা কৰে এহাল কৰ্মঠ আৰু সবল শক্তিশালী হালোৱা গৰু জোৰা মাৰি লোৱাটো। লগে লগে খেতিয়কে গাখীৰ একাপ খাই গাত বল বৃদ্ধি কৰিবলৈ সৰহকৈ গাখীৰ দিয়া ভাল জাতৰ একোজনী খীৰতি গাইৰ কথাও চিন্তা কৰে। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ দিনাখনেই হালৰ গৰু খীৰতি গাইক ব্ৰহ্মজ্ঞান কৰি সম্পূৰ্ণ বৈদিক নীতি-নিয়মেৰে প্ৰাতসতে হৰিধ্বনি, জয়ধ্বনি দি গাঁও-গঞা সমবেত হৈ গৰুক গা ধুওৱা হয়। ৰাতিলৈ গোহালিত, পদূলিমুখত টিকনি বৰুৱা, তংলটি, জেজেলি পকা আদি একত্ৰ কৰি তুই জুইৰ জাক দিয়া হ'য় যাতে সততে গৰুৰ গাত পৰি আমনি কৰি থকা মহ-মাখি, ডাঁহ-পোক আদিবোৰ থিতাতে জাহ যায়। ইয়াৰ পাছত ধানখেৰ পুৰা ছাইৰ স'তে মাহ-হালধি, মিঠাতেল মিহলি কৰি গোহালি ঘৰৰ প্ৰতিটো গৰুকে একোটিকে ফোট দিয়াৰ নিয়ম। আগলি কলপাতত নিমখীয়া তেলপিঠা থুৰীয়া তামোলসহ সজাই গৰুক গো-পূজাৰ পিঠা খুওৱা হয়। ইফালে পুৰণি এৰাল, পথা আদি দলিয়াই পেলাই মৰাপাত বা তৰাপাতেৰে তৈয়াৰ কৰা ন-পঘা গৰুৰ ডিঙিত মেৰিয়াই দি কৃষ্ণক চিন্তা কৰি গৰুৰ মঙ্গলা-মঙ্গলৰ বাবে সেৱা কৰা হয়। এয়াই হৈছে আমাৰ সমাজৰ গৰুবিহু।

পহিলা ব'হাগৰ দিনটোক কোৱা হয় মানুহ বিহু। এইটো দিনতে গাঁৱৰ ভকতীয়া সমাজ মিলি ৰাজহুৱা নামঘৰত চাকি-বন্তি জ্বলাই সৰ্বমঙ্গলাৰ্থে মাহ-প্ৰসাদৰ শৰাইসহ এভাগি নাম পাতে। প্ৰত্যেকৰে ঘৰে ঘৰেও ব্যক্তিগত গোসাঁই ঘৰত নীতি-নিয়মেৰে বন্তি প্ৰজ্বলন কৰি সৰুৱে ডাঙৰক গুৱাপান, ন-বস্ত্ৰ, অৰিহণা আদিৰে সেৱা-শুশ্ৰূষা কৰা নিয়ম। সেৱকীসকলৰ মঙ্গল কামনা কৰি অন্তৰৰ আশিস নিৰ্মালি প্ৰদান কৰে। এনেকৈয়ে পৰস্পৰে পৰস্পৰৰ শ্ৰদ্ধা-ভক্তি আৰু প্ৰীতি শুভেচ্ছা আদান-প্ৰদান কৰাৰ মাজেদিয়েই পৰিয়াল তথা সমাজখনৰ মাজত ঐক্য শান্তি-সম্প্ৰীতি সংহতি আৰু ভাতৃত্ববোধৰ নিৰ্মল নিজৰা বোৱাই তোলাৰ পৰিৱেশ সৃষ্টি কৰা হয়। উল্লেখযোগ্য যে, এই বিহুক চেনেহী বিহু বুলিও কোৱা হয়।

ব'হাগ মাহৰ দ্বিতীয় দিনাখনক কোৱা হ'য় কুটুম বিহু। কুটুম মানে হ'ল মিতিৰ-কুটুম। এই দিনটোতেই জীয়েক-জোঁৱায়েকে মাক-দেউতাক বা শহুৰেক-শাহুৰেকৰ ঘৰলৈ যায় হাতত শ্ৰদ্ধা-প্ৰীতি আৰু চেনেহৰ টোপোলা লৈ সভক্তিৰে সেৱা জনাবলৈ। বিয়াৰ কথা-বতৰা চলি থকা বা ইতিমধ্যে বুজা-পৰা হৈ থকা প্ৰেমিকাৰ ঘৰলৈও প্ৰেমাস্পদ যোৱাৰ পথ সুগম কৰি লয়। এই দিনটোতেই আপোনজনে আপোনজনক বা পৰস্পৰে পৰস্পৰক হিয়াভৰা উপহাৰ উপঢৌকন আৰু প্ৰীতি-শুভেচ্ছাৰে বিহুৱান যঁচাৰ নিয়ম। এনে মৰমৰ বিহুৱান আৰু বস্তু উপহাৰৰ মাজতেই পৰস্পৰে পৰস্পৰক ভাল পোৱাৰ গভীৰ প্ৰেমানুভূতি অন্তৰ্নিৰ্হিত হৈ থাকে।

ইয়াৰ পিছতেই আহিল হাট বিহু বা মেলা বিহু। ব'হাগৰ এই তৃতীয় দিনাখনৰে পৰা সামাজিক সকলো বান্ধ শিথিল কৰি দিয়া হয়। বন্ধু-বান্ধৱ, ইষ্ট-কুটুম, চকুৰ চিনাকি আৰু অঙহী-বঙহী আদি সকলোৱে ঘৰলৈ অবাধে গৈ খোৱা-পিয়া আৰু ৰঙ-ৰহইচ আদি কৰিব পাৰে। অৰ্থাৎ এয়া এক প্ৰকাৰ মৰম-প্ৰীতি, ভালপোৱা, শ্ৰদ্ধা-ভক্তি আৰু আন্তৰিকতাৰে সকলোকে আপোন ভাৱত আদৰি ল'ব পৰা শুভক্ষণ এয়াই। সেই গতিকে এই বিশেষ দিনটোৰ পৰাই বিহুক হাট বিহু বা মেলা বিহু বুলি কোৱা হয়। এই বিহুতেই ৰজা-প্ৰজা ডা-ডাঙৰীয়াদি সকলোৱে এক সমিল-মিলৰ মঞ্চত ভাৱ বিনিময় কৰিব পাৰে।

এনেদৰে অসমৰ অসমীয়া মানুহে হুঁচৰি গাই, বিহু কৰি অবিৰাম ফুৰা-চকা কৰি যেতিয়া লাহে-লাহে ভাগৰি পৰে তেতিয়া মানুহৰ বিহুৰ প্ৰতি ৰাগজাল প্ৰায় কমি আহিবলৈ ধৰে। আয়োজন কৰা ভোগৰ সামগ্ৰীবোৰো প্ৰায় নোহোৱা হয়। ব'হাগৰ আৰম্ভণি পৰত যি আৱেগ উলাহেৰে সকলোবোৰ মানুহ বিহুতলীলৈ মাৰ বান্ধি ওলাই আহে ব'হাগৰ শেষৰ ফালে ক্ৰমান্বয়ে প্ৰায়বোৰ লোকৰে খোৱা-বোৱা, ফুৰা-চকা বা বিহু হুঁচৰি গোৱা আদি কাৰ্যৰ প্ৰতি গা ৰেঙাই আহিবলৈ ধৰা দেখা পোৱা যায়। অৰ্থাৎ প্ৰায় এৰা-ধৰাৰ মাজেদিয়েই লাহেকৈ বিহুৰ উত্তেজনা নাইকিয়া হৈ আহে। মনলৈ এলাহ-ভাগৰ, অৱসাদ আহি পৰা বিহুৰ এইটো সময়কে আখ্যা দিয়া হৈছে এৰা বিহু বা চেৰাবিহু বুলি। এই চেৰা বিহুৰ লগে লগেই অসমীয়া সমাজৰ প্ৰকৃতি উৎসৱ ব'হাগ বিহুটি পুনৰ কেতবোৰ মাঙ্গলিক নিয়ম-পৰম্পৰা মানি পৰালি পেলোৱা হয়।

এনেদৰেই অসমীয়া সমাজলৈ ব'হাগ-বসন্ত আহে যায়। ঋতু অনুগামী অসমীয়া সমাজে প্ৰকৃতি নিৰ্ভৰ কেতবোৰ মাঙ্গলিক কাম-কাজো সুসম্পন্ন কৰি কৃষি উৰ্বৰা কৰ্ষণ কৃষ্টিৰ বাবে কঁকালত টঙালি বান্ধি আগবাঢ়ে। কিংবদন্তিৰ মতে, আখ্যান-উপাখ্যানৰ মতে এনেদৰেই অসমৰ প্ৰকৃতি ৰাজ্যত, মানৱ সমাজত বিহুৰ উৎপত্তি হ'ল। মানুহৰ ৰুচি ভেদে বা প্ৰয়োজনবোধে আলোচনা কৰাৰ দৰে সাতবিহুৰ তাৎপৰ্যও এনেদৰেই সুসম্পন্ন হৈছে, পৰম্পৰাগতভাৱে এনেদৰেই অসমীয়া সমাজ জীৱনৰ বিহু বা বসন্ত উৎসৱ চলি আহিছে।

এক পৃষ্ঠাৰ পৰা

# পৰম্পৰাৰ মাজেৰে প্ৰাসংগিকতাৰ সন্ধান

আৱেগত উৎফুল্ল কৰি তোলে। কিন্তু সময়ৰ লগে-লগে সভ্যতাৰ পৰিৱৰ্তন ঘটিছে। যান্ত্ৰিক কৃষি আৰু জীৱনশৈলীৰ দ্ৰুত পৰিৱৰ্তনে গৰু বিহুৰ প্ৰাসংগিকতাৰ ওপৰত প্ৰশ্নচিহ্ন তুলিছে। আজি আমি এই উৎসৱৰ মৰ্মকথা আৰু ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কে সাধাৰণ মানুহৰ মনত উদয় হোৱা কেইটিমান প্ৰশ্নৰ ওপৰত আলোকপাত কৰিব খুজিছোঁ।

প্ৰথম প্ৰশ্নটো হ'ল— গৰু বিহুৰ প্ৰকৃত অৰ্থ কি? গৰু অসমীয়া জীৱন-জীৱিকাৰ এক অবিচ্ছেদ্য অংগ। পূৰ্বে কৃষিভিত্তিক সমাজত গৰুৱে হাল বাই শস্য উৎপাদনত অৰিহণা যোগাইছিল, গাখীৰ যোগান ধৰিছিল। গৰুক মাতৃৰ মৰ্যাদা দিয়া এই উৎসৱ কেৱল প্ৰাণীপ্ৰেমৰ নিদৰ্শন নহয়, ই কৃতজ্ঞতাৰ প্ৰতীক। গৰুক স্নান কৰোৱাৰ মাজেৰে আমি প্ৰকৃতিৰ প্ৰতি নিজৰ দায়বদ্ধতা স্বীকাৰ কৰোঁ।

দ্বিতীয় প্ৰশ্ন— আজিৰ যান্ত্ৰিক যুগত গৰু বিহুৰ প্ৰয়োজনীয়তা আছে নে? বহুতে কয়, আধুনিক কৃষিত ট্ৰেক্টৰ ব্যৱহাৰে গৰুৰ প্ৰয়োজনীয়তা কমাই দিছে। কিন্তু ইয়াত গুৰুত্ব দিবলগীয়া কথা হ'ল- গৰু বিহু কেৱল কৃষিৰ বাবেই নহয়, ই পৰিৱেশ আৰু জৈৱিক বৈচিত্ৰ্যৰ সংৰক্ষণৰো শিক্ষা দিয়ে। গৰু পোহাৰ সংস্কৃতি যিদৰে বৰ্তি আছে, গৰু বিহুও প্ৰাসংগিক হৈ ৰৈছে। তদুপৰি গৰু বিহুৰ আনুষংগিক ৰীতি-নীতি যেনে গৰুক মালা পিন্ধোৱা, পিঠা খোৱা, গৰু গা ধুওৱা— এইবোৰে সামাজিক বন্ধন দৃঢ় কৰে।

তৃতীয় প্ৰশ্ন— গৰু বিহুত গৰুবোৰৰ কল্যাণ নিশ্চিত কৰা হয় নেকি? সাধাৰণতে ঘৰৰ গৰুৰ প্ৰতি যত্ন লোৱা হয়। কিন্তু বহু ঠাইত পৰম্পৰাৰ নামত গৰুক জোৰকৈ স্নান কৰোৱা, বনৰীয়া গছৰ টান ডালেৰে মাৰপিট কৰা— এইবোৰ অনুচিত। প্ৰকৃত শাস্ত্ৰীয় নীতি অনুসৰি গৰুৰ প্ৰতি স্নেহ আৰু সেৱা থাকিলেহে উৎসৱৰ সাৰ্থকতা। গতিকে এই প্ৰশ্নটো আমাৰ বিবেকত থিয় দি আছে— আমি পৰম্পৰাৰ নামত গৰুক যন্ত্ৰণা দিছো নেকি?

চতুৰ্থ প্ৰশ্ন— গৰু বিহুৰ প্ৰাসংগিকতা কেৱল গাঁৱলীয়া সমাজলৈ সীমাবদ্ধ নেকি? নগৰীয়া জীৱনত গৰু পোহা প্ৰায় নাইকিয়া। তথাপি নগৰৰ মানুহে বিহুৰ দিনা গৰুৰ কথা স্মৰণ কৰি মালা পিন্ধায়, গাখীৰ বিতৰণ কৰে। গৰু বিহুৰ আত্মাই আমাক সোঁৱৰাই দিয়ে যে আধুনিকতাৰ বেৰে যিমানেই আগুৰি নাথাকক, প্ৰকৃতিৰ লগত সম্পৰ্ক ৰখাটো অতি জৰুৰী।

শেষ প্ৰশ্ন— গৰু বিহুৰ প্ৰাসংগিকতা অহা ২০ বছৰৰ পাছত কি হ'ব? যদি আজিৰ পৰা আমি শিশুক গৰু বিহুৰ কাহিনী নকওঁ, গৰুক স্পৰ্শ নকৰোঁ, তেন্তে প্ৰজন্মই এই উৎসৱক এক নীৰস অনুষ্ঠান বুলি ভাবিব। গতিকে ইয়াৰ প্ৰাসংগিকতা বৰ্তাই ৰাখিবলৈ আমি প্ৰত্যেকেই সচেষ্ট হ'ব লাগিব। স্কুল-কলেজত গৰু বিহুৰ তাৎপৰ্য্যৰ ওপৰত পাঠ, সামূহিকভাৱে গৰু সেৱা, আৰু গৰুৰ স্বাস্থ্যৰ প্ৰতি সজাগতা অনা অত্যন্ত প্ৰয়োজনীয়।

গৰু বিহু অসমীয়াৰ এক গৌৰৱময় ঐতিহ্য। ই আধ্যাত্মিকতা, পৰিৱেশ প্ৰেম আৰু কৃতজ্ঞতাৰ অপূৰ্ব সংমিশ্ৰণ। আমাৰ কাম্য এইটোৱে হওক যে পৰম্পৰাৰ নামত কোনো অমানৱীয়তা যাতে নাথাকে, আনফালে যান্ত্ৰিকতাই যাতে আমাৰ এই সম্পদৰ পৰা আঁতৰি নেযায়। গৰু বিহুক আমি আধুনিক প্ৰেক্ষাপটৰ সৈতে খাপ খুৱাই পুনৰ সংজ্ঞায়িত কৰিব লাগিব। তেতিয়াহে ইয়াৰ প্ৰাসংগিকতা অটুট থাকিব। আজিৰ সম্পাদকীয়ৰ শেষত আমি ক'ব খোজোঁ— গৰু বিহু কেৱল এদিনীয়া উৎসৱ নহয়, ই এক জীয়া দৰ্শন। ইয়াক আপোন-আমিৰ ভালপোৱা, সংস্কাৰ আৰু কৃতজ্ঞতাৰ মাজেৰে চিৰসেঁজা কৰি ৰাখোঁ আহক।

# ব'হাগক আদৰাৰ সময়

**যুৱৰাজ ডেকা**

বসন্ত ঋতু প্ৰকৃতিৰ সকলোতকৈ সুন্দৰ আৰু মনোমোহা ঋতু। এইসময়ত প্ৰকৃতিয়ে যেন সেউজীয়া আচলখন গাত মেৰিয়াই লয়, বতাহত বহাগৰ সুগন্ধি ভাঁহি আহে আৰু সকলোতে নতুন জীৱনৰ অনুভৱ দেখা যায়। অসমত কুলিৰ মাতত যেনেকৈ বসন্তৰ বতাহ বলে, তেনেকৈয়ে আনে বহাগৰ ব'হাগী বতৰা।

ব'হাগ বিহু কৃষিভিত্তিক উৎসৱ, যাৰ লগত জড়িত নতুন অসমীয়া বছৰৰ আৰম্ভণি। এই সময়ত মানুহে পুৰণি দুখ-কষ্ট পাহৰি নতুন আশাৰে জীৱন আৰম্ভ কৰে। গাঁও-চহৰ সকলোতে আনন্দৰ বতাহ বৈ, যুৱক-যুৱতীয়ে বিহুনাচ আৰু গীতৰ জৰিয়তে নিজৰ আনন্দ প্ৰকাশ কৰে। বিহুৰ বিশেষ আকৰ্ষণ হৈছে 'হুচৰি' আৰু 'মুকলি বিহু'। মানুহে ঘৰে-ঘৰে গৈ বিহু গায় আৰু আশীৰ্বাদ দিয়ে। ইয়াৰ দ্বাৰা সমাজত ঐক্য আৰু সম্প্ৰীতি বাঢ়ে।

"ব'হাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ
ই আয়ুসৰেখা
গণজীৱনৰ ই সাহ"

বহাগ বিহু কেৱল এটা উৎসৱ নহয়, ই অসমীয়া সংস্কৃতিৰ প্ৰতিচ্ছবি। ই মানুহক সম্প্ৰীতিৰ দোলেৰে এক কৰে, বসন্ত ঋতুৰ সৌন্দৰ্য আৰু বহাগ বিহুৰ আনন্দই মানুহৰ মনত এক নতুন শক্তি আৰু উৎসাহ জগাই তোল।

কিন্তু এইবাৰ বসন্তৰ আগমন অলপ সুকীয়া কিয়নো সমগ্ৰ ৰাজ্যতে নিৰ্বাচনৰ ধামখুমিয়াত ৰাজনৈতিক উত্তেজনা, সভা-সমিতি, প্ৰচাৰ-প্ৰচাৰণাৰ মাজত জনগণ ব্যস্ত হৈ পৰিছিল। এই ব্যস্ততাৰ বাবে বহু সময়ত বিহুৰ প্ৰস্তুতি কিছু পৰিমাণে ম্লান দেখা গৈছে তথাপিতো নিৰ্বাচন আৰু বিহু সমান্তৰালভাৱে আমাৰ দায়িত্ব আৰু কৰণীয়। এক যদি আমাৰ গণতান্ত্ৰিক অধিকাৰ আনটো আমাৰ জীৱনৰ শিপা ৰ সৈতে জড়িত।

ইয়াৰ লগতে নিৰ্বাচনৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি কিছুমান ঠাইত আনন্দ বা হতাশাৰ পৰিৱেশো দেখা যাব যদিও আমাৰ বাপতিসাহোন বিহুটি নপতাকৈ থাকিব নোৱাৰো। এই উৎসৱে মানুহৰ মাজত একতা, ভ্ৰাতৃত্ববোধ আৰু শান্তিৰ বাৰ্তা প্ৰচাৰ কৰে। সেয়েহে ক'ব পাৰি যে নিৰ্বাচনৰ পিছত ৰাজনৈতিক ভিন্নতা থকাৰ পাছতো বিহুৱে সকলো মানুহক একত্ৰিত কৰি আনন্দৰ ৰঙেৰে জীৱন ভৰাই তোলে।

সেয়েহে কোৱা যায় যে বসন্ত ঋতুত বহাগ বিহু অসমৰ জনজীৱনত এক বিশেষ আনন্দ আৰু উল্লাস লৈ আহে, যি সকলোৱে হৃদয়ত চিৰদিনে স্মৰণীয় হৈ থাকে।

# অসমীয়াৰ আৱেগ, অসমীয়াৰ স্বাভিমান ঃ বিহুৱান

**যুৱৰাজ ডেকা**

বিহুলৈ বুলি মাজত মাত্ৰ কেইটিমান দিন বাকী। যেন কাৰো ৰে আহৰি নাই, নিৰ্বাচনীৰ উন্মাদনা শেষ হোৱাৰ পিছত এতিয়া ডেকা গাভৰু শিপিনী সকলোৱে গাত তৎ নাই, সকলো ব্যস্ত। অসমীয়া সংস্কৃতি, পৰম্পৰা আৰু আত্ম- পৰিচয়ৰ এক অমূল্য প্ৰতীক হৈছে গামোচা। গামোচা কেৱল এখন কাপোৰে নহয়, ই অসমীয়াৰ স্বাভিমান, সন্মান আৰু মৰমৰ প্ৰতীক। অসমৰ প্ৰায় প্ৰতিজন লোকৰ জীৱনত গামোচাৰ বিশেষ স্থান আছে। অসমীয়া জাতিৰ পৰিচয় বাহক হৈছে এই মৰমৰ গামোচা খন।

গামোচাত মূলতঃ ৰঙা আৰু বগা ৰঙৰ সংমিশ্ৰণ দেখা যায়। বগা ৰং পৱিত্ৰতা আৰু শান্তিৰ প্ৰতীক, আৰু ৰঙা ৰং শক্তি, সাহস আৰু উচ্ছ্বাসৰ প্ৰতীক হিচাপে বিবেচিত। এই সৰল কিন্তু অৰ্থবহ ৰংসমূহে অসমীয়াৰ জীৱন-দৰ্শন প্ৰকাশ কৰে। বিশেষকৈ বিহুৰ সময়ত অসমীয়া শিপিনীয়ে সূতা কাটি বুটা বচা ফুলেৰে গামোচা বা বিহুৱান বৈ উলিয়াই। অসমীয়াত এযাৰ কথা আছে আমাৰ শিপিনীসকলে তাঁতশালত সপোন ৰচে। ইয়াৰ উপৰিও গাভৰু -নাচনীয়ে নিজৰ চেনাইলৈ বুলি মৰমৰ বিহুৱান দি মৰম যাচে। মানুহ বিহুৰ দিনা বয়োজেষ্ঠ্যজন তথা কনিষ্ঠজনক এখন মৰমৰ বিহুৱান দি সন্মান, মৰম তথা সম্প্ৰীতিৰ ভাৱ যাচে।

অসমৰ যিকোনো শুভ অনুষ্ঠান, উৎসৱ বা অতিথি সন্মানৰ সময়ত গামোচা ব্যৱহাৰ কৰা হয়। বিশেষকৈ বিয়াৰ নিচিনা পৱিত্ৰ অনুষ্ঠানত দৰা কইনা আদৰিবলৈও তথা বিভিন্ন ৰীতি নীতিত গামোচা ব্যবহাৰ কৰা হয়। অতিথিক গামোচাৰে আদৰণি জনোৱা অসমীয়াৰ আতিথ্য-সংস্কৃতিৰ এক অনন্য দিশ। অসমীয়াৰ সকলো ধৰ্মীয়



তথা আধ্যাত্মিক কাৰ্যত গামোচা বহুলভাৱে প্ৰচলিত।

ইয়াৰ উপৰিও গামোচা অসমৰ হস্তাত শিল্পৰো এক উৎকৃষ্ট নিদৰ্শন। বহু গৃহিণীয়ে নিজৰ তাঁতত গামোচা বোৱে, যিয়ে অসমৰ পৰম্পৰাগত শিল্পক জীৱন্ত কৰি ৰাখিছে। এই শিল্পৰ সৈতে বহু লোকৰ জীৱিকা জড়িত, সেয়েহে গামোচাখন অৰ্থনৈতিক দিশতো গুৰুত্বপূৰ্ণ।

কিন্তু বহুসময়ত বহিৰাগত ৰাজ্যৰ পৰা অহা সুলভ মূল্যৰ মেচিনমেদ সস্তীয়া গামোচাবোৰ দেখিবলৈ পোৱা যায় যিয়ে অসমীয়া হস্তশিল্প তথা সংস্কৃতিৰ ওপৰত প্ৰশ্নবোধক হৈ উঠে। ইয়াৰ ওপৰত আমি প্ৰত্যেকেই বিশেষকৈ নৱপ্ৰজন্ম সচেতন হ'ব লাগিব তেতিয়াহে কোনো বহিৰাগতই আমাৰ বজাৰ লব নোৱাৰিব।

বৰ্তমান সময়ত গামোচাই বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে। বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত গামোচাই অসমীয়াৰ পৰিচয় হিচাপে ব্যৱহৃত হৈছে। ইয়াৰ জৰিয়তে অসমৰ সংস্কৃতি আৰু পৰম্পৰা বিশ্বৰ আগত উজাগৰ হৈছে। আনকি দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ ডিঙিত অসমীয়া ফুলাম গামোচাই বহু বাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

লগতে আমাৰ বাবে অতি গৌৰৱৰ বিষয় যে, আমাৰ অসমীয়া সংস্কৃতি আৰু আদৰৰ বাৰ্তাবাহক আমাৰ মৰমৰ গামোছাখনে ২০২২ চনৰ ১৩ ডিচেম্বৰ তাৰিখে ভৌগোলিক সূচক (GI tag ) লাভ কৰিবলৈ সক্ষম হয়।

শেষত ক'ব পাৰি যে, গামোচা অসমীয়াৰ আত্মা আৰু স্বাভিমানেৰে জড়িত এক অনন্য সম্পদ। ইয়াক সংৰক্ষণ আৰু সন্মান কৰা আমাৰ প্ৰতিজন অসমীয়াৰ দায়িত্ব। গামোচা আছে মানেই জীয়াই আছে আৰু জীয়াই থাকিব আমাৰ অসমীয়াৰ অস্তিত্ব আৰু গৌৰৱ।

# জুবিনবিহীন এটি আধৰুৱা বিহু

প্ৰতিজন অসমীয়াৰ বাবে 'বসন্ত' মানেই কেৱল এক ঋতু নহয়, ই এক আবেগ, এটি স্পন্দন। কিন্তু এই বাৰৰ ৰঙালী বিহুৰ প্ৰাকক্ষণত অসমীয়াৰ সেই স্পন্দন যেন কিছু থমকি ৰৈছে। ৰাজ্যখনৰ আকাশ-বতাহত এতিয়াও এক গধুৰ শোকৰ ছাঁ। অসমীয়া সংগীত জগতৰ ভোটাতৰা, যাৰ কণ্ঠ অবিহনে বিহুৰ উন্মাদনা অসম্পূৰ্ণ বুলি গণ্য কৰা হৈছিল, সেই জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পাছত এতিয়া প্ৰশ্ন উঠিছে জুবিনবিহীন এইবাৰৰ ৰঙালী বিহু কেনেকুৱা হ'ব? অসমীয়াৰ প্ৰাণৰ বিহুটিয়ে তেওঁৰ অনুপস্থিতিত কিদৰে নিজৰ স্বকীয়তা ধৰি ৰাখিব পাৰিব, সেয়া এতিয়া এক বিৰাট চিন্তনীয় আৰু শোকাবহ বিষয় হৈ পৰিছে।

যোৱা কেইবাটাও দশত ধৰি অসমৰ বিহু মঞ্চসমূহ জুবিন গাৰ্গৰ নামত মুখৰিত হৈ আহিছিল। তেওঁ কেৱল এজন শিল্পীয়েই নাছিল, তেওঁ আছিল এটি সংস্কৃতিৰ সমদল। যি সময়ত অসমীয়া বিহু গীতত আধুনিকতাৰ সংমিশ্ৰণক লৈ বিভিন্ন বিতৰ্ক হৈছিল, সেই সময়ত জুবিন গাৰ্গেহি নিজৰ মৌলিক শৈলীৰে বিহু গীতক বিশ্ব দৰবাৰত এক নতুন মাত্ৰা প্ৰদান কৰিছিল। তেওঁৰ 'মায়া', 'অনামিকা'ৰ পৰা আৰম্ভ কৰি শেহতীয়া বহু হিট গীত অবিহনে বিহুৰ কোনো এটা নিশাই পূৰ্ণতা নাপাইছিল। গাঁৱৰ পৰা চহৰলৈ, বিহুৰ ঢোলৰ গুমগুমনিৰ মাজতে ডেকা-গাভৰুৰ পৰা বৃদ্ধলৈকে সকলোৱে ৰৈ আছিল কেৱল জুবিনৰ এটা গানৰ বাবে। কিন্তু বিধাতাৰ কি নিষ্ঠুৰ পৰিহাস, এইবাৰ ঢোলৰ শব্দত বিৰহৰ সুৰ বাজিব। জুবিনৰ মৃত্যু কেৱল এজন ব্যক্তিৰ মৃত্যু নহয়, ই এটা যুগৰ সমাপ্তি শেহতীয়া খবৰে সমগ্ৰ অসমবাসীক মৰ্মাহত কৰি তুলিছে। তেওঁৰ বিয়োগৰ খবৰ বিয়পি পৰাৰ লগে লগে অসমৰ চুকে-কোণে যি শোকাকুল পৰিৱেশৰ সৃষ্টি হ'ল, সেয়াই প্ৰমাণ কৰে যে তেওঁৰ স্থান অসমীয়াৰ মনত কত গভীৰত আছিল। সংবাদ মাধ্যমত তেওঁৰ চিকিৎসাধীন অৱস্থাৰ পৰা বিয়োগলৈকে যি ধাৰাবাহিক বাতৰি প্ৰকাশ পালে, সি প্ৰতিজন সংগীত প্ৰেমীৰ হৃদয় বিদীৰ্ণ কৰি তুলিলে। বিহুৰ আয়োজক সমিতিসমূহে এতিয়া গভীৰ সংকটত ভুগিছে। যিমান ডাঙৰ বাজেট বা যিমানেই নামী-দামী শিল্পী নিমন্ত্ৰণ কৰা নহওক কিয়, জুবিনৰ সেই আকৰ্ষণ আৰু মঞ্চ কঁপোৱা পৰিৱেশ আন কোনেও কেতিয়াও সলাই দিব নোৱাৰে। তেওঁৰ অনুপস্থিতিত বিহু মঞ্চসমূহ যেন এইবাৰ নিৰ্জন অৰণ্যৰ দৰে নিস্তব্ধ হৈ পৰিব। গাৰ্গ আছিল বিহুৰ বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ ব্ৰেণ্ড। তেওঁৰ কণ্ঠত যি এক সুকীয়া যাদু আছিল, সি শ্ৰোতাক আৱেগিক কৰি তুলিছিল। অসমীয়া ডেকা ল'ৰাৰ বাবে তেওঁ আছিল আইকন। বিহু মঞ্চত তেওঁৰ প্ৰৱেশে যি উন্মাদনাৰ সৃষ্টি কৰিছিল, সি আছিল অভূতপূৰ্ব। এই বাৰ বিহুৰ বাবে প্ৰস্তুত হোৱা গীতসমূহ বা এলবামসমূহতো তেওঁৰ সেইবলিষ্ঠ কণ্ঠৰ অভাৱ স্পষ্টকৈ পৰিলক্ষিত হৈছে। যিমানবোৰ নতুন গীত ওলাইছে, তাৰ মাজতো শ্ৰোতাই যেন বিচাৰি ফুৰিছে জুবিনৰ সেই পৰিচিত সুৰ। ৰঙালী বিহুৰ সাতদিনৰ যি ৰঙীন পৰিৱেশ, সেই ৰং এইবাৰ বহুখিনি ম্লান হ'ব বুলি নিশ্চিতভাৱে ক'ব পাৰি। জুবিনৰ নামত একত্ৰিত হোৱা হাজাৰ হাজাৰ লোকৰ ভিৰ এইবাৰ হয়তো স্মৃতি ৰোমন্থন কৰিবলৈহে বিহু মঞ্চৰ কাষ চাপিব। আমাৰ জাতীয় উৎসৱ বিহুৰ যি সম্প্ৰীতিৰ ধাৰা, জুবিনে সেই ধাৰাক আৰু অধিক শক্তিশালী কৰিছিল। ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে নিজৰ গীতেৰে বান্ধি ৰখাৰ যি ক্ষমতা তেওঁৰ আছিল, সেয়া বিৰল। বিশেষকৈ লুইতৰ পাৰৰ সভ্যতা আৰু সংস্কৃতিৰ প্ৰতি তেওঁৰ যি টান আছিল, সেয়া তেওঁৰ বিহু গীতবোৰত প্ৰতিফলিত হৈছিল। এইবাৰ লুইতৰ পাৰত যেন শোকৰ ধলহে নামিব। বিহুৰ বৰদৈচিলা জাক আহি গ'ল, কিন্তু সেই বৰদৈচিলাৰ গতিৰ লগত তাল মিলাই গোৱা জুবিনৰ কণ্ঠ এইবাৰ নুশুনি। চৰকাৰী আৰু বেচৰকাৰী পৰ্যায়ত বিহুৰ বাবে যি প্ৰস্তুতি চলিছে, তাৰ মাজতো এক শূন্যতা বিৰাজ কৰিছে। প্ৰতিটো বিহু সমিতিয়েই আজি শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে কাৰ্যসূচী হাতত লৈছে, কিন্তু আনন্দৰ বিহুখন যেন ক'ৰবাত হেৰাই গৈছে। বৰ্তমানৰ সাংস্কৃতিক বিশ্লেষকসকলে মত পোষণ কৰিছে যে জুবিন গাৰ্গবিহীন বিহুৱে অসমীয়া সংগীতৰ এক জটিল সন্ধিক্ষণক বুজাইছে। তেওঁৰ মৃত্যুৰ পাছত এতিয়া বিহু মঞ্চৰ গুৰি ধৰিব পৰা তেনে কোনো একচ্ছত্ৰী শিল্পীৰ অভাৱ বাৰুকৈয়ে অনুভৱ হৈছে। যদিও বহু সুন্দৰ শিল্পী অসমত আছে, কিন্তু 'জুবিন' নামটো যি এক সাংস্কৃতিক বিপ্লৱৰ দৰে আছিল, সেই বিপ্লৱ এতিয়া মন্থৰ হৈ পৰিব। বিহুৰ সময়ত বজা ৰেকৰ্ডেড গীতবোৰত হয়তো তেওঁক শুনিবলৈ পোৱা যাব, কিন্তু মঞ্চত তেওঁৰ সজীৱ উপস্থিতি অবিহনে বিহু যেন এক নিষ্প্ৰাণ দেহৰ দৰে হৈ পৰিছে। এইটো কেৱল এজন শিল্পীৰ অনুপস্থিতি নহয়, বৰঞ্চ এক আবেগৰ অকাল মৃত্যু।

অসমীয়া সমাজ জীৱনত জুবিন গাৰ্গৰ প্ৰভাৱ ইমানেই গভীৰ যে তেওঁৰ বিয়োগত বিহুৰ ৰঙীন সাজ-পোছাকবোৰো যেন আজি বিবৰ্ণ হৈ পৰিছে। ঢোলৰ মাতত যেন এক আৰ্তনাদহে ভাঁহি আহিছে। বিহু আয়োজকসকলে জানিবলৈ দিয়া মতে, বহু ঠাইত জুবিনৰ প্ৰতি সন্মান জনাই সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'লেও তাত যেন উল্লাসতকৈ অধিক গাম্ভীৰ্য্যহে থাকিব। বিহুৰ নিশাবোৰত যি চিপচিপিয়া বৰষুণৰ মাজতো হাজাৰ হাজাৰ মানুহে জুবিনৰ গান শুনিবলৈ ৰৈ আছিল, সেই দৃশ্য এতিয়া অতীতৰ ইতিহাস হৈ ৰ'ব। বিহুৰ পথাৰত এতিয়া কেৱল তেওঁৰ গীতবোৰ এক প্ৰতিধ্বনি হৈ বাজি থাকিব।

জুবিন গাৰ্গ অবিহনে এইবাৰৰ ৰঙালী বিহু অসমীয়াৰ বাবে এক বিৰহৰ গীত। তেওঁৰ অনুপস্থিতিয়ে বিহুৰ প্ৰতিটো ক্ষণতে আমাক সোঁৱৰাই দিব যে আমি কি হেৰুৱালোঁ। কিন্তু সংস্কৃতিৰ ধাৰা চিৰপ্ৰবহমান। জুবিনে যি সাংস্কৃতিক চেতনা আমাক দি গ'ল, সেই চেতনাৰেই হয়তো ভৱিষ্যতে বিহুটি জীয়াই থাকিব। এইবাৰৰ বিহু হ'ব জুবিন গাৰ্গৰ প্ৰতি এক মহৎ শ্ৰদ্ধাঞ্জলি। তেওঁৰ গানবোৰৰ মাজেৰেই তেওঁ প্ৰতিজন অসমীয়াৰ বুকুত চিৰকাললৈ বিহু হৈয়েই থাকিব। বিহুৰ বাকৰিত এইবাৰ হয়তো চকুৰ পানীৰ তলেৰে হুঁচৰিৰ সুৰ বাজিব, য'ত প্ৰতিটো লয়ত অনুভৱ হ'ব 'জুবিন আছিল আৰু জুবিন সদায় থাকিব'। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি অসমবাসীয়ে এই বাৰ এক ব্যতিক্ৰমী আৰু গধুৰ মনৰ বিহু উদ্‌যাপন কৰিবলৈ সাজু হৈছে।



কবিতা নাথ



# জুবিন দা বিহীন ৰঙালী বিহু

ৰাখী মণি কলিতা

হেঁপাহৰ ৰঙালী বিহু পালেহি, কিন্তু এইবাৰ বিহুত নাই অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবী কণ্ঠ। অসমৰ জীৱন-সংস্কৃতিৰ সৈতে অতি নিবিড়ভাৱে জড়িত উৎসৱ হৈছে ৰঙালী বিহু। এই বিহু কেৱল উৎসৱ নহয়, ই অসমীয়াৰ জীৱনৰ আনন্দ, আশা আৰু নতুনত্বৰ প্ৰতীক। ঢোল-পেঁপাৰ মিঠা সুৰ, গগনভেদী "বিহু নাম", ডেকা-গাভৰুৰ বিহুনাচ—এই সকলোবোৰে মিলি ৰঙালী বিহুক এক অনন্য ৰূপ দিয়ে। কিন্তু এইবাৰ সেই আনন্দ ম্লান কাৰণ জুবিন দা যে নাই।

জুবিন দা অসমীয়া সংগীত জগতৰ এক উজ্জ্বল নক্ষত্ৰ। তেওঁৰ কণ্ঠৰ যাদু আৰু গীতৰ গভীৰ অনুভূতিয়ে মানুহৰ হৃদয় স্পৰ্শ কৰে। বিহুৰ সময়ত তেওঁৰ গীতসমূহে উৎসৱৰ আনন্দক বহু গুণে বৃদ্ধি কৰে। "বিহু নাম", "বিহু গীত" তেওঁৰ সৃষ্টিবোৰে প্ৰতিখন ঘৰ, আৰু প্ৰতিখন মঞ্চক সজীৱ কৰি তোলে। কিন্তু এইবাৰ সকলোবোৰ ব্যতিক্ৰম। মঞ্চৰ আগত বোকাত বাগৰি, গছত উঠি নচা সকলো নিয়ম ভাঙি উল্লাস কৰা যুৱকসকল এইবাৰ নীৰৱ। ৰঙালী বিহুৰ মঞ্চত জুবিন দাৰ উপস্থিতি যেন এক বিশেষ আকৰ্ষণ। তেওঁৰ লাইভ প্ৰদৰ্শন চাবলৈ আৰু শুনিবলৈ হাজাৰ হাজাৰ লোকে মানুহে একেলগে সমবেত হয়। তেওঁৰ গীতত মানুহে নিজৰ সংস্কৃতি, ভালপোৱা আৰু আবেগ বিচাৰি পায়। কিন্তু এইবাৰ ৰঙালী বিহু জুবিন বিহীন, তেওঁৰ অবিহনে সকলোৰে জীৱনত শূন্যতাৰ সৃষ্টি কৰিছে। মঞ্চত তেওঁৰ শক্তিশালী মায়াবী কণ্ঠ আৰু উদ্দীপনাৰ অভাৱত ৰঙালী বিহুৰ উৎসৱৰ উল্লাস কমি গৈছে। বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে তেওঁৰ অনুপস্থিতি অধিক অনুভৱযোগ্য হৈছে। জুবিন দাৰ অৱদান ৰঙালী বিহুত অবিস্মৰণীয়। জুবিন দা বিহীন এয়া প্ৰথম ৰঙালী বিহু, নাই কোনো আনন্দ, উল্লাস, তুমি বিহীন ৰঙালী বিহু অসম্পূৰ্ণ হৈ ৰ'ব। তোমাৰ সৃষ্টিৰে চিৰদিন জিলিকি ৰ'বা অসমীয়াৰ হৃদয়ৰ মাজত জুবিন দা।

# বসন্তৰ আগমন আৰু জুবিন গাৰ্গ

অসমৰ বুকুলৈ পুনৰ বসন্ত নামিছে। প্ৰকৃতিৰ বিচিত্ৰ ৰূপ আৰু কুলিৰ কণ্ঠৰ মাদকতাই চৌপাশ জীপাল কৰি তুলিছে। বসন্ত মানেই কেৱল এটি ঋতু নহয়, ই হ'ল আমাৰ সংস্কৃতি আৰু আৱেগৰ এক সজীৱ উৎসৱ। কপৌ ফুলৰ সুবাস আৰু ঢোলৰ গুমগুমনিৰ মাজত এইবেলিৰ বসন্তই এক অপূৰ্ব শিহৰণ কঢ়িয়াই আনিছে যদিও মনৰ এক কোণত এক গভীৰ বিষাদে দোলা দিছে। এই বিষাদৰ কাৰণ হ'ল আমাৰ সকলোৰে মৰমৰ শিল্পী জুবিন গাৰ্গৰ অনুপস্থিতি।

অসমৰ বসন্ত আৰু জুবিন গাৰ্গ যেন এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি আছিল। বসন্তৰ পচোৱা জাকৰ দৰেই তেওঁৰ কণ্ঠৰ যাদুৱে প্ৰতিটো বিহুৰ বতৰত আমাক মতলীয়া কৰি তুলিছিল। তেওঁৰ সুৰত নিহিত আছিল কেতিয়াবা প্ৰেমৰ কোমলতা, কেতিয়াবা বিৰহৰ গভীৰ বেদনা আৰু কেতিয়াবা সমাজৰ বাস্তৱ ছবি। আজি প্ৰকৃতিৰ বুকুত পুনৰ পলাশ শিমলু ফুলিছে, কিন্তু সেই চিনাকি কণ্ঠৰ নতুন সুৰৰ মাদকতা অনুভৱ কৰিবলৈ আমি অসমবাসী আজি ব্যৰ্থ। তেওঁৰ কায়িক অনুপস্থিতিয়ে এইবাৰৰ বসন্তক এক নীৰৱ শূন্যতাৰে আচ্ছন্ন কৰি পেলাইছে।

যি গৰাকী শিল্পীয়ে দশক দশক ধৰি অসমীয়া জাতিক বসন্তৰ বতৰত গানৰ জোৱাৰেৰে উটুৱাই নিছিল, তেওঁ আজি আমাৰ মাজত নাই এই সত্যটো গ্ৰহণ কৰিবলৈ সঁচাকৈয়ে কঠিন। তথাপিও, শিল্পীৰ মৃত্যু নাই। বসন্তৰ প্ৰতিটো কুঁহিপাত আৰু বতাহৰ প্ৰতিটো লহৰত তেওঁ দি যোৱা অলেখ কালজয়ী সৃষ্টি চিৰকাল প্ৰতিধ্বনিত হৈ ৰ'ব। তেওঁৰ সুৰৰ মায়াজাল আমাৰ হৃদয়ত সদায় সজীৱ হৈ থাকিব আৰু প্ৰতিটো বসন্ততে আমি তেওঁক তেওঁৰ গীতৰ মাজতেই বিচাৰি পাম। এই বসন্তই সকলোৰে মনত তেওঁৰ স্মৃতি পুনৰ উজ্জীৱিত কৰি তোলক, তাৰেই কামনা কৰিলোঁ।

*কুঞ্জিল হাজৰিকা*

# জুবিন দা বিহীন বিহুৰ নীৰৱ শূন্যতা

জুবিন দা বিহীন ৰঙালী বিহু যেন নীৰৱৰ মাজত লুকাই থকা এক গভীৰ হাহাকাৰ, এক অনামিকা শূন্যতাৰ অনুভৱ। বিহু মানেই উচ্ছলতা। ঢোলৰ তালে তালে প্ৰাণ পোৱা মাটি, পেঁপাৰ সুৰত উৰি ফুৰা বসন্তৰ বতাহ, গীতৰ মাজেৰে মুকলি হোৱা মানুহৰ অন্তৰৰ আনন্দ। কিন্তু জুবিন দাৰ কণ্ঠৰ অভাৱত এই সকলো উলাহ যেন ক'ৰবাত থমকি ৰয়, যেন কোনো এক গুপ্ত অভাৱৰ ছাঁই ইয়াক আৱৰি ৰাখে। তেওঁৰ গীতত আছিল অসমৰ মাটিৰ উষ্ণতা, মানুহৰ অন্তৰৰ কোমল স্পৰ্শ আৰু এক অম্লান আত্মাৰ সুৰ। যি সুৰ আজি যেন ধীৰে-ধীৰে নীৰৱৰ বুকুত বিলীন হৈ গৈছে। গাঁৱৰ পথাৰৰ পৰা চহৰৰ মঞ্চলৈকে বিহুৰ ৰং এতিয়াও মলমলাই আছে। মানুহে নাচে, গায় আৰু হাঁহি-ধেমালি কৰে। তথাপি হৃদয়ৰ নিভৃত কোণত এক সৰু অথচ গভীৰ শূন্যতা সদায় জাগি উঠে। মনত এই বিশেষ প্ৰশ্নটোৱে অগা-দেৱা কৰে যে, "তেওঁ থাকিলে এই আনন্দৰ ৰূপটো হয়তো আৰু অলপ বেছি সম্পূৰ্ণ হ'লহেঁতেন?" তেওঁৰ কণ্ঠই বিহুক কেৱল উৎসৱৰ সীমাত আবদ্ধ কৰি ৰখা নাছিল; ই তাক ৰূপ দিছিল এক গভীৰ, অনুভৱময় জীৱনানুভূতিলৈ।

এইবাৰৰ ব'হাগ বা ৰঙালী বিহু আহিছে বসন্তৰ ৰং লৈ কিন্তু বুকুত কঢ়িয়াই লৈ আহিছে স্মৃতিৰ এক মৃদু বিষাদ। তথাপি এটা সত্য অটল। মানুহৰ মনত জীয়াই থকা সুৰ কেতিয়াও নিঃশেষ নহয়। জুবিন দাৰ গীতবোৰ আজিও মানুহৰ কণ্ঠত ধ্বনিত হয়, হৃদয়ত অনুৰণিত হয়। কিন্তু তেওঁ নিজে নথকাৰ বোধে অন্তৰত এক নীৰৱ কম্পনৰ সৃষ্টি কৰে। হয়তো এই স্মৃতিবোৰেই তেওঁক চিৰজীৱী কৰি ৰাখিব সময়ৰ সীমা অতিক্ৰম কৰি। জুবিন দা নাথাকিলেও তেওঁৰ সুৰ, তেওঁৰ অনুভৱ আৰু তেওঁৰ ভালপোৱাই চিৰদিন অসমৰ বিহুত, মানুহৰ হৃদয়ত আৰু প্ৰতিটো বসন্তৰ মৃদু বতাহত জীয়াই থাকিব।

*উৰ্বিশ্মা নাথ*

## নিসংগ বসন্ত আৰু এটা আধৰুৱা অধ্যায়

# জুবিনবিহীন সেমেকা ৰঙালী

কাহিলীপুৱাৰ সেই নিস্তব্ধতা ফালি যেতিয়া কুলিটোৱে বিনাই উঠে, তেতিয়া চকু মেলিয়েই খিৰিকীৰে জুমি চোৱাৰ এটা পুৰণি অভ্যাস আছিল। এনে লাগিছিল যেন সেই কুলিৰ মাতটোৱেই বুকুৰ দুৱাৰত টুকুৰিয়াই প্ৰতিটো পুৱা আমাক কৈ গৈছিল — "ঐ উঠিবি নে? পদূলিত বহাগ আহিল চোন" কিন্তু এইবাৰ যেন সেই একেই মাতে এটা অচিনাকি গধুৰ শিলহে বুকুৰ ওপৰত জাপি দিলে। কুলিৰ সেই সুৰটোত আজি আনন্দ নাই, আছে মাথোঁ এটা গভীৰ উচুপনি। যি ব'হাগৰ মাদকতাই আমাক পগলা কৰি তুলিছিল, যি ব'হাগৰ বিহুৰ দিনকেইটাত আমি ঘৰ-দুৱাৰ পাহৰি বিহুৰ আনন্দত একাকাৰ হৈ পৰিছিলোঁ, সেই ব'হাগ আজি দুৱাৰদলিত থিয় হৈছেহি সঁচা, কিন্তু আমাৰ হৃদয়খন যেন ক'ৰবাত হেৰাই থাকিল।

মনত পৰে সেই দিনবোৰলৈ, যেতিয়া কোনো বিহু সন্মিলনৰ পথাৰত এজন মানুহৰ কণ্ঠৰ বাবে আমি হাজাৰ হাজাৰ মানুহে অধীৰ আগ্ৰহেৰে ৰৈ আছিলোঁ। সেই আমাৰ প্ৰাণৰো প্ৰাণৰ জুবিন দা, যিজনৰ মাত শুনিলে আমাৰ দেহত তেজৰ চেকুৰ উঠে, যাৰ এটা মিচিকিয়া হাঁহিয়ে হাজাৰজনৰ দুখ পলকতে পাহৰাই দিছিল। সেই মানুহজনৰ সৈতে আমাৰ সম্পৰ্কটো কেৱল এজন শিল্পী আৰু শ্ৰোতাৰ নাছিল; তেওঁ আছিল আমাৰ ঘৰৰ মানুহজনৰ দৰে- আমাৰ প্ৰতিটো আৱেগৰ এজন একান্ত সংগী। কিন্তু যোৱা ছেপ্টেম্বৰৰ সেই কাল-ধুমুহাজাকে সকলো ওলট-পালট কৰি দিলে। সেইদিনা কেৱল এজন ব্যক্তিৰ নশ্বৰ দেহৰ চিতা জ্বলা নাছিল, বৰঞ্চ সেই জুইত জ্বলি ছাই হৈছিল

নৱজ্যোতি ডেকা

প্ৰতিজন অসমীয়াৰ সপোন, প্ৰতিজন ডেকাৰ প্ৰেৰণা আৰু আমাৰ হেঁপাহৰ ৰঙালী বিহুৰ আটাইতকৈ উজ্জ্বল পৃষ্ঠাখন। সেই চিতাৰ জুইৰ তাপ আজিও নিৰ্বাপিত হোৱা নাই। আজিও চকু মুদিলে কাণত বাজি উঠে সেই চিনাকি অদম্য কণ্ঠস্বৰ, কিন্তু চকু মেলিলেই দেখা পাওঁ এক কৰুণ আৰু নিথৰ শূন্যতা।

আজি পদূলিত তগৰ ফুলিছে, নাহৰৰ কলিটি থোৰ মেলিছে, কিন্তু নতুনেৰে হৃদয় ৰাঙলী কৰিবলৈ আমি শক্তি বিচাৰি পোৱা নাই। কেনেকৈনো নতুন কাপোৰযোৰ পিন্ধি এটা কৃত্ৰিম হাঁহি ওঁঠত সানি লওঁ? কাৰণ যিজন শিল্পীৰ গানত নাচি নাচি আমি ডাগৰি পৰিছিলোঁ, যাৰ গানে আমাক প্ৰেম কৰিবলৈ শিকাইছিল আৰু বিদ্ৰোহ কৰিবলৈ সাহস দিছিল, তেওঁ আজি কোনোবা এখন অচিন দেশত চিৰদিনৰ বাবে মৌন হৈ ৰ'ল। ক'ব নোৱাৰাকৈয়ে বুকুখন মোচোকা খাই উঠে যেতিয়া ভাবো— এইবাৰ বিহুৰ মঞ্চত সেই বিশেষ মানুহজনক আৰু কেতিয়াও দেখা নাপাম। মানুহৰ ভিৰ হ'ব, ৰঙীন পোহৰত মঞ্চবোৰ জিলিকিব, আনকি গানৰ সুৰো বতাহত ভাঁহি আহিব, কিন্তু সেই ঐন্দ্ৰজালিক যাদু আমি ক'ত বিচাৰি পাম?

এই সেমেকা পৰিৱেশৰ মাজতে আজি প্ৰতিজন অসমীয়াৰ মনত এটা গভীৰ ক্ষোভ আৰু প্ৰশ্নৰ উদয় হৈছে। যিজন মানুহে আমাক হাঁহিবলৈ শিকাইছিল, যিজন মানুহে অসমীয়া জাতিক বিশ্বৰ দৰবাৰত চিনাকি কৰাই দিছিল, তেওঁৰ এই অকাল প্ৰস্থান কিয় আৰু কেনেকৈ হ'ল? এতিয়া প্ৰতিগৰাকী অসমীয়াই ৰৈ আছে তেওঁৰ ন্যায়ৰ অপেক্ষাত। কাৰণ এজন শিল্পীৰ মৃত্যু কেৱল এটা শৰীৰৰ অন্ত নহয়, এয়া এটা বিশ্বাসৰ মৃত্যু। সেই ছেপ্টেম্বৰৰ শোকাৱহ ঘটনাটোৰ আঁৰৰ সত্যবোৰ উন্মোচিত হোৱাটো আজি প্ৰতিজন অসমীয়াৰ দাবী। ন্যায় অবিহনে এই আত্মাৰ শান্তিয়ে জানো পূৰ্ণতা পাব? জুবিন দা আমাৰ আৱেগ, আমাৰ জাতীয় সত্তাৰ এটা অংশ; সেয়েহে তেওঁৰ সৈতে জড়িত প্ৰতিটো ৰহস্যৰ অৱসান ঘটাটো আমাৰ বাবে অতি প্ৰয়োজনীয় হৈ পৰিছে।

প্ৰকৃতিৰ নিয়ম অনুসৰি হয়তো কাইলৈও কপৌ ফুলিব, কুলি-কেতেকীৰ মাতে আকাশ কঁপাব, কিন্তু অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহু এইবাৰ সঁচাকৈয়ে এটা 'সেমেকা ঋতু' হৈ ৰ'ব। যিজন শিল্পীক লৈ আমি আকাশ চুইছিলোঁ, তেওঁৰ অনুপস্থিতিয়ে আমাক আৱেগিকভাৱে নিঃস্ব কৰি থৈ গ'ল। এতিয়া বিহু মানেই কেৱল স্মৃতি ৰোমন্থন— এমুঠি পুৰণি গীত আৰু চকুৰ পানীৰ একোটা টোপাল। প্ৰতিটো বিহু গীতত, প্ৰতিটো ঢোলৰ চেওত আমি মাথোঁ তেওঁকেই বিচাৰি যাম।

জুবিন দা, তোমাৰ অবিহনে এই বহাগ সঁচাকৈয়ে বৰ আধৰুৱা, বৰ নিসংগ। তোমাৰ স্মৃতিৰ মেৰপাকত আৱদ্ধ হৈ থকা এই সেমেকা বসন্তক আমি হয়তো কেতিয়াও সহজভাৱে গ্ৰহণ কৰিব নোৱাৰিম। তুমি নোহোৱা বিহু মানেই যেন এটা নিথৰ উৎসৱ, য'ত সকলো আছে— মাথোঁ তুমি, তোমাৰ সেই হৃদয় কঁপোৱা সুৰটো আৰু তোমাৰ প্ৰাপ্য ন্যায়খিনিৰ অপেক্ষাহে আছে।



# বিষাদৰ ৰঙালী

পদূলিমুখত বাপতিসাহোন ৰঙালী বিহু, ঢোল-পেঁপাৰ মাতত ৰজনজনাইছে ৰাজ্যৰ চুক-কোণ। প্ৰকৃতিও সাজু হৈছে নতুনক আদৰিবলৈ। তথাপিও সকলো যেন নীৰস। প্ৰাণৰ শিল্পী জুবিনৰ অবিহনে উদ্‌যাপন কৰিব লাগিব হেঁপাহৰ ৰঙালীক।

বসন্তৰ আগমনত প্ৰকৃতি সেউজীয়া হৈ উঠাৰ সমান্তৰালকৈ, পুৰণি বছৰৰ দুখ-যন্ত্ৰণাক পাহৰি নতুনক আদৰাৰ প্ৰস্তুতিয়েই হৈছে ৰঙালী। যদিও ৰঙালীক যৌৱনৰ উৎসৱ বুলি কোৱা হয়, তথাপিও এইবাৰ ৰঙালী চঞ্চলা যৌৱনা ৰঙালী বিহু নহয়, এইবাৰ ৰঙালী যেন প্ৰতিগৰাকী অসমীয়াৰ বাবে এক বিষাদৰ ৰঙালী। এইবেলি দেখোন নাহৰ জোপাও ভালকৈ ফুলা নাই, ফুলা নাই এপ্ৰিল, কৃষ্ণচূড়াডালো।

কি মানুহ কি প্ৰকৃতি সকলোৰে এটাও অভাৱ এইবাৰ প্ৰতিগৰাকী অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ বিহীন প্ৰথমটো ৰঙালী বিহু। এই বাৰ জুবিনবিহীন বসন্তত কপৌফুল-জোপা আৰু কুলিৰ মাতৰ মাজতো যেন এক নিঃসংগতাৰ সুৰ।

বসন্তত কুলি, কেতেকীৰ মাত, আৱেগৰ ৰঙালীৰ লগতেই অহা এটি চিনাকি মাত, যি মাতে কঢ়িয়াই আনে ৰঙালী অহাৰ বতৰা। বসন্তত কুলি কেতেকীৰ বিননিয়ে অসমীয়াক মনত পেলাই দিয়ে হেঁপাহৰ ৰঙালী বিহুৰ কথা কিন্তু আৱেগৰ তথা চেনেহৰ বিহুটোৰ বতৰা দিবলৈ অহা কুলি, কেতেকীজনীৰো এইবাৰ বৰ অভিমান, কাৰণ এইবাৰ বহাগত গীতৰ জৰিয়তে কুলি কেতেকীৰ সেই মিঠা মাতৰ বৰ্ণনা কৰিবলৈ যে নাই হিয়াৰ আমঠু জুবিন গাৰ্গ।

*গৌতম মেচ, লংকা*

*ভ্ৰাম্যভাষ ঃ ৯১০১৬৫০৪২৪*

# জুবিন বিহীন প্ৰথমটো ৰঙালী বিহু

## আৱেগ, শূন্যতা আৰু আমাৰ দায়বদ্ধতা

প্ৰকৃতিৰ চিৰাচৰিত নিয়ম অনুসৰি আকৌ এবাৰ অসমৰ বুকুলৈ বসন্ত আহিছে। কুলি-কেতেকীৰ সুমধুৰ মাত, কপৌ ফুলৰ সুবাস আৰু গছৰ নতুন কুঁহিপাতে প্ৰতিজন অসমীয়াৰ মনলৈ ৰঙালীৰ বতৰা কঢ়িয়াই আনিছে। কিন্তু ২০২৬ চনৰ এই বসন্ত যেন আগৰ বসন্তবোৰৰ দৰে একে নহয়। প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজতো সমগ্ৰ অসমৰ আকাশ-বতাহত বিয়পি পৰিছে এক অব্যক্ত বিষাদ আৰু গধুৰ শূন্যতা। কাৰণ, এইবাৰৰ ৰঙালী বিহু হৈছে অসমৰ আধুনিক সংগীত আৰু বিহু সংস্কৃতিৰ অপ্ৰতিদ্বন্দ্বী সম্ৰাট, যুৱপ্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গ বিহীন প্ৰথমটো ৰঙালী বিহু। যোৱা ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত সংঘটিত হোৱা তেখেতৰ আকস্মিক আৰু অকাল মৃত্যুৱে সমগ্ৰ অসমীয়া জাতিক যি শোকৰ সাগৰত পেলাই গৈছে, তাৰ পৰা আজিও ৰাইজ মুক্ত হ'ব পৰা নাই। এনে এক আৱেগিক আৰু বেদনাদায়ক প্ৰেক্ষাপটত প্ৰতিজন অসমীয়াৰ মনত আজি সৃষ্টি হোৱা আটাইতকৈ ডাঙৰ প্ৰশ্নটোৱেই হ'ল- "জুবিন বিহীন প্ৰথমটো ৰঙালী বিহু, আমি কেনেকৈ পালন কৰিম?"

বিগত তিনিটা দশকত জুবিন গাৰ্গ আৰু ৰঙালী বিহু- এই দুটা শব্দ যেন এটা আনটোৰ পৰিপূৰক হৈ পৰিছিল। অসমৰ বিহু সংস্কৃতি যেতিয়া চোতালৰ পৰা গৈ আধুনিক মঞ্চ পালেগৈ, তেতিয়া এই পৰিৱৰ্তনৰ আটাইতকৈ শক্তিশালী আৰু জনপ্ৰিয় সূত্ৰধাৰ আছিল জুবিন গাৰ্গ। তেখেতৰ কণ্ঠৰ অবিহনে বিহুৰ মঞ্চৰ কল্পনা কৰাটোৱেই অসম্ভৱ আছিল। প্ৰতি বছৰে ব'হাগৰ পূৰ্বে মুক্তি পোৱা তেখেতৰ বিহুৰ শ্ৰব্য কেছেট বা এলবামসমূহ কেৱল একোখন এলবামেই নাছিল, সেইবোৰ আছিল সমগ্ৰ অসমৰ বাবে বসন্তৰ আনুষ্ঠানিক আদৰণি ধ্বনি। তেখেতৰ গীতৰ মাজেৰে বিহুৰ পৰম্পৰাগত সুৰ আৰু আধুনিক বাদ্যযন্ত্ৰৰ যি অপূৰ্ব সংমিশ্ৰণ ঘটিছিল, সিয়ে বিহু গীতক এক গোলকীয় মাত্ৰা প্ৰদান কৰিছিল। বিহু তলীত মাজনিশাৰ পাছত তেখেতৰ উপস্থিতি আৰু তেখেতৰ গীতৰ তালে তালে নাচি উঠা হেজাৰ হেজাৰ দৰ্শকৰ উন্মাদনা, এই সকলোবোৰ এতিয়া কেৱল এক সোণালী ইতিহাস। সেই ইতিহাসৰ পটভূমিত থিয় দি আজি আমি উপলব্ধি কৰিছোঁ যে বিহুৰ মঞ্চত তেখেতে যি এক সাংস্কৃতিক ধাৰা সৃষ্টি কৰি গৈছে, তাৰ স্থান আন কোনেও পূৰণ কৰিব নোৱাৰে। সাম্প্ৰতিক সময়ত জুবিন গাৰ্গৰ মৃত্যুক লৈ চলি থকা বাতৰি আৰু আইনী প্ৰক্ৰিয়াসমূহে জনসাধাৰণৰ মনত বিৰাজ কৰা দুখৰ মাত্ৰা অধিক গভীৰ কৰি তুলিছে। ছিংগাপুৰ আৰক্ষীয়ে তেখেতৰ মৃত্যুক এক আকস্মিক দুৰ্ঘটনা বুলি সামৰণি মাৰিলেও, অসমত চলি থকা বিশেষ তদন্তকাৰী গোটৰ (SIT) অনুসন্ধান আৰু চৰকাৰীভাৱে প্ৰকাশ পোৱা সন্দেহৰ বাতৰিসমূহে ৰাইজৰ মনত ক্ষোভ আৰু ন্যায়ৰ প্ৰতি হেঁপাহ বৃদ্ধি কৰিছে। তেখেতৰ পত্নী গৰিমা গাৰ্গৰ শেহতীয়া আৱেগিক মন্তব্য আৰু তেখেতে হেৰুওৱা আপোন মানুহবোৰৰ প্ৰতি থকা তেখেতৰ ভয়ৰ কথাবোৰে সমাজৰ প্ৰতিটো স্তৰতে চৰ্চা লাভ কৰিছে। এনে এক অস্থিৰ আৰু বেদনাদায়ক পৰিৱেশত ৰঙালী বিহুৰ দৰে এক আনন্দৰ উৎসৱ পালন কৰাটো সঁচাকৈয়ে এক কঠিন মানসিক প্ৰত্যাহ্বান। ন্যায়ৰ অপেক্ষাত থকা এটা জাতিয়ে কেনেকৈ নিজৰ প্ৰিয় শিল্পীক হেৰুৱাই উল্লাসত মাতিব পাৰে, সেয়া এক সমাজতাত্ত্বিক প্ৰশ্ন হৈ থিয় দিছে। কিন্তু, "আমি কেনেকৈ পালন কৰিম?" - এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ গ'লে আমি জুবিন গাৰ্গৰ জীৱন দৰ্শন আৰু তেখেতৰ কৰ্মৰাজিৰ মাজলৈ উভতি যাব লাগিব। জুবিন গাৰ্গ কেৱল এজন শিল্পীয়েই নাছিল, তেখেত আছিল জীৱন শক্তিত ভৰপূৰ এজন অসাধাৰণ ব্যক্তি যিয়ে অসম আৰু অসমীয়া জাতিক নিজৰ প্ৰাণতকৈয়ো বেছি ভাল পাইছিল। তেখেতৰ প্ৰতিটো গীত, প্ৰতিটো সৃষ্টিত অসমৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম প্ৰতিফলিত হৈছিল। বিহু আছিল তেখেতৰ আত্মাস্বৰূপ। সেয়েহে, তেখেতৰ অবিহনে বিহু পালন নকৰাটো বা বিহুৰ আনন্দৰ পৰা বিৰত থকাটো হয়তো তেখেতৰ প্ৰতি প্ৰকৃত সন্মান নহ'ব। বৰঞ্চ, এই প্ৰথমটো জুবিন বিহীন ৰঙালী বিহু আমি এক সুকীয়া ধৰণেৰে, এক গভীৰ শ্ৰদ্ধাঞ্জলি হিচাপে পালন কৰিব লাগিব। বিহুৰ মঞ্চবোৰ নিমাওমাও হৈ থকাৰ পৰিৱৰ্তে, সেই মঞ্চবোৰ মুখৰিত হ'ব লাগিব তেখেতৰ অমৰ সৃষ্টিৰাজিৰে। এই ব'হাগত প্ৰতিখন বিহু মঞ্চই জুবিন গাৰ্গৰ কৰ্মৰাজিক স্মৰণ কৰাৰ একোখন বেদী হৈ পৰা উচিত। সাংস্কৃতিক আৰু গৱেষণামূলক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে, জুবিন গাৰ্গৰ অনুপস্থিতিয়ে অসমৰ সংগীত জগতলৈ যি শূন্যতা কঢ়িয়াই আনিছে, সিয়ে নৱপ্ৰজন্মৰ শিল্পীসকলৰ ওপৰত এক বৃহৎ দায়িত্ব জাপি দিছে। জুবিনে যিদৰে বিহুৰ স্বকীয়তা অটুট ৰাখি তাক আধুনিক ৰূপ দিছিল, সেই ভাৰসাম্য ৰক্ষা কৰাটো এতিয়াৰ প্ৰজন্মৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান। বিহু আয়োজক সমিতি, বুদ্ধিজীৱী আৰু শিল্পী সমাজে এই ব'হাগত একত্ৰিত হৈ নিশ্চিত কৰিব লাগিব যে বিহুৰ নামত হোৱা অপসংস্কৃতি আৰু অতিৰিক্ত ব্যৱসায়িকীকৰণে যাতে জুবিন গাৰ্গে সপোন দেখা নিকা আৰু প্ৰাণৱন্ত বিহুটোক গ্ৰাস কৰিব নোৱাৰে। তেখেতৰ গীতৰ মাজেৰে যি জাতীয় ঐক্য আৰু সমন্বয়ৰ বাৰ্তা বিলাই গৈছিল, সেই বাৰ্তা বিহুৰ মঞ্চৰ পৰা প্ৰতিধ্বনিত হোৱাটো বাঞ্ছনীয়।

এইখিনিতে আমি মনত ৰখা উচিত যে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়িক প্ৰক্ৰিয়া নিজৰ স্থানত চলি থাকিব আৰু ৰাইজে আইনী ব্যৱস্থাৰ ওপৰত বিশ্বাস ৰাখি সত্য পোহৰলৈ অহাৰ আশা কৰিব। কিন্তু তাৰ সমান্তৰালকৈ অসমৰ জাতীয় উৎসৱটিৰ ধাৰাবাহিকতা আৰু গৰিমা ম্লান হ'বলৈ দিয়াটো অনুচিত। ৰঙালী বিহু হৈছে অসমীয়া জাতিৰ আয়ুস ৰেখা। জুবিন গাৰ্গে এই আয়ুস ৰেখাক নিজৰ কণ্ঠৰে সঞ্জীৱিত কৰি ৰাখিছিল। আজি তেখেত সশৰীৰে আমাৰ মাজত নাই যদিও, তেখেতৰ প্ৰতিটো গীত, প্ৰতিটো সুৰ অসমৰ বতাহত, লুইতৰ বুকুত আৰু প্ৰতিজন অসমীয়াৰ হৃদয়ত চিৰদিনৰ বাবে খোদিত হৈ থাকিব। গতিকে, ২০২৬ চনৰ এই ৰঙালী বিহু আমি বুকুত এক গধুৰ বিষাদ লৈ হ'লেও পালন কৰিম। চকুৰ পানীৰে হ'লেও আমি বিহুৱান ল'ম, কাৰণ এই বিহুৱানত জুবিন গাৰ্গৰো আশীৰ্বাদ আৰু প্ৰেম নিহিত হৈ আছে। মঞ্চত তেখেতৰ সেই চিনাকি জঁপিওৱা দৃশ্য আৰু মাইক্ৰ'ফোন হাতত লৈ দৰ্শকক উন্মাদ কৰা সেই সুপৰিচিত মাতটো হয়তো আমি আৰু কেতিয়াও শুনিমলৈ নাপাম, কিন্তু তেখেতৰ কণ্ঠৰ ৰেকৰ্ডিংবোৰ বাজি উঠাৰ লগে লগেই অসমৰ প্ৰতিখন বিহু মঞ্চই তেখেতৰ উপস্থিতি অনুভৱ কৰিব। জুবিন বিহীন এই বিহুটো কেৱল এক উৎসৱ হৈ নাথাকি, ই হৈ পৰক অসমৰ শ্ৰেষ্ঠতম শিল্পীগৰাকীৰ প্ৰতি এক সামূহিক আৰু আধ্যাত্মিক শ্ৰদ্ধা নিবেদনৰ উৎসৱ। তেখেতে দেখুৱাই যোৱা বাটেৰে অসমীয়া সংস্কৃতিক বিশ্বদৰবাৰলৈ আগুৱাই নিয়াৰ সংকল্প গ্ৰহণ কৰাই হ'ব জুবিন গাৰ্গৰ প্ৰতি সৰ্বশ্ৰেষ্ঠ সন্মান আৰু এই প্ৰশ্নৰ প্ৰকৃত উত্তৰ। জুবিন গাৰ্গৰ দৰে শিল্পীৰ কেতিয়াও মৃত্যু নহয়, তেওঁলোক নিজৰ সৃষ্টিৰ জৰিয়তে জাতিৰ বুকুৰ ধপধপনি হৈ চিৰকাল জীয়াই থাকে।



চন্দন কুমাৰ নাথ

# বিহাৰত ইতিহাস সৃষ্টিৰে

দলৰ এগৰাকী মুখ্যমন্ত্ৰী লাভ কৰিব। পাটনাৰ লোক ভৱনত ইতিমধ্যে নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰস্তুতি তীব্ৰ গতিত চলি আছে। সোমবাৰে বিহাৰ লোক ভৱনত ৰাজ্যপালৰ সচিব গোপাল মীনাৰ অধ্যক্ষতাত পাটনা জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পাটনাৰ বিভাগীয় আয়ুক্ত, জিলা উপায়ুক্ত (ডি এম), এছ এছ পি, সকলো এছ পি, অতিৰিক্ত জিলা উপায়ুক্ত (এ ডি এম) আৰু উপ-বিভাগীয় উপায়ুক্ত (এছ ডি এম)-সকলে অংশগ্ৰহণ কৰে। বৈঠকত অহা ১৫ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ বিভিন্ন দিশ নিয়ে আলোচনা কৰা হয়। জানিব পৰা মতে, ১৫ এপ্ৰিলত পুৱা ১১ বজাত নতুন মুখ্যমন্ত্ৰীয়ে শপত গ্ৰহণ কৰিব। বিশেষ আকৰ্ষণৰ কথা হ'ল, এই শপতগ্ৰহণ অনুষ্ঠানত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীৰ উপস্থিতিৰ বাবে সকলো প্ৰয়োজনীয় প্ৰস্তুতি ত্বৰান্বিত কৰা হৈছে। মঙলবাৰে (১৪ এপ্ৰিল) বিয়লিৰ ভিতৰত সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ আশা কৰা হৈছে। পাটনা বিমানবন্দৰ, অনে মাৰ্গ আৰু ৰাজভৱনত পাটনা জিলা প্ৰশাসনে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰী মোদী মঙলবাৰে সন্ধিয়া পাটনাত উপস্থিত হ'ব আৰু লোক ভৱনতেই ৰাতিৰ বাবে থাকিব। লোক ভৱনৰ চাৰিওফালে নিৰাপত্তা ব্যৱস্থা অতি কঠোৰ কৰা হৈছে। বাট-পথসমূহত বেৰিকেড লগোৱা হৈছে আৰু সমগ্ৰ এলেকাত তীক্ষ্ণ নজৰ ৰখা হৈছে। আনহাতে, ১৪ এপ্ৰিলত মুখ্যমন্ত্ৰী নীতিশ কুমাৰে নিজৰ শেষ কেবিনেট বৈঠক সমাপ্ত কৰাৰ পিছত দলীয় বিধায়কসকলৰ সৈতে বৈঠকত মিলিত হ'ব। তাৰ পিছত বিয়লি ৩:৩০ বজাত তেওঁ ৰাজ্যপালৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰিব। বিজেপিৰ ৰাজ্যিক সভাপতি সঞ্জয় সৰৱাগীয়ে স্পষ্টকৈ কৈছে যে ১৪ এপ্ৰিলত প্ৰথমবাৰৰ বাবে বিজেপি বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকৰ পিছত চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। নিৰ্ধাৰিত সময়সূচী অনুসৰি সকলো পদক্ষেপ আগবাঢ়িছে। বিজেপিৰ বিধায়িনী দলৰ বৈঠকৰ পাছত এন ডি এৰ বিধায়িনী দলৰ নেতাসকলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত সকলো বিধায়কে বিজেপিয়ে বাছনি কৰা মুখ্যমন্ত্ৰী প্ৰাৰ্থীক অনুমোদন জনাব। ৰাজ্যৰ ৰাজনৈতিক মহলত এতিয়া উত্তেজনাৰ সৃষ্টি হৈছে। নতুন মুখ্যমন্ত্ৰী কোন হ'ব সেই বিষয়ে জল্পনা-কল্পনা চলি আছে। প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানে বিহাৰৰ ৰাজনীতিত নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

# গুৱাহাটীত আটক চাৰি

আৰু দুজন শিশুৰ সমন্বয়ে গঠিত এই দলটোৱে আছিফ আলী নামৰ এজন দালালৰ সহায়ত বাংলাদেশৰ পৰা অবৈধভাৱে ভাৰতলৈ অনুপ্ৰৱেশ কৰি গুৱাহাটীত আশ্ৰয় লৈছিল। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, ১০ এপ্ৰিলত এই চাৰিগৰাকীয়ে গুৱাহাটীত বাহৰ পাতিছিল। তেওঁলোকে অসমৰ পৰা মুম্বাইলৈ যাত্ৰা কৰাৰ প্ৰস্তুতি চলাই থাকোঁতে দিছপুৰ আৰক্ষীয়ে তেওঁলোকক আটক কৰে। তদন্তৰ পৰা প্ৰকাশ পাইছে যে আকাশ আলী নামৰ আন এজন দালালে তেওঁলোকৰ বাবে ভুৱা ভোটাৰ কাৰ্ড যোগাৰ কৰি দিছিল। এই ভুৱা কাগজ-পত্ৰৰ সহায়ত তেওঁলোকে ভাৰতত স্থায়ীভাৱে বসবাস আৰু চলাচল কৰাৰ পৰিকল্পনা কৰিছিল। সীমান্ত আৰক্ষীয়ে প্ৰথমে চচলৰ পৰা তেওঁলোকক আটক কৰাৰ পাছত গুৱাহাটী আৰক্ষীৰ হাতত হস্তান্তৰ কৰে। বৰ্তমান এই চাৰিগৰাকী অবৈধ নাগৰিক আৰক্ষীৰ জিম্মাত আছে আৰু তেওঁলোকৰ বিৰুদ্ধে আইনী কাৰ্য্যসূচী প্ৰক্ৰিয়াধীন। দালাল আকাশ আলীকো দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাই অসমত অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে চলি থকা অভিযানৰ এক নতুন উদাহৰণ হিচাপে পৰিগণিত হৈছে। আৰক্ষীয়ে জানিবলৈ দিছে যে দালাল চক্ৰৰ সৈতে জড়িত আন ব্যক্তিৰ সন্ধানত তদন্ত অব্যাহত ৰখা হৈছে। অসমত অবৈধ বাংলাদেশী নাগৰিকৰ অনুপ্ৰৱেশ আৰু তেওঁলোকক সহায় কৰা দালাল চক্ৰৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ অভিযান চলাই আহিছে। ইয়াৰ অংশ হিচাপে সীমান্ত এলেকাৰ নজৰদাৰী বৃদ্ধি কৰা হৈছে আৰু ভুৱা নথি-পত্ৰ তৈয়াৰ কৰা দালালসকলক চিনাক্তকৰণ কৰি গ্ৰেপ্তাৰ কৰা হৈছে। এই ধৰণৰ ঘটনাই ৰাজ্যৰ সুৰক্ষা আৰু জনসংখ্যাগত ভাৰসাম্য ৰক্ষাৰ বাবে কি পৰিমাণে গুৰুত্বপূৰ্ণ সেয়া পুনৰ স্পষ্ট কৰি তুলিছে। আৰক্ষী বিষয়াই কয় যে এই চক্ৰৰ মূল উৎপাটনৰ বাবে অধিক তথ্য সংগ্ৰহ আৰু অভিযান অব্যাহত থাকিব। দিছপুৰ আৰক্ষীয়ে ধৃত দালাল আকাশ আলীৰ পৰা অধিক তথ্য লাভ কৰি আন সম্পৰ্কিত দালাল আৰু অনুপ্ৰৱেশকাৰীৰ সন্ধান চলাইছে। ধৃত চাৰিগৰাকী অবৈধ নাগৰিকক আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিছে। এই ঘটনাৰ জৰিয়তে ৰাজ্যবাসীক সতৰ্ক কৰি দিয়া হৈছে যাতে কোনো ধৰণৰ ভুৱা নথি-পত্ৰ বা দালালৰ প্ৰলোভনত প্ৰতাৰিত নহয়। অসম আৰক্ষীয়ে এই ধৰণৰ অভিযান অব্যাহত ৰাখিব বুলি আশ্বাস দিছে।

# যান্ত্ৰিকতাৰ আঁৰত লুকাই

মৰি বছৰটোৰ মংগলৰ নিমিত্তে পালন কৰি অহা এই সাতামপুৰুষীয়া পৰম্পৰা পালন কৰিব অসমীয়াই। প্ৰকৃতিয়ে ন-সাজেৰে নিজকে সজাই তোলা সময়ত গৃহস্থই ঘৰৰ গৰু কেইটাকো ন-কৈ তৰাল পঘাৰে বান্ধিলে। বৃষ্টিৰ পথাৰত কৃষ্টিৰ কঠীয়া সিঁচি কৃষিকৰ্ম আৰম্ভ কৰা হ'ব। আনহাতেদি কাইলৈ মানুহৰ বিহু। গাঁৱৰ ডেকা-গাভৰুসকল ব্যস্ত হৈ পৰিব বিহু নাচিবলৈ। ঢোল-পেঁপাৰ মাত শুনিলে এপাক নানাচি পাৰি জানো। এই ৰঙালী বিহুৱে আঁকোৱালি লয় অসমীয়া জনজীৱনৰ সৈতে জড়িত থকা প্ৰতিটো দিশক। বিহুৰ সৈতে মাটি আৰু সাধাৰণ মানুহৰ সম্পৰ্ক থাকে। ইফালে বিহুক লৈ ৰাজ্যজুৰি উখল-মাখল পৰিৱেশ। উজনিৰ পৰা নামনিলৈ সৰ্বত্ৰ ৰঙালীক আদৰাৰ ব্যাপক প্ৰস্তুতি। ৰঙালী ৰঙেৰে ৰঙীন ৰাজ্যবাসী। ঢোল, পেঁপাৰ মাতে ৰজনজনাইছে চৌদিশ। ভৰপক ধৰিছে বিহুৰ আখৰাই। সমান্তৰালভাৱে বজাৰ ভৰিছে বিহুৰ সামগ্ৰীৰে। বজাৰসমূহত উভৈনদী হৈছে বিহুৰ পিঠা-পনা, দৈ-চিৰা, গুৰ আৰু অন্যান্য সা-সামগ্ৰীৰে। গৰু বিহুৰ বাবে বজাৰত উলাইছে দীঘলতী পাত, থেকেৰা, হালধি আদিৰে। থলুৱা শিপিনীৰ গামোচাৰো বাঢ়িছে চাহিদা। অসমীয়া নৱবৰ্ষত জ্যেষ্ঠ জনক বস্ত্ৰদান কৰি সেৱা কৰা, নতুন কাপোৰ পিন্ধা পৰম্পৰা ৰক্ষা কৰি কাপোৰৰ বজাৰত ভিৰ কৰিছে অসমীয়াই। আনহাতে কৰ্মব্যস্ততা এৰি আপোন ঘৰখনলৈ উভতিছে বিভিন্নজন। উজনিৰ পৰা নামনি লৈ ৰঙালীৰ আনন্দত মতলীয়া হৈ হেঁপাহৰ ঘৰলৈ ঢাপলি মেলিছে কৰ্মচাৰী। যান্ত্ৰিকতাৰ আঁৰত হেৰাই যোৱা আন্তৰিকতা যেন ৰঙালীয়ে আদৰি আনিছে।

# মহিলা সংৰক্ষণ আইনৰ জৰিয়তে সংসদে সৃষ্টি কৰিব নতুন ইতিহাস ঃ প্ৰধানমন্ত্ৰী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** ভাৰতীয় সংসদে মহিলা সংৰক্ষণ আইনৰ জৰিয়তে এক নতুন ইতিহাস সৃষ্টি কৰিবলৈ সাজু হৈছে। এই আইনৰ জৰিয়তে দেশৰ ৰাজনৈতিক ক্ষেত্ৰত মহিলাসকলৰ অংশগ্ৰহণ বৃদ্ধি পাব আৰু সমতাবাদী ভাৰত গঢ়ি তোলাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হ'ব। নতুন দিল্লীৰ বিজ্ঞান ভৱনত সোমবাৰে অনুষ্ঠিত ৰাষ্ট্ৰীয় 'নাৰী শক্তি বন্দন সন্মিলন'ত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা ঘোষণা কৰে। সন্মিলনত চৰকাৰ, শিক্ষা, বিজ্ঞান, ক্ৰীড়া, উদ্যোগ, সংবাদ মাধ্যম, সমাজসেৱা আৰু সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰৰ পৰা অহা বিশিষ্ট মহিলা আৰু সফল ব্যক্তিসকলে অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "ভাৰতে উন্নয়নৰ যাত্ৰাত একবিংশ শতিকাৰ অন্যতম ডাঙৰ সিদ্ধান্ত ল'বলৈ ওলাইছে। এই সিদ্ধান্ত সম্পূৰ্ণৰূপে নাৰী শক্তিৰ বাবে উৎসৰ্গিত। ই নাৰী শক্তিক সন্মান জনোৱাৰ এক মহৎ প্ৰয়াস।"

# অৱশেষত বিহাৰত বন্দীত্বৰ

গৰাকী শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যক। ইটা ভাটাৰ মালিক আৰু কৰ্মচাৰীয়ে তেওঁলোকৰ ওপৰত অমানৱীয় অত্যাচাৰ চলাইছিল বুলি অভিযোগ উঠিছে। জানিব পৰা মতে, জীৱিকাৰ সন্ধানত বিহাৰলৈ গৈ অসমৰ এই শ্ৰমিকসকল বিহাৰৰ সহৰ্চা জিলাৰ কহাৰা থানাৰ ধামচাইনীত অৱস্থিত 'ষ্টাৰ মাৰ্কা ইটা ভাটা'ত আবদ্ধ হৈ পৰে। তাত তেওঁলোকক এদিনো উপযুক্ত মজুৰি নিদিয়াকৈ, খাদ্য আৰু বাসস্থানৰ সুবিধা নিদিয়াকৈ কাম কৰিবলৈ বাধ্য কৰোৱা হৈছিল। মহিলা শ্ৰমিক আৰু নাবালিকা কিশোৰীৰ ওপৰত যৌন নিৰ্যাতন চলোৱাৰো গুৰুতৰ অভিযোগ উঠিছে। ৭ মাহৰ এই ভয়াৱহ বন্দীত্বৰ অন্তত বিহাৰ আৰক্ষী আৰু প্ৰশাসনে অভিযান চলাই শ্ৰমিকসকলক উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা প্ৰায় ৬০জন লোকক (শিশু আৰু মহিলাসহ) দুখন বাছযোগে সোমবাৰে অসমলৈ ওভতাই অনা হয়। অৱশ্যে ৭ গৰাকী কিশোৰী এতিয়াও বিহাৰ প্ৰশাসনৰ জিম্মাত আছে আৰু তেওঁলোকক এটা শিশুগৃহত ৰখা হৈছে। ভুক্তভোগীসকলৰ অভিযোগ অনুসৰি এই কিশোৰীসকল ইটা ভাটাৰ মালিক আৰু কৰ্মচাৰীৰ দ্বাৰা যৌন নিৰ্যাতনৰ সন্মুখীন হৈছিল। আইৰণজংলা গাঁৱৰ ভুক্তভোগী শ্ৰমিক ৰেফাজ আলীয়ে তেওঁলোকৰ যন্ত্ৰণাদায়ক অভিজ্ঞতা বৰ্ণনা কৰি কয়, "উপাৰ্জনৰ আশাত গৈছিলোঁ, কিন্তু জন্তুতকৈও বেয়া ব্যৱহাৰ কৰা হৈছিল। ইমান মাহত এটাও টকা দিয়া নহ'ল। আমি সম্পূৰ্ণ আবদ্ধ আছিলোঁ, ওলাই অহাৰ কোনো পথ নাছিল।" তেওঁ আৱেগিক হৈ কয় যে তেওঁৰ পত্নীৰ ভৰিত গুলী মাৰা হৈছিল আৰু এতিয়াও তেওঁ যন্ত্ৰণাত ভুগি আছে। আন এজন শ্ৰমিক কাছেমউদ্দিনে কয়, "প্ৰতিদিনেই আছিল অত্যাচাৰৰ দিন। মাৰপিট, ভয় দেখুৱাই কাম কৰিবলৈ বাধ্য কৰোৱা হৈছিল। পলায়নৰ কোনো সুযোগ নাছিল।" এগৰাকী মহিলা শ্ৰমিকে কয়, "আমাক উপযুক্ত খাদ্য বা বাসস্থান একোৱেই দিয়া নহ'ল। শাৰীৰিক আৰু মানসিকভাৱে সম্পূৰ্ণ ভাঙি পৰিছিলোঁ।" তেওঁলোকৰ অভিযোগ অনুসৰি মাতাল অৱস্থাত আহি ইটা ভাটাৰ মালিক আৰু কৰ্মচাৰীয়ে ছোৱালীকেইজনীক বলপূৰ্বক লৈ গৈছিল। প্ৰতিবাদ কৰিলে অমানৱীয় অত্যাচাৰ চলোৱা হৈছিল। ভয় দেখুৱাবলৈ মানুহক জেচিবিত ওলমাই ৰাখি বৈদ্যুতিক শ্ব'ক দিয়া হৈছিল বুলিও তেওঁলোকে জনায়। অভিযুক্ত ইটা ভাটাৰ মালিক এম ডি ওৱাইছ কাৰ্ণী ওৰফে চুন্না মুখিয়াক বিহাৰ আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে। উদ্ধাৰ অভিযান বিহাৰ আৰক্ষীৰ সহৰ্চা থানাৰ দলে পৰিচালনা কৰিছিল। উদ্ধাৰ হোৱা শ্ৰমিকসকলক সোমবাৰে ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত হস্তান্তৰ কৰা হয়। বিহাৰৰ শ্ৰম বিষয়া ৰবীন্দ্ৰ কুমাৰ শৰ্মাই কয়, "৪৭জন শ্ৰমিক তেওঁলোকৰ সন্তানসহ নিৰাপদে ধুবুৰীলৈ উভতি আহিছে। ৭ গৰাকী কিশোৰীক উদ্ধাৰ কৰি শিশুগৃহত ৰখা হৈছে। তেওঁলোকৰ সম্পূৰ্ণ যত্ন আৰু সুৰক্ষা নিশ্চিত কৰা হ'ব।" এই ঘটনাই সমগ্ৰ অসমতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ সুৰক্ষা আৰু কৰ্মসংস্থানৰ সুবিধা নিশ্চিত কৰাৰ প্ৰশ্নও উত্থাপন হৈছে।

# মুম্বাইৰ শিৱাজী পাৰ্ক

মুম্বাইৰ শিৱাজী পাৰ্ক শ্মশানত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। ৯২ বছৰ বয়সত পৰলোকপ্ৰাপ্ত শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনাবলৈ শোকাকুল গুণমুগ্ধ আৰু বিশিষ্ট ব্যক্তিসকলৰ বৃহৎ সমাৱেশ ঘটা পৰিলক্ষিত হয়। ত্ৰিৰংগাৰে আবৃত আশা ভোছলৰ নশ্বৰ দেহ মুম্বাই আৰক্ষীৰ পৰম্পৰাগত গান চেল্যুটৰ পিছত দাহ কৰা হয়। অনুৰাগী, ৰাজনৈতিক নেতা, চলচ্চিত্ৰ আৰু সংগীত জগতৰ প্ৰখ্যাত ব্যক্তিসকলে সুৰৰ ৰাণীগৰাকীক শেষ বিদায় জনাবলৈ একত্ৰিত হোৱাত সমগ্ৰ মুম্বাই চহৰখনে এক আৱেগপূৰ্ণ দিন প্ৰত্যক্ষ কৰে। তেওঁৰ অন্তিম সংস্কাৰ সম্পন্ন কৰে পুত্ৰ আনন্দ ভোছলে। গায়ক ছান আৰু সুদেশ ভোছলেয়ে সাংগীতিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিৱাজী পাৰ্কত বিকি কৌশল, আমিৰ খান, বিবেক অবেৰয়, পদ্মিনী কোলহাপুৰী, জেকী শ্ৰফ আৰু ৰণবীৰ সিংৰ দৰে তাৰকাসকলে পুষ্পাঞ্জলি অৰ্পণ কৰা দেখা যায়। চলচ্চিত্ৰ জগতৰ উপৰিও ৰাজনৈতিক মহলৰ জ্যেষ্ঠ নেতাসকলো উপস্থিত আছিল। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নৱিছ আৰু উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দেই অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰি প্ৰয়াত শিল্পীগৰাকীক পুষ্পাঞ্জলি নিবেদন কৰে। ইয়াৰ উপৰিও এন চি পি (এস চি পি)-ৰ সাংসদ সুপ্ৰিয়া চুলে, শিৱসেনা (ইউ বি টি)-ৰ মুৰব্বী উদ্ধৱ ঠাকৰে, ৰশ্মি ঠাকৰে আৰু আদিত্য ঠাকৰেয়েও উপস্থিত হৈ কণ্ঠশিল্পীগৰাকীক শ্ৰদ্ধা জনায়। অভিনেতা ৰিতেশ দেশমুখ আৰু প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা ৰাকেশ ৰোশনে তেওঁৰ বাসগৃহত উপস্থিত হৈ সমবেদনা প্ৰকাশ কৰে। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা আৰু ৰাজ্যিক মন্ত্ৰী মংগল প্ৰভাত লোধাইও শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। উল্লেখ্য যে, অন্ত্যেষ্টিক্ৰিয়াৰ পূৰ্বে আশা ভোছলৰ নশ্বৰ দেহ জনসাধাৰণৰ শ্ৰদ্ধাঞ্জলিৰ বাবে বাসগৃহত ৰখা হৈছিল। বাহিৰত গুণমুগ্ধৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছিল, য'ত বহুতে চকুলোৰে তেওঁক স্মৰণ কৰিছিল। ভাৰতীয় সংগীতৰ অন্যতম বহুমুখী কণ্ঠশিল্পী হিচাপে পৰিগণিত আশা ভোছলেৰ সংগীত ভাণ্ডাৰত শাস্ত্ৰীয় সংগীত, গজল, কেবাৰে গীত আৰু সমসাময়িক পপ সংগীত অন্তৰ্ভুক্ত আছিল। আটাইতকৈ বেছি ষ্টুডিঅ' ৰেকৰ্ডিং কৰাৰ বাবে তেওঁ গিনিজ ৱৰ্ল্ড ৰেকৰ্ড গঢ়িছে। ভগ্নী লতা মংগেশকাৰৰ সৈতে হিন্দী চলচ্চিত্ৰ সংগীতৰ সোণালী যুগ গঢ়ি তোলাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কম বয়সতে সংগীত যাত্ৰা আৰম্ভ কৰি তেওঁ এক অনন্য উত্তৰাধিকাৰ থৈ গৈছে যিয়ে প্ৰজন্মৰ পিছত প্ৰজন্মক মোহিত কৰি ৰাখিব। তেওঁৰ পৰলোকত সমগ্ৰ দেশৰ লগতে সংগীত আৰু চলচ্চিত্ৰ জগতত গভীৰ শোকৰ ছায়া পৰিছে। আশা ভোছলৰ কণ্ঠই হিন্দী চিনেমাৰ কেইবাটাও প্ৰজন্মক মোহিত কৰি ৰাখিছিল আৰু তেওঁৰ সৃষ্টি চিৰকাললৈকে ভাৰতীয় সংগীতৰ অবিচ্ছেদ্য অংশ হৈ ৰ'ব।

# পৱন খেড়াৰ অন্তৰ্বৰ্তীকালীন

বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে সম্পত্তি আৰু পাছপ'ৰ্ট সংক্ৰান্ত অভিযোগৰ গোচৰত তেলেংগানা উচ্চ ন্যায়ালয়ে দিয়া জামিনৰ নিৰ্দেশৰ বিৰুদ্ধে এই আৱেদন দাখিল কৰা হৈছে। অধিবক্তা শুভদ্বীপ ৰায়ৰ জৰিয়তে ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ত এই আৱেদন দাখিল কৰে। এই সপ্তাহৰ ভিতৰতে উচ্চতম ন্যায়ালয়ে গোচৰৰ শুনানি গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। খেড়াই ৭ এপ্ৰিলত হায়দৰাবাদত থকা ঘৰৰ ঠিকনা দি তেলেংগানা উচ্চ ন্যায়ালয়ত আৱেদন দাখিল কৰিছিল। ১০ এপ্ৰিলত তেলেংগানা উচ্চ ন্যায়ালয়ে তেওঁক এসপ্তাহৰ ট্ৰেনজিট এণ্টিচিপেটৰী জামিন প্ৰদান কৰি সংশ্লিষ্ট আদালতত আৱেদন দাখিল কৰিবলৈ এসপ্তাহৰ সময় দিয়ে। আদালতে কয় যে, গোচৰৰ গুৰুত্বৰ ওপৰত কোনো মতামত নিদি তেওঁলোকে বিশ্বাস কৰে যে আৱেদনকাৰীয়ে সীমিত ট্ৰেনজিট জামিনৰ বাবে আৱেদন কৰিছে, কিয়নো তেওঁৰ গ্ৰেপ্তাৰৰ আশংকা যুক্তিসংগত আৰু ৰেকৰ্ডত থকা তথ্যৰ দ্বাৰা সমৰ্থিত। তেলেংগানা উচ্চ ন্যায়ালয়ে কিছুমান চৰ্ত সাপেক্ষে খেড়াক সকাহ প্ৰদান কৰে। চৰ্তসমূহ হ'ল— গ্ৰেপ্তাৰৰ পিছত ১ লাখ টকাৰ ব্যক্তিগত বণ্ড আৰু একে পৰিমাণৰ দুজন জামিনদাতা দাখিল কৰিলে জামিনত মুকলি কৰা হ'ব। তদন্তকাৰী বিষয়াৰ প্ৰয়োজন হ'লে তেওঁ তদন্তত সহযোগিতা কৰিব লাগিব, সোধ-পোছাৰ বাবে হাজিৰ হ'ব লাগিব আৰু আদালতৰ পূৰ্ব অনুমতি অবিহনে দেশ এৰি নাযাব। লগতে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত অসমৰ যোগ্য ন্যায়িক আদালতৰ কাষ চাপি উপযুক্ত সকাহ বিচাৰিব লাগিব। আন এটা গুৰুত্বপূৰ্ণ চৰ্ত হৈছে যে, ৰাজহুৱা ব্যক্তি হোৱাৰ বাবে খেড়াই গোচৰৰ বিষয়বস্তু সম্পৰ্কত আৰু কোনো ৰাজহুৱা বক্তব্য নিদিব লাগিব, যিটোৱে তদন্তত ক্ষতি কৰিব পাৰে। উল্লেখ্য যে, ৫ এপ্ৰিলত পৱন খেড়াই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে তিনিখন দেশৰ সক্ৰিয় পাছপ'ৰ্ট আৰু বিদেশত সম্পত্তি থকাৰ চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পিছতে ৰিণিকি ভূঞা শৰ্মাই পাণবজাৰ আৰক্ষী থানাত খেড়াৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। এই ঘটনাৰ পিছৰে পৰা ৰাজ্যত ৰাজনৈতিক উত্তেজনা বৃদ্ধি পাইছে আৰু বিধানসভা নিৰ্বাচন ২০২৬ৰ পটভূমিত ইয়াৰ প্ৰভাৱ পৰিব পাৰে বুলি ৰাজনৈতিক মহলে চৰ্চা কৰিছে।

# দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী ড°

ভূঞা শৰ্মাৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ তদন্ত দাবী কৰিছে। ৰাহুল গান্ধীয়ে লিখিছে, "অসমৰ বৰ্তমান মুখ্যমন্ত্ৰীগৰাকী দেশৰ ভিতৰতে সৰ্বাধিক দুৰ্নীতিগ্ৰস্ত। তেওঁ আইনৰ আওতাৰ পৰা সাৰি নাযায়। ৰাজনৈতিক বিৰোধী আৰু সমালোচকসকলক হাৰাশাস্তি কৰিবলৈ ক্ষমতাৰ যি অপব্যৱহাৰ কৰিছে, সেয়া সংবিধানৰ বিৰোধী। উত্থাপিত প্ৰশ্নসমূহৰ তদন্ত কৰিব লাগিব। স্বচ্ছতা, ক্ষমতাৰ জবাবদিহিতা আৰু আইনৰ শাসন আমাৰ সাংবিধানিক মূল্যবোধৰ আধাৰ। কংগ্ৰেছ দল পৱন খেড়াৰ সৈতে থিয় দিছে। আমি ভয় নাখাওঁ।"এই প্ৰতিক্ৰিয়া আহিছে অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ পূৰ্বে পৱন খেড়াই উত্থাপন কৰা অভিযোগৰ পাছত। পৱন খেড়াই অভিযোগ কৰিছিল যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ হাতত তিনিখন পাছপ'ৰ্ট আছে আৰু দম্পতীটোৱে পুত্ৰৰ সৈতে আমেৰিকাত ৫২ হাজাৰ কোটি টকাৰ ব্যৱসায় চলাই আছে। মুখ্যমন্ত্ৰীয়ে এই অভিযোগসমূহ সম্পূৰ্ণ অস্বীকাৰ কৰিছে। অভিযোগৰ পিছতে ৰিণিকি ভূঞা শৰ্মাই পৱন খেড়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। তাৰ ভিত্তিত অসম আৰক্ষীয়ে নতুন দিল্লীত খেড়াৰ বাসগৃহত তালাচী অভিযান চলায়। বৰ্তমান খেড়াই অন্তৰ্বৰ্তীকালীন জামিন লাভ কৰিছে আৰু তেওঁক অসমৰ যোগ্য আদালতত উপস্থিত হৈ আইনী সকাহ বিচাৰিবলৈ কোৱা হৈছে। এই প্ৰসংগত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰি কৈছে যে তেওঁ আতংকিত হৈ পৰিছে। গগৈয়ে এএনআইৰ সৈতে হোৱা সাক্ষাৎকাৰত কয়, "মুখ্যমন্ত্ৰী সম্পূৰ্ণ আতংকিত। খবৰটো ইমান দ্ৰুতগতিত ভাইৰেল হ'ব বুলি তেওঁ ভবা নাছিল। যোৱা ৫-৬ দিন ধৰি তেওঁ তাল-ফাল কৰিছে। তেওঁৰ কথা আৰু কৰ্মত অস্বস্তি স্পষ্ট হৈ পৰিছে।" গগৈয়ে লগতে কয় যে কেৱল চিঞৰিলেই সঁচা-মিছা নহয় আৰু ক্ষমতাৰ বলত তথ্যক সাধুকথালৈ ৰূপান্তৰ কৰিব নোৱাৰি। অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ আগমুহূৰ্তত এই অভিযোগ আৰু প্ৰতি-অভিযোগে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি তুলিছে। কংগ্ৰেছে দাবী কৰিছে যে মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক ক্ষমতাৰ অপব্যৱহাৰ কৰি বিৰোধীসকলক হাৰাশাস্তি কৰিছে, যিটো সংবিধান বিৰোধী। আনহাতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অভিযোগসমূহক ভুৱা আৰু ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি খণ্ডন কৰিছে আৰু আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্ট কৰিছে। অসম চৰকাৰে পৱন খেড়াৰ অন্তৰ্বৰ্তীকালীন জামিনক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত আবেদন কৰিছে। আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে আৰু সম্পৰ্কিত সকলো দিশ পৰীক্ষা কৰি আছে। এই ঘটনাই ৰাজ্যৰ ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিছে আৰু বিধানসভা নিৰ্বাচনৰ আগতে দুটা পক্ষৰ মাজত তীব্ৰ বাক্যবিনিময় অব্যাহত আছে। কংগ্ৰেছে স্বচ্ছতা আৰু জবাবদিহিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলেও বিজেপি চৰকাৰে এই অভিযোগসমূহক নিৰ্বাচনী ৰাজনীতিৰ অংশ বুলি অভিহিত কৰিছে।

# অভিলেখ সংখ্যক ভোটদান

প্ৰাৰ্থীৰ সৈতে এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। সভাৰ অন্তত দলৰ সভাপতি অখিল গগৈয়ে সংবাদমেল সম্বোধন কৰি কয় যে, এইবাৰ অসমত সৰ্বাধিক ভোটদানৰ হাৰে প্ৰমাণ কৰিছে যে ৰাইজে সাম্প্ৰদায়িক আৰু ফেচিষ্ট বিজেপি চৰকাৰৰ পৰা, বিশেষকৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শাসনৰ পৰা ৰক্ষা পাবৰ বাবে ভোট দিছে। কাজিৰঙাৰ কহঁৰাৰ বৰগছ ৰিজ'ৰ্টত সন্ধিয়া অনুষ্ঠিত সংবাদমেলত অখিল গগৈয়ে কয়, "৮৫ শতাংশতকৈ অধিক ভোটদান হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ ঘটনা। এই ভোটদান চৰকাৰ পৰিবৰ্তনৰ ভোট, বিজেপিক খেদোৱাৰ ভোট আৰু অসমৰ মানুহক বিজেপিৰ পৰা ৰক্ষা কৰাৰ ভোট হিচাপে পৰিগণিত হৈছে।" তেওঁ লগতে কয় যে, বিৰোধী দলসমূহক ভোট দিয়াৰ বাবে অসমবাসীক আন্তৰিক ধন্যবাদ জনাইছে। একে সময়তে ৰাইজৰ দলৰ ১৩ গৰাকী প্ৰাৰ্থীকো ভোটদান কৰাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। গগৈয়ে তীব্ৰ ভাষাত বিজেপি চৰকাৰক সমালোচনা কৰি কয়, "এইবাৰ অসমৰ ৰাইজে বিজেপিক পানী খুৱাই দিলে। কোন জয়ী হয় বা কোনে চৰকাৰ গঠন কৰে তাতকৈও গুৰুত্বপূৰ্ণ কথা হ'ল যে হিমন্ত বিশ্ব শৰ্মাই জোলোকা-জোলোকে পানী খাবলৈ বাধ্য হ'ল। যিদিনা হিমন্ত বিশ্ব শৰ্মাই নিজৰ মূৰৰ চুলি ফালি পত্নীৰ শিৰত সেন্দূৰ আছে নে নাই দেখুৱাবলগীয়া পৰিস্থিতি হ'ব, সেইদিনাই উগ্ৰ সাম্প্ৰদায়িক, ফেচিষ্ট, মদগৰ্বী আৰু অহংকাৰী শাসক হিমন্ত বিশ্ব শৰ্মাৰ প্ৰথমবাৰৰ বাবে অসমীয়া জাতিৰ ওচৰত পৰাজয় হ'ল। গতিকে ২০২৬ চনৰ নিৰ্বাচন এটা ঐতিহাসিক নিৰ্বাচন, যিয়ে হিমন্ত বিশ্ব শৰ্মাক প্ৰকৃত শিক্ষা দিলে।" তেওঁ আৰু কয় যে, "এইবাৰৰ নিৰ্বাচনৰ ঢৌ বিৰোধীৰ পক্ষত আছিল আৰু এয়া প্ৰতিষ্ঠান বিৰোধী নিৰ্বাচন আছিল।" যদি বিৰোধী দলে জিকিব নোৱাৰে তেন্তে সেয়া বিৰোধী দলৰ দুৰ্বলতা বুলি মন্তব্য কৰে গগৈয়ে। সংবাদমেলত অখিল গগৈয়ে বিজেপিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ তুলি কয় যে, ২০২৬ চনৰ নিৰ্বাচনৰ লক্ষ্যৰে বিজেপিয়ে ডিলিমিটেশ্যন কৰি সমষ্টিসমূহ নিজৰ অনুকূলে ভাগ কৰিছে, স্পেচিয়েল ৰিভিজনৰ জৰিয়তে বহু লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰিছে আৰু অন্যায়ভাৱে বহু লোকৰ নাম ভৰাই দিছে। লগতে সকলো সমষ্টিতে ৰিগিং কৰা, ইভিএম টেম্পাৰিঙৰ চেষ্টা চলোৱা আৰু প্ৰশাসনক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ অভিযোগ তুলে। তেওঁ লগতে অভিযোগ কৰে যে, বিজেপিয়ে এই নিৰ্বাচনত পানীৰ দৰে টকা খৰচ কৰিছে। অখিল গগৈৰ বিৰুদ্ধে এককভাৱে ৩০ কোটি টকা খৰচ কৰা হৈছে বুলিও উল্লেখ কৰি কয় যে, তথাপি শিৱসাগৰত ৰাইজৰ দলৰ প্ৰাৰ্থীয়ে জয়ী হ'ব। ৰাইজৰ দলৰ ১৩ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত ভাল যুঁজ দিছে বুলি তেওঁ সন্তোষ প্ৰকাশ কৰে। ভৱিষ্যত পৰিকল্পনাৰ কথা উল্লেখ কৰি গগৈয়ে কয়, "যদি আমাৰ চৰকাৰ গঠন হয় তেন্তে অসমক ১২ মাহে খেতি কৰিব পৰা ৰাজ্যত পৰিণত কৰিম, প্ৰতিখন গাঁৱত উদ্যোগ স্থাপন কৰি সকলো নাগৰিকক ৰোজগাৰ দিম আৰু প্ৰত্যেক অসমীয়াক পেছাদাৰী হিচাপে গঢ়ি তুলিম।" আনহাতে, ১৭ এপ্ৰিলত ৰাজ্যৰ ১২৬টা সমষ্টিৰ প্ৰতিটো বিৰোধী দলৰ প্ৰাৰ্থী গুৱাহাটীত একত্ৰিত হ'ব বুলিও অখিল গগৈয়ে জানিবলৈ দিয়ে।

# মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় মহিলা আয়োগত অভিযোগ

প্ৰাৰ্থী কুংকি চৌধুৰীৰ মাতৃ সুজাতা গুৰুং চৌধুৰীয়ে। বিগত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সুজাতা গুৰুং চৌধুৰীৰ বিৰুদ্ধে কেইবাটাও বিতৰ্কিত আৰু মানহানিকৰ মন্তব্য কৰিছিল বুলি অভিযোগ উত্থাপন কৰা হৈছে। সুজাতা গুৰুং চৌধুৰীয়ে অভিযোগ পত্ৰত উল্লেখ কৰিছে যে, মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা নিৰ্বাচনী প্ৰচাৰত সংবাদ মাধ্যমৰ সন্মুখত তেওঁৰ বিৰুদ্ধে ভুৱা অভিযোগ উত্থাপন কৰিছিল। মুখ্যমন্ত্ৰীয়ে কৈছিল বুলি উল্লেখ কৰা হৈছে যে— সুজাতা গুৰুং চৌধুৰীয়ে সামাজিক মাধ্যমত গো-মাংস ভক্ষণৰ ফটো পোষ্ট কৰিছে, সনাতনী লোকসকলৰ অনুভূতিত আঘাত কৰিছে, পাকিস্তানৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছে আৰু দেশবিৰোধী লোকসকলক সমৰ্থন কৰিছে। অভিযোগকাৰী সুজাতা গুৰুং চৌধুৰীয়ে এই মন্তব্যসমূহক সম্পূৰ্ণ ভুৱা, ভিত্তিহীন আৰু উদ্দেশ্যপ্ৰণোদিত বুলি অভিহিত কৰিছে। তেওঁ কৈছে যে, এই মন্তব্যৰ উদ্দেশ্য আছিল তেওঁক ব্যক্তিগতভাৱে অপমান কৰা আৰু ৰাজনৈতিকভাৱে তেওঁৰ কন্যা কুংকি চৌধুৰীক লক্ষ্য কৰা। অভিযোগ পত্ৰত সুজাতা গুৰুং চৌধুৰীয়ে আৰু উল্লেখ কৰিছে যে, মুখ্যমন্ত্ৰীৰ এই মন্তব্যৰ ফলত তেওঁ অনলাইনত হাৰাশাস্তিৰ সন্মুখীন হৈছে। ইয়াৰ বাবে তেওঁ আৰু তেওঁৰ পৰিয়াল, বিশেষকৈ নাবালক সন্তানসকলে গভীৰ মানসিক চাপ আৰু যন্ত্ৰণা ভোগ কৰিছে। এই পটভূমিত সুজাতা গুৰুং চৌধুৰীয়ে ৰাষ্ট্ৰীয় মহিলা আয়োগৰ পৰা তদন্ত আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# সংসদৰ বিশেষ অধিৱেশনক

প্ৰকৃত উদ্দেশ্য নহয়, বৰঞ্চ ৰাজনৈতিক সুবিধা আহৰণ কৰাই মূল লক্ষ্য। বৃহস্পতিবাৰৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বিশেষ অধিৱেশনত নাৰী শক্তি বন্দন অধিনিয়ম (মহিলা সবলীকৰণ আইন) সংশোধনী বিধেয়ক উত্থাপন কৰা হ'ব। এই পটভূমিত ছোনিয়া গান্ধীয়ে কয়, "চৰকাৰে লোৱা পদক্ষেপৰ প্ৰকৃত বিষয়টো মহিলা সংৰক্ষণ নহয়।" তেওঁ লগতে কয় যে, লোকসভাত আসনৰ সংখ্যা বৃদ্ধি আৰু সমষ্টি সীমা নিৰ্ধাৰণ কেৱল গাণিতিক বিষয় নহয়, ইয়াক ৰাজনৈতিকভাৱে সমতাপূৰ্ণ কৰাটো অতি জৰুৰী। ছোনিয়া গান্ধীয়ে অভিযোগ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মূল উদ্দেশ্য হৈছে জাতিগত লোকপিয়লক আৰু অধিক বিলম্বিত কৰা। তামিলনাডু আৰু পশ্চিমবংগৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত বিৰোধীক অসুবিধাত পেলোৱাৰ বাবেই চৰকাৰে এই বিশেষ অধিৱেশন আহ্বান কৰিছে বুলি তেওঁ মন্তব্য কৰে। ছোনিয়া গান্ধীয়ে কয়, "ততাতৈয়াকৈ অধিৱেশন আহ্বান কৰাৰ একমাত্ৰ কাৰণ হ'ব পাৰে ৰাজনৈতিক সুবিধা আহৰণ আৰু বিৰোধীক বিপাঙত পেলোৱা।" তেওঁ উল্লেখ কৰে যে ২০২৩ চনৰ ছেপ্টেম্বৰ মাহত সৰ্বসন্মতিক্ৰমে নাৰী শক্তি বন্দন অধিনিয়ম, ২০২৩ গৃহীত হৈছিল। এই আইনখনে সংবিধানৰ ৩৩৪(এ) অনুচ্ছেদ প্ৰৱৰ্তন কৰিছে, যি লোকপিয়ল আৰু লোকপিয়ল ভিত্তিক সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতহে কাৰ্যকৰী হ'ব। তেওঁ আৰু কয়, "ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ পৰাই এই সংৰক্ষণ ব্যৱস্থা তৎকালে কাৰ্যকৰী কৰিবলৈ দাবী জনাই আহিছে। কিন্তু চৰকাৰে সেই দাবীত সন্মতি প্ৰকাশ কৰা নাছিল। এতিয়া হঠাতে ৩৩৪(এ) অনুচ্ছেদ সংশোধন কৰি ২০২৯ চনৰ পৰা মহিলা আসন সংৰক্ষণ কাৰ্যকৰী কৰাৰ কথা কোৱা হৈছে। কিয় ৩০ মাহ সময় লাগিল প্ৰধানমন্ত্ৰীয়ে ইউ-টাৰ্ণ ল'বলৈ ? বিশেষ অধিৱেশন আহ্বান কৰিবলৈ তেওঁ কেইসপ্তাহমান অপেক্ষা কিয় কৰিব নোৱাৰিলে ?" ছোনিয়া গান্ধীয়ে অভিযোগ কৰে যে বিৰোধী দলৰ নেতাসকলে চৰকাৰলৈ এবাৰ নহয়, তিনিবাৰকৈ পত্ৰ লিখিছিল। ২৯ এপ্ৰিলত পশ্চিমবংগত অন্তিম পৰ্যায়ৰ নিৰ্বাচন শেষ হোৱাৰ পিছত সৰ্বদলীয় বৈঠক আহ্বান কৰিবলৈ অনুৰোধ জনোৱা হৈছিল, কিন্তু চৰকাৰে সেই অনুৰোধ গ্ৰহণ কৰা নাছিল। লোকপিয়লৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয় যে, ২০২১ চনত হ'বলগীয়া লোকপিয়ল মোদী চৰকাৰে পিছুৱাই দিছে। ফলত প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত ১০ কোটিৰো অধিক লোকক আইনী প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হৈছে। প্ৰায় এবছৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ২০২৭ চনত লোকপিয়লৰ লগতে জাতিগত লোকপিয়ল হ'ব বুলি ঘোষণা কৰিছিল আৰু উচ্চতম ন্যায়ালয়ত শপতনামাও দাখিল কৰিছিল। তেওঁ লগতে কয়, "জাতিগত লোকপিয়লে ২০২৭ চনৰ লোকপিয়ল প্ৰকাশত পলম কৰিব বুলি কৰা অপপ্ৰচাৰ সম্পূৰ্ণ মিছা। প্ৰধানমন্ত্ৰীৰ প্ৰকৃত উদ্দেশ্য হৈছে জাতিগত লোকপিয়লক আৰু অধিক বিলম্বিত কৰা।" বিহাৰ আৰু তেলেংগানাই নিজ নিজ ৰাজ্যত জাতিগত জৰীপ চলাই ছমাহতকৈও কম সময় লৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে, জাতিগত লোকপিয়লে সামাজিক ন্যায় আৰু সবলীকৰণক অধিক অৰ্থ প্ৰদান কৰিব। ছোনিয়া গান্ধীয়ে আৰু কয় যে, যিকোনো সমষ্টি সীমা নিৰ্ধাৰণৰ পূৰ্বে লোকপিয়লৰ অনুশীলন হ'ব লাগিব। লোকসভাৰ আসন বৃদ্ধিৰ সৈতে জড়িত সীমা নিৰ্ধাৰণ কেৱল গাণিতিক নহয়, ৰাজনৈতিকভাৱে ন্যায়সংগত হ'ব লাগিব। পৰিয়াল পৰিকল্পনাৰ ক্ষেত্ৰত অগ্ৰণী ৰাজ্য আৰু সৰু ৰাজ্যসমূহক যাতে কোনো ধৰণৰ অসুবিধা নহয়, তাৰ ব্যৱস্থা কৰাটো জৰুৰী। এতিয়ালৈকে চৰকাৰে বিশেষ অধিৱেশনত কি বিবেচনা কৰিব বিচাৰে সেই সন্দৰ্ভত সাংসদসকলৰ সৈতে কোনো আনুষ্ঠানিক প্ৰস্তাৱ দেখা নাই বুলিও তেওঁ অভিযোগ কৰে।

# শেখৰজ্যোতি-অমৃতপ্ৰভাক

কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে গঠন কৰা এজনীয়া তদন্ত সমিতিয়ে অভিযুক্ত দুজনক জেৰা আৰম্ভ কৰিছে। উচ্চ ন্যায়ালয়ে ঘটনাৰ দ্ৰুত তদন্তৰ বাবে এখন দ্ৰুত বিচাৰ আদালত গঠন কৰাৰ লগতে ন্যায়াধীশ সুমিত্ৰা শইকীয়াৰ নেতৃত্বত এজনীয়া তদন্ত সমিতি স্থাপন কৰিছে। এই সমিতিয়ে ঘটনাৰ মূল অভিযুক্ত শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক জেৰা কৰিবলৈ আৰম্ভ কৰিছে। বৰ্তমান দুজনেই দিমা হাসাও জিলাৰ হাফলঙ উপ-কাৰাগাৰত ন্যায়িক জিম্মাত বন্দী হৈ আছে। দেওবাৰে সমিতিৰ সদস্যসকল হাফলঙত উপস্থিত হৈ চাৰ্কিট হাউচত থাকি তদন্ত আৰম্ভ কৰে। সোমবাৰে কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল পল্লৱী কাকতি আৰু ভাস্কৰ শৰ্মা, কামৰূপ মেট্ৰ'আদালতৰ অতিৰিক্ত ৰাজহুৱা অভিযোজক সমুদ্ৰগুপ্ত দত্ত আৰু অসম সচিবালয়ৰ ষ্টেনোগ্ৰাফাৰ প্ৰিয় ৰঞ্জন সিং হাফলঙ উপ-কাৰাগাৰলৈ গৈ অভিযুক্ত দুজনক জেৰা কৰে। সমিতিৰ সচিব অনুপ পাঠকো জেৰাৰ সময়ত উপস্থিত আছিল। ন্যায়াধীশ সুমিত্ৰা শইকীয়াই দিমা হাসাও জিলা প্ৰশাসনক তদন্ত প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। তদন্তৰ সময়ত সম্পূৰ্ণ প্ৰক্ৰিয়া ভিডিঅ' ৰেকৰ্ডিং কৰাৰ নিৰ্দেশও দিয়া হৈছে। জানিব পৰা মতে, এই জেৰা প্ৰক্ৰিয়া ১৭ এপ্ৰিললৈকে চলি থাকিব বুলি আশা কৰা হৈছে। অৱশ্যে জেৰাত কি ধৰণৰ প্ৰশ্ন কৰা হৈছে বা অভিযুক্তসকলে কি বক্তব্য দিছে সেই বিষয়ে কোনো তথ্য এতিয়াও প্ৰকাশ কৰা হোৱা নাই। উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ পিছত আৰক্ষীয়ে শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক গ্ৰেপ্তাৰ কৰিছিল। ২০২৫ চনৰ ১৭ অক্টোবৰৰ পৰা তেওঁলোক হাফলঙ উপ-কাৰাগাৰত ন্যায়িক জিম্মাত আছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে গঠন কৰা এই এজনীয়া তদন্ত সমিতিৰ কাম-কাজে জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উদঘাটনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। সমগ্ৰ ৰাজ্যৰ সংগীতপ্ৰেমী আৰু জুবিন গাৰ্গৰ অনুৰাগীসকলে এই তদন্তৰ ফলাফলৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষিত হৈ আছে।

# গুলীৰ শব্দ নহয়, ফটকাৰ

পাইছে যে নিশাৰ শব্দটো আচলতে দুটা ফটকা (স্কাই শ্বট) ফুটোৱাৰ শব্দ আছিল। সোমবাৰে নিশা পৰেশ বৰুৱাৰ পৰিয়ালৰ লোকে গুলীচালনা হোৱা বুলি অভিযোগ কৰাৰ লগে লগে স্থানীয় আৰক্ষী মহলে উত্তেজনাৰ সৃষ্টি হয়। পুৱা পৰেশ বৰুৱাৰ বাসগৃহত আৰক্ষীৰ এটা দল উপস্থিত হৈ তন্ন তন্নকৈ তদন্ত চলায়। চিচি টিভি ফুটেজ পৰীক্ষা কৰাৰ লগতে পৰিয়ালৰ লোক আৰু নিৰাপত্তাৰক্ষীসকলক সোধাপোছ কৰা হয়। ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অতুল কুমাৰে সংবাদমেল যোগে ঘটনাৰ ৰহস্য ফাদিল কৰি কয়, "আমি অনুসন্ধান কৰি দেখিছোঁ যে কেইজনমান ডেকা ল'ৰাই পৰেশ বৰুৱাৰ ঘৰৰ পৰা প্ৰায় ১৫০ মিটাৰ দূৰত থকা নিজৰ ঘৰত জন্মদিন উদযাপন কৰি দুটা ফটকা ফুটাইছিল। সময় আছিল ৰাতি ১২: ০৪ আৰু ১২: ০৫ বাজি। তেওঁলোকে ফটকা ফুটোৱাৰ ভিডিঅ'ও ৰেকৰ্ড কৰিছিল। পৰিয়ালৰ লোকে এই ফটকাৰ শব্দকে গুলীচালনাৰ শব্দ বুলি ভাবি অভিযোগ কৰিছিল।" আৰক্ষী বিষয়াগৰাকীয়ে লগতে কয় যে পৰেশ বৰুৱাৰ ঘৰৰ চিচি টিভি ফুটেজত স্কাই শ্বট ফুটোৱাৰ শব্দ আৰু ফ্লেছৰ পোহৰৰ সৈতে মিল পোৱা গৈছে। গুলীচালনাৰ কোনো প্ৰমাণ পোৱা নগ'ল। পৰেশ বৰুৱাৰ পৰিয়ালৰ লোকে প্ৰথমে গুলীচালনা হোৱা বুলি দাবী কৰিলেও আৰক্ষীৰ তদন্তৰ পাছত ঘটনাটো ফটকা ফুটোৱাৰ বুলি প্ৰতিপন্ন হৈছে। আৰক্ষীয়ে ঘটনাস্থলত উপস্থিত হৈ সকলো দিশ পৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হৈছে। অতিৰিক্ত আৰক্ষী অধীক্ষক অতুল কুমাৰে স্পষ্ট কৰি কয় যে কোনো দুৰ্বৃত্তই গুলী চলোৱা নাছিল আৰু সমগ্ৰ ঘটনাটো আছিল এক ভুল বুজাবুজিৰ ফলত। তেওঁ লগতে কয় যে আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে আৰু প্ৰয়োজন অনুসৰি আন কোনো দিশো পৰীক্ষা কৰা হ'ব। নিশা চাবুৱাৰ জেৰাইগাঁৱত এই ঘটনা সংঘটিত হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে স্থানীয় লোকসকলৰ মাজত উত্তেজনা দেখা গৈছিল। পৰেশ বৰুৱাৰ ঘৰত নিৰাপত্তাৰক্ষী থকাৰ বাবে ঘটনাটোক অধিক গুৰুত্ব দিয়া হৈছিল। কিন্তু আৰক্ষীৰ বিস্তৃত তদন্তৰ পাছত গুলীচালনাৰ অভিযোগ সম্পূৰ্ণ নস্যাৎ হৈছে। এই ঘটনাই একেবাৰে ভুল বুজাবুজিৰ ফলত সৃষ্টি হোৱা উত্তেজনাৰ উদাহৰণ হিচাপে পৰিগণিত হৈছে। আৰক্ষীয়ে সকলোকে সতৰ্ক থাকিবলৈ আহ্বান জনাইছে যাতে এনে ধৰণৰ ভুল খবৰে সমাজত অশান্তিৰ সৃষ্টি নকৰে।

# গৰু বিহু, কৃষকৰ উৎসৱ

প্ৰমোদ দোৰনীয়া

'মান দেশত আছিলে মান চৰাই এযুৰি আছিলে নৰীয়াত পৰি, যেতিয়া শুনিলে বিহুৰে বতৰা আহিলে কাছুটি এৰি।।' — হয়, বিহু বুলিলে প্ৰতিজন অসমীয়াৰ মন উৰুলিকিত। ঢোল, পেপাৰ মাত শুনিলেই ককালৰ কাছুটি এৰি ঢপলিয়াই আহে, বিহুলৈ বুলি।

বুৰঞ্জীয়ে কয় বোলে অসম হেনো প্ৰবৰ্জনৰ দেশ। বিশ্বৰ পূব-পশ্চিম, উত্তৰ-দক্ষিণ কেউ দিশৰ পৰা অঘৰী মানুহৰ দল বিভিন্ন সময়ত আহি এই ভূ-খণ্ডত সোমাই স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে। সেই সময়ত কিন্তু এই ঠাইখণ্ডৰ নাম অসম নাছিল আৰু ইয়াত বসবাস কৰা মানুহখিনিকো অসমীয়া বুলি জনা হোৱা নাছিল। সময়ত বিভিন্ন দিশৰ পৰা ঘূৰি-পকি অহা জাতি-জনগোষ্ঠী তথা নৃ-গোষ্ঠীয় লোকৰ মিলন, সন্মিলন আৰু সংমিশ্ৰনৰ ফলত গঢ় লৈ উঠিল বৃহত্তৰ অসমীয়া জাতি, অসমীয়া কৃষ্টি আৰু অসমীয়া সংস্কৃতি আৰু অসমীয়া জাতি লগতে এই মানুহখিনিয়ে বাস কৰা ঠাইখণ্ডয়ো নাম পালে অসম অৰ্থাৎ অসমান। সেয়েহে, বিজ্ঞজনে কয় বোলে— অসমীয়া কৃষ্টি-সংস্কৃতিৰ আদি পৰ্বটোৱেই হ'ল মিশ্ৰণ আৰু সংমিশ্ৰিণত গঢ়লৈ উঠা সংস্কৃতি। গতিকে,অসমীয়া সংস্কৃতিত বিভিন্ন সময়ত বিভিন্ন পৰিৱেশ-পৰিস্থিতিত বিভিন্ন মূলৰ জাতি-জনগোষ্ঠীয় মৌলিক উপাদান বিলাকৰ কিছু কিছু অংশৰ এনেকৈ মিশ্ৰন ঘটিল যে তাক পৃথকীকৰণ এক্কেবাৰেই অসম্ভৱ হৈ পৰিল। সেই কাৰণেই হয়তো, পণ্ডিতসকলে অসমৰ সংস্কৃতিক বাৰেৰহণীয়া সংস্কৃতি বুলি কৈ গৈছে আৰু কৈ আছে আৰু আনাগত দিনবিলাকতো কৈ থাকিব।

অসমীয়া মানুহ, অসমীয়া জাতি যেনেকৈ বহুত জাতি-জনগোষ্ঠীৰ মানুহৰ সংমিশ্ৰনৰ ফল, ঠিক তেনেকৈয়ে অসমীয়াৰ স্বাভিমান, জাতীয় পৰিচয় বিহুটিও এই জাতি-জনগোষ্ঠী বিলাকৰ সমূহীয় কৃষ্টি-সংস্কৃতিৰ সংমিশ্ৰনৰ ফল। সেয়েহে, বিহুত বিভিন্ন ৰূপত সদৌটি অসমবাসীৰ আবেগ, অনুভূতি জড়িত হৈ থকাৰ সম্ভেদ পোৱা যায়। চমুতে ক'বলৈ গ'লে- অসমীয়া জাতি, অসমীয়া সংস্কৃতিৰ ক্ৰমবিকাশ বহুসংস্কৃতিৰ উদাৰতা নিৰ্ভৰশীল আৰু ইয়াৰ ভৱিষ্যতৰ প্ৰচাৰ, প্ৰসাৰো নিৰ্ভৰ কৰিব ইয়াৰ উদাৰতা আৰু নিৰপেক্ষতাৰ ওপৰতেই।

অসমীয়াৰ হিয়াৰ আমঠু বিহু তিনিটা। ইয়াৰে প্ৰথমটো হ'ল ব'হাগ বিহু বা ৰঙালীবিহু। দ্বিতীয়টো বিহু হ'ল— কাতি বিহু বা কঙালী বিহু আৰু তৃতীয় বা শেষৰটো বিহু হ'ল— মাঘবিহু বা ভোগালী বিহু। এই কেওটা বিহুৰ বিষয়ে প্ৰতিজন অসমীয়াই জানে । গতিকে, আজি এই বকলাৰ মূলতে হ'ল মোৰ একান্ত ব্যক্তিগত অনুভৱত, এজন চহা কৃষকৰ দৃষ্টিত বা অনুভৱত গৰুবিহু মানেনো কি সেই বিষয়েহে বিশ্লেষণ কৰি চোৱাৰ।

গৰু হ'ল খেহৰজীয়া চহা অসমীয়া কৃষকৰ প্ৰাণ। কথাতেই নকয় জানো বোলে— 'যাৰ নাই গৰু সি সবাতোকৈ সৰু। আকৌ, যাৰ নাই বাঁহ তাৰ নাই সাহ।' গতিকে, গৰু বিহু হ'ল তাৰেই প্ৰমাণ।

চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনা অসমীয়া কৃষকে গৰুবিহু মানে। আজিকালি অৱশ্যে কৃষক-অকৃষক বুলি কথা নাই, প্ৰতিজন অসমবাসী তথা অসমীয়াই গৰুবিহু মানে, তেহেলে ঘৰত গৰু-গাই থাককেই বা নাথাকক। এইয়া হ'ল পূৰ্বাপৰ চলি অহা নিয়ম, পৰম্পৰা।

গৰু বিহুৰ বিষয়ে ক'বলৈ যোৱাৰ আগতে ক'ব লাগিব যে— অসম এখন কৃষি প্ৰধান ৰাজ্য। অতীজৰে পৰা ইয়াৰ এশজন মানুহৰ ভিতৰত সত্তৰৰ পৰা আশিজন মানুহেই কৃষি নিৰ্ভৰ। কৃষি কৰ্মৰ প্ৰধান আহিলা গৰু হাল। (বৰ্তমান অৱশ্যে নহয়)। তাহানি, আন নহ'লেও প্ৰতিঘৰ অসমীয়া মানুহৰ ঘৰত হালোৱা(বলধ) গৰু নহ'লেও এজনী গাই গৰু আছিল। গৰুৱে আমাক পেটৰ ভাতমুঠি আৰু গাখীৰ দিয়ে। সেইয়ে অসমীয়া মানুহে গৰুক নিজৰ আই বা মাকৰ নিচিনাকৈপুজা কৰে, উচ্চ স্থান দিয়ে। গতিকে, ব'হাগ বিহুৰ সাতোটাদিনৰ প্ৰথম দিনটোক গৰুক পুজা কৰিবৰ কাৰণে গৰুবিহু হিচাপে পূৰ্বাপৰ মানি আহিছে।

গৰু বিহুৰ দিনা পুৱাতে গৰুক গা-পা ধুৱাই, গধুলি গৰুক পিঠা-পনা খুৱাই গোহালীত বান্ধিবৰ সময়ত ডিঙিত তৰাৰ নতুন পঘা দি, গৰুক মহে-ডাঁহে নেখাবৰ বাবে বিভিন্ন পাত-পতুৱা, খেৰ-কুটাৰে জুই জ্বলায় ধোঁৱা (জাক বা জাগ) দি, গৰুক সেৱা-পুজা কৰি আগন্তুক কৃষিকৰ্মলৈ বুলি ককালত গামোচা (টঙালী) বান্ধি সাজু হয়। গৰুবিহুৰ দিনা গৰুক বিভিন্ন নৈ, নিজৰা, পথাৰ, পুখুৰীৰ পানীত নমাই, পানী চতিয়াই গা-ধুৱাবৰ বেলিকা গোৱা মূল-মন্ত্ৰ ফাকি হ'ল— 'লাউ খা বেঙেনা খা বছৰে বছৰে বাঢ়ি যা, মাৰ সৰু বাপেৰ সৰু তই হ'বি বৰ গৰু।' আকৌ 'দীঘলতি দীঘলপাত মাখি মাৰোঁ জাত জাত(জাক জাক), মাৰ সৰু বাপেৰ সৰু তই হ'বি বৰ গৰু।' সৰু হওক বা ডাঙৰেই হওক প্ৰতিজন অসমীয়াৰ কণ্ঠত এই মন্ত্ৰ ফাকি আছে।

গৰু বিহুৰ দিনা গৰুক অসমীয়া মানুহে এচাৰিৰে নোকোবাই, দীঘলতী, মাখিয়তি আৰু সাজি নিয়া চাকৰ পৰা লাউৰ চকল, বেঙেনাৰ চকল, বৰথেকেৰাৰ চকল, হালধিৰ চকল আদিৰেহে দলিয়াই- চপৰীয়াই গৰু খেদে।



গৰুক গা ধুউৱাৰ সময়কন বৰ ভাল লাগে । কাৰণ, গৰখীয়াসকলে গৰুক গা ধুউৱাৰ সময়ত গৰুৰ লগতে মনে মিলা লগৰীয়াজনৰ লগতো পানী চতিয়াই, লাউ, বেঙেনা, থেকেৰাৰ চকল দলিয়াই ফুৰ্তি-তামাচা কৰে।তাৰ পিছত, এজনে আনজনৰ লগত নিজৰ চাত সলনা-সলনি কৰি আনি নিজৰ গোহালী ঘৰৰ চালত গোজমাৰি থয়। এনে কৰিলে বোলে বছৰটোলৈ গৰু-ম'হৰ অসুখ-বিসুখ নহয়। এইয়া হ'ল লোকবিশ্বাস। চাতৰ হালধি বা লাউ, বেঙেনা, থেকেৰা চোবাই খালে বোলে গৰু ম'হৰতো কথাই নাই; মানুহৰ গাতো খহু-খজুৰতি নহয় বুলি লোক বিশ্বাস আছে। অৱশ্যে, এটা কথা ঠিক গৰুবিহুৰ দিনা সন্ধিয়া গৰু-গাইক পুজা-সেৱা কৰাৰ অন্তত চাহ-জলপান এমুঠি খাইলৈ গাটো পাতল কৰিবৰ বাবে গৃস্থই এপাক নচা নিয়মটো পূৰ্বাপৰ চলি আহিছে আৰু অনাগত দিনলৈকো চলি থাকিব বুলি মোৰ বিশ্বাস। গতিকে, এইবাৰ বিহুতো চহা সকলে বিহু বুলি মনৰ উলাহতে গাব বোলে— 'ধিন দাওঁ বগলী নাঙলে যুঁৱলি তুবুকী লতাৰে জোত, বিহু বিহু বুলি ভাবি চিন্তি থাকোঁতে ই ঢোলে গিৰগিৰালে নাচনী ঐ পেটতো নেলাগে ভোক।'

এইখিনিতে এটা কথা কৈ থওঁ যে— বিহু পৰিৱেশ নিৰ্ভৰ লোক কলা, লোক কৃষ্টি। সেই কাৰণে এখন ঠাইৰ বিহুৰ নীতি-নিয়ম আন এখন ঠাইৰ লগত নিমিলে বা মিলিব নোৱাৰে। আৰু যদিহে কেনেবাকৈ মিলে সি এক্কেবাৰে কাকতালীয় আৰু দৈৱ সংযোগহে বুলিব লাগিব।

ঠাই বিশেষে গৰুবিহুৰ দিনা দুপৰীয়া গাঁৱৰ ৰাইজ নামঘৰত গোট-পিত খাই নেদেখাজনৰ নামত, বুঢ়াডাঙৰীয়াৰ নামত এক আধ্যায় কীৰ্তন পাঠ বা ভাগৱত পাঠ কৰি মাহ-প্ৰসাদ এমুঠি আগবঢ়োৱাতো পূৰ্বাপৰ নিয়ম। কিছুমান ঠাইত আকৌ এই কাম মানুহ বিহুৰ দিনা কৰে। আৰু তাৰ পিছত গাঁৱৰ নামঘৰতেই বিহুযোৰ অৰ্থাৎ হুঁচৰিযোৰ আৰম্ভ কৰে। কিছুমান ঠাইত আকৌ গৰু বিহুৰ গধূলিৰে পৰাই হুঁচৰি গোৱা কাৰ্য আৰম্ভ কৰে। প্ৰথম নামঘৰত হুঁচৰি আৰম্ভ কৰি তাৰ পিছত একাদিক্ৰমে গাঁৱৰ মুখিয়াল সকলৰ ঘৰত হুঁচৰি গায় গোটেই গাঁওখন শেষ কৰে। এই বিহু পালন গৰু বিহুৰ দিন ধৰি ব'হাগৰ ছয় দিন যোৱালৈকে কৰে। গতিকে, এই সাটোটা দিনৰ বিহুত পালনীয় সাটোটা বা বেলেগ বেলেগ নিয়ম থাকে যদিও আজিকালি সময়ৰ, পৰিৱেশৰ লগতে মানুহৰ কৰ্ম পদ্ধতিৰ পৰিবৰ্তনৰ হোৱাৰ বাবে ইয়াৰে কিছু সাল-সলনি হ'ল, এৰা-ধৰা হ'ল। অৱশ্যে ঠাই ভেদে গৰুবিহুক বাদ দি বাকী ছয়বিহুৰ নামলিাক বেলেগ বেলেগ।

এইখিনিতে এটা কথা কৈ যাওঁ যে গৰু বিহুৰ দিনৰ পৰা প্ৰথম তিনিটা দিনমানৰ বিহুলৈকে অসমীয়া মানুহৰ গাত বিহু বিহু লগা ভাৱ এটা থাকে তাৰ পিছত কিন্তু বিহুৰ চোকটো অলপ কমে, বোলে সেৰেকা হয়।

আজিকালি বিহু পাতে, আগৰ দিনবিলাকত বিহু আহিছিল— মানুহৰ মনলৈ, গালৈ, প্ৰকৃতিৰ বুকুলৈ। সেই কাৰণেই হয়তো গাঁৱৰ ডেকা-গাভৰু-সকলে গাইছিল— 'উজায়ে আহিলে মাছে কি মগৰে উজায়ে আহিলে শিহু, গছৰে ডালে ডালে কুলিয়ে বিনালে পালেহি ব'হাগৰ বিহু।' সঁচাকৈয়ে চ'ত সোমোৱা দিন ধৰি ফাগুনৰ পচোৱাই লঠঙা কৰা গছ-বিৰিখে কুঁহিপাত মেলিবলৈ যো-জা কৰে। গছৰ ডালত পৰি কুলি-কেতেকীয়ে সুমধুৰ সংগীতৰ ৰাগিনী তোলাৰ দিন ধৰি গাঁৱৰ চহা খেতিয়কসকলে তৰাগছ বিছাৰি আনি ফালি শুকুৱাই গৰুৰ ডিঙিত দিবলৈ পঘা বতাৰ কাম আৰম্ভ কৰে। এই নিয়মক 'তৰাচিঙা বিহু' নামেৰে উজনিৰ মৰাণসকলৰ মাজত আজিও আছে।

অসমীয়া হোজা কৃষকে গৰুবিহুৰ দিনা পুৱাতে উঠি জাতিবাঁহৰ পৰা চাক বনাবলৈ আৰম্ভ কৰি তাত— বৰথেকেৰা, বেঙেনা, লাউ, হালধি, তিয়ঁহ আদি সি লৈ পটাত মাটিমাহ, হালধি পিচি লৈ. তাত অলপ মিঠাতেল সানি গৰুক গোহালিতে নোৱাইলৈ পথাৰত, নদীত, পুখুৰীত লগ-সমনিয়াৰ সৈতে মিলি গা ধুৱাবলৈ নিয়ে।

বাঁহৰ চাক কেইডাল সৰ্বসাধাৰণতে পুৰঠ বুঢ়া বাঁহৰ পৰা সাজে। আগমৰা বাঁহৰ চাক অমঙ্গলীয়া বুলি লোক বিশ্বাস আছে। কিছুমান থেকেৰা, বেঙেনা, লাউ, হালধিৰ টুকুৰা চাত বনাওতে বেছি হৈ ৰৈ যায়। সেইবলাক গৰুৰ গাত মাৰিবৰ কাৰণে ৰাখি থয় আৰু এখন ডলাত বা চালনিত গৰুক গা ধুওৱাৰ ঠাইলৈ লৈ দীঘলতি, মাখিয়তিসহ লৈ যায়। সময়ত অৱশ্যে এই বিলাক লগ-সমনীয়াৰ গাতো ব্যৱহাৰ নকৰাকৈ নেথাকে। গৰু গা ধুওৱা এই সময়খিনি বৰ আমোদজনক ভাললগা সময়। গৰুক গা ধুউৱাৰ সময়ত চেঙা গৰু থাকিলেতো কথাই নাই, গাত পানী চাতি মাৰি দিয়াৰ লগে লগে যেতিয়া গৰুৱে চিঞৰি ,বেবাই, হেম্বেলিয়াই নেগুৰ ডাঙি ঢপলিয়াবলৈ ধৰে তেতিয়া গা ধুৱাবলৈ যোৱা মানুহে মৰা কিৰিলত পথাৰ উখল-মাখল হয়, ভাল লাগে, গাত মনত বিহু বিহু লাগে।

উল্লেখযোগ্য যে গৰু বিহুৰ দিনা কেৱল যে গৰু বা ম'হ কেইটাকে নোৱাই-ধুৱাই এনে নহয়, গৃহস্থৰ ঘৰত থকা ছাগলী, কুকৰ, আদিকো নোৱাই ধুৱাই। বোলে—গৰুৰে-ম'হে, কুকুৰে, মেকুৰীয়ে , হাঁহে-ছাগলীয়ে, ঘৰে-ঘৰোৱাহে মিলিহে বিহু।

এইখিনিতে মনত পৰোঁতেই এটা কথা কৈ যাওঁ যে— তাহানি গৰুবিহুৰ দিনা পুৱাতে উঠি গৃহস্থই গোহালিত গৰু কেইটাৰ লক্ষণ চাই আগন্তুক বছৰটো কেনেকুৱা হ'ব কৈ দিব পাৰিছিল। গোহালিত যদি গৰুকেইটা ঠিয় হৈ থাকে তেনেহ'লে বছৰটোত প্ৰৱল বানপানী হোৱাৰ লক্ষণ বুলিছিল আৰু শুই থাকিলে খৰাং হ'ব বুলি ধৰি লৈছিল। ঠিক তেনেদৰেই খেতি-বাতি হোৱা-নোহোৱাৰো বতৰ অনুমান কৰি লৈছিল।

গৰুবিহুৰ দিনা ৰাতিপুৱা গৰুক নোৱাওঁতে প্ৰথম গৰুৰ কপালত এটা মাহ-হালধিৰ ফোট দিয়াটো নিয়ম। তাৰ পিছত গোটেই গাটোতে মাহ-হালধি সানি দিয়ে। গা ধুৱাবলৈ নি নিৰ্দিষ্ট ঠাইত ৰাইজ গোটপিত খাই গৰুৰ গাত পানী চতিওৱাৰ আগতে আৰ্শীবাদ তথা হৰিধ্বনি দিয়ে।

গৰুক গা ধুৱাই হ'লে— লগৰীয়াসকলে এজনে আনজনৰ লগত চাক সলোৱা-সলোৱি কৰে। আৰু সেই চাক ঘৰলৈ আনি আগকেইটা মুচৰি ভাঙি লাউ-বেঙেনা সোলকি পৰিব নোৱাৰা কৰি নিজৰ নিজৰ গোহালি ঘৰৰ চাত খোচ মাৰি থৈ দিয়ে। ডলাত বাকী ৰৈ যোৱা লাউ-বেঙেনা থেকেৰাৰ টুকুৰা বিলাক ঘৰৰ বাৰীৰ চাৰিও ফালে দলিয়াই দিয়ে। এনে কৰিলে বোলে ঘৰৰ চাৰিসীমাৰ ভিতৰত সাপ আদি সোমাব নোৱাৰে আৰু লাগনি গছত গুটি বেছিকৈ লাগে। আৰু এটা কথা গৰুক গা ধুৱাবলৈ নিয়া চাতৰ লাউ বেঙেনা তিয়ঁহ থেকেৰা আদিৰ এচকলমান ৰাতিৰ সাঁজ ভাতৰ লগত খোৱা আঞ্জাৰ লগত দি খায়, এনে কৰিলে হেনো বছৰটোলৈ বেমাৰ আজাৰৰ পৰা হাত সাৰি থাকিব পাৰি। সেই কাৰণেই হয়তো উজনি অসমৰ মানুহে গৰুবিহুৰ দিনা গধুলিৰ সাঁজত এশ এবিধ শাকৰ আঞ্জা খোৱা নিয়মটো আজিকোপতি প্ৰচলিত হৈ আছে। অৱশ্যে এইটো নিয়ম নামনি অসমত সাতবিহুৰ দিনা সাতশাক খাই মনাতো নিয়ম আছে। আৰু এটা কথা অসমৰ বিভিন্ন ঠাইত গৰুক গা-পা ধুৱাই আহি কৃষকসকলে গোহালিৰ ভেটিত, ভঁৰালৰ পিৰালিত, ঘৰৰ পিৰালিত, বৰঘৰৰ পিৰালিত, বাঁহৰ গুৰিত, পাণৰ গুৰিত, দুচপৰা মাটি দিয়াৰ নিয়ম পূৰ্বাপৰ চলি আহিছে। লোক বিশ্বাস অনুসৰি এনে কৰিলে হেনো কোনো কালে ভেটি নলৰে, নখহে। অৱশো, আজিকালি সকলোতে পকা ঘৰ হ'ল। গতিকে, পিৰালি পাহৰণিৰ গৰ্ভত লুকাল।

অসমীয়া সমাজত গৰুবিহুৰ দিনা গৰুক গা-পা ধুৱাই, নিজেও গা-পা ধুই আহি সাধ্যানুসৰি যা-জোগাৰ কৰি থোৱা গুৰে-গাখীৰে জা-জলপান এমুঠি খায়। অৱশ্যে , জা-জলপান খোৱাৰ আগতে ঘৰৰ বয়োজ্যেষ্ঠ-জনক কনিষ্ঠসকলে একোখন তামোল দি সেৱা কৰাতো নিয়ম। লগতে ঘৰৰ বোৱাৰীসকলে শহুৰ আৰু শাহুয়েক গৰাকীক একোখন গামোচা আৰু তামোল-পাণ দি সেৱা কৰা নিয়মটো অসমৰ এক জাতীয় পৰম্পৰা। এইনিয়ম তাহিনেৰ পৰা আজিও চলি আছে আৰু চলি থাকিব বুলি মোৰ বিশ্বাস। সেয়েহে বিহুনামত গায়—'চ'ততে চকৰি ব'হাগত বগৰি জেঠতে অমনা ধান, গৰুবিহুৰ দিনা ল'বি আৰ্শীবাদে পাবি বৈকুণ্ঠতে স্থান।' অৱশ্যে বৈকুণ্ঠত ঠাই পাইনে নেপায় সেইটো পিছৰ কথা এনে কৰিলে মনটো ভাল লাগে। বোলে বিশ্বাসে মিলয় হৰি তৰ্কে বহুদূৰ।

গৰু বিহুৰ দিনা ঠাই বিশেষে অসমীয়া মানুহে কিছুমান খেল খেলিছিল যেনে— কণী যুজ, ধুপ খেল, চেঙগুটি, অলৌগুটি তলৌগুটি, জুইশলা বাঁহৰ চিত-পত আদি। অৱশ্যে, এইবোৰ খেল আজিকালি নাই। কড়িখেল ঠাই বিশেষে আজিও আছে। গঞা কৃষকে কড়িখেল চ'তৰ পোন্ধৰদিনমান যোৱাত আৰম্ভ কৰি গৰুবিহুৰ দিনা শেষ কৰিছিল।

উল্লেখযোগ্য যে উজনি অসমৰ মানুহে গৰুবিহুৰ দিনা আমলৰি(আমৰলি) পৰুৱাৰ টোপ ভাজি খায়। লোক বিশ্বাস অনুসৰি আমলৰি পৰুৱাৰ টোপ গৰুবিহুৰ দিনা খাব পাৰিলে এৰাঁভগা ৰোগ বা নাকেদি তেজ ওলোৱাৰোগ ভাল হয়।


কিমান যে উত্তেজনাপুৰ্ণ, মাদকতাভৰা, হাঁহি-উল্লাসৰ উৎসৱ আছিল তাহানিৰ এই গৰুবিহুৰ জা-জোগাৰ বিলাক, গৰু-ম'গক গা-ধুউৱাৰ সময়কন, মনত পৰিলে চকুপানী ওলাব খোজে। সময়ৰ অগ্ৰগতিৰ লগে-লগে , পৰিৱেশ পৰিস্থিতিৰ পৰিবৰ্তনৰ লগে-লগে সেইবিলাক আনন্দ-ফুৰ্তিয়েও বাগৰ সলালে। অৱশ্যে, গৰুবিহু তেতিয়াও আছিল এতিয়াও আছে। তেতিয়াও পালন কৰি ছিল এতিয়াও পালন কৰে। কেৱল পৰিৱেশ আৰু পৰিস্থিতি বেলেগ। তেতিয়াৰ দিনবিলাকত বিহু আৰম্ভ কৰিছিল গৰু-ম'হক গা-পা ধুৱাই আহি নিজেও গা-পা ধুই ঘৰে-ঘৰোৱাহে মৰম-চেনেহৰ প্ৰতীক সন্মানৰ প্ৰতীক এখনি তামোল পাণ আৰু এখনি বিহুৱান অভাৱে এখনি গামোচা আদান-প্ৰদান কৰি এটি জলপান খায় আৰু এতিয়া ডাঙৰকৈ মাইক বজায় বিহুৰ নামত এখনি গামোচা বা বিহুৱান আকাশত উৰুৱাই।

মঞ্চ বিহুৰ জাকজমকতাই কিছু আনন্দ দিলেও যেন কিবা এটি নাই, কিবা এটিৰ অভাৱ, এনেভাৱ অহাত কথাখিনি লিখিলো পুৰণি দিনৰ গৰুবিহুৱে মন দাপোনত দোলা দিয়াত। ভুল হ'লে ক্ষমা কৰিব। বোলে— 'কেলৈ ফুলিলি ৰূপহী মদাৰ ঐ কেলৈ পেলালি কলি, গুৰুতো নেলাগ ভকততো নেলাগ থাক তলে পৰি সৰি।'

---

# গৰু বিহুৰ ঐতিহ্য

আল্পনা দলে



ব'হাগ মাথোঁ এটি ঋতু নহয়, নহয় ব'হাগ এটি মাহ। আশা-প্ৰত্যাশাৰে ভৰা, সৃষ্টিৰ বতৰা অনা ব'হাগ, অসমীয়া জাতিৰ আয়ুস ৰেখা, গণ জীৱনৰ সাহ। সেউজীয়া ৰং- ৰূপ -ৰসেৰে পৰিপূৰ্ণ ব'হাগ। ব'হাগ বিহু বা ৰঙালী বিহু কলেই মনটো শৈশৱৰ গাঁওখনলৈ উৰা মাৰে। গৰু বিহুৰ আগদিনা উৰুকা। উৰুকাৰ দিনাই গোহালি, ভঁৰাল, বাৰী, ঘৰ চাফ-চিকুণ কৰা হয়। উৰুকাৰ দিনা ৰাতি গাঁৱৰ মুখিয়াল গাঁওবুঢ়াই গৰু বিহুৰ দিনা গৰুক গা-ধুৱাৰ নিয়ম নীতি সকলোকে বুজাই দিয়ে। উৰুকাৰ দিনাই মাখিয়তী, দীঘলতিৰ ঠাৰি পাতৰে সৈতে যোগাৰ কৰি থোৱা হয়। পানীলাউ, বেঙেনা, থেকেৰা, কেঁচা হালধি, তিতাকেৰেলা চকলা চকলকৈ কটা টুকুৰাবোৰ বাঁহৰ তিনিসেৰীয়া চাক সী থোৱা হয়। দলিয়াবলৈ সুবিধা হোৱাকৈ প্ৰস্তুত কৰি পিচদিনা পুৱাই গৰুৰ গা ধুওৱা স্থলীলৈ নিব পৰাকৈ চালনী বা ডলা এখনত কল পাত পাৰি তাৰ ওপৰত সাজু কৰা হয়। চাকৰ পৰা যাতে প্ৰথমেই লাউ ওলায়, তাৰ পাচত থেকেৰা এই অনুক্ৰমত সেইবোৰ খাঁজি চাক তৈয়াৰ কৰা হয়। মাহ-কেঁচা হালধি পতাত পিহি লৈ মিঠাতেলো আগলি কলপাতত একেখন চালনী বা ডলাতে থোৱা হয়।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে কৃষিৰ মূল চালিকাশক্তি হ'ল গৰু। অসমীয়া কৃষ্টি, সভ্যতা, সংস্কৃতিৰ প্ৰধান আধাৰ ৰূপে পৰিগণিত হোৱা এই গো-মাতা অসমীয়া সমাজৰ অবিচ্ছেদ্য অংগ। ব'হাগ বিহুৰ সৈতে গৰু বিহুৰ ঐতিহ্য আছে। গৰু বিহু ক'লেই শৈশুৱে ৰিঙিয়াই মাত। আমাৰ শৈশৱৰ সময় চোৱাত চ'ত অহা মাত্ৰকেই আপোন-পাহৰা হৈছিলোঁ। সমনীয়াৰ সৈতে দূৰৰ পিটনিখনৰ পৰা আগতীয়াকৈ তৰা আনি শুকোৱাব লাগে, তেতিয়াহে মৰাপাটৰ ৰচীৰ লগত মিলাই পঘা বনাব পাৰে। ঠিক তেনেকৈ বাৰীৰ চুকৰ পৰা আগতীয়াকৈ দীঘলতি-মাখিয়তী আনি ঘৰৰ চালত শুকুৱাই থৈছি। গৰু বিহুৰ দিনাখন প্ৰথমে পুৱাতেই গৰু, ম'হৰ গাত মাহ-হালধি আৰু মিঠাতেল ঘঁহি দিয়া হয়। মাহ-কেঁচা হালধি মিঠাতেলৰ গোন্ধ মিহলি হৈ গোহালিটোত আমোলমোল হয়। গৰুবোৰেও গৃহস্থলৈ আৰু ইটোৱে-সিটোৰ মুখলৈ চাই আমোদ পায়।

"দীঘলতিৰ দীঘল পাত, মাখিয়তী জাপ জাপ
গৰু বিহুৰ দিনাখন মাখি মাৰো চাত চাত"।

এই দৰে গাই ওচৰৰ নদীৰ পাৰলৈ নাইবা পুখুৰীৰ ওচৰলৈ গৰুৰ সমদলটো লৈ যায়, লগে-লগে দীঘলতি আৰু মাখিয়তীৰ পাতেৰে আলফুলকৈ কোবাব লাগে। গৰুবোৰৰ মাজতো ফুৰ্তি, আনন্দৰ প্ৰয়োভৰ হয়। গৰুবিহুৰ দিনা পুৱাই গাঁৱৰ গঞাই জাকপাতি আনি ঘৰৰ গৰুবোৰক পানীৰ ওচৰত একগোট কৰা হয়। সকলোৱে বছেৰেকৰ গৰু বিহু বুলি ওচৰৰ পুখুৰীত নাইবা নদীত গা-ধুওৱাৰ কি যে নিভাঁজ আছিল। গৰুৰ গা-ধুওৱাৰ দিনটো সোঁৱৰণ কৰিলে আজিও ৰোমাঞ্চিত হওঁ। আমিও ইটোৱে সিটোৰ গালি চাক দলিয়াই বেচ ফুৰ্তি কৰো। গাৱঁৰ বয়সস্থ কেইজনমানে কলপাতত পান-তামোল আগবঢ়াই ধৰ্মীয় আনুস্থানিকতা সম্পন্ন কৰে, সকলোৱে মিলি হৰিধ্বনি দি গৰুবোৰক পানীত গা-ধুৱাবলৈ নমাই দিয়ে আৰু হাতেৰে পানী ছটিয়াই দিয়ে। গাত পানী পৰাৰ লগে লগে গৰুবোৰে চক খাই ইফালে-সিফালে দৌৰাদৌৰি কৰে। তেতিয়া ঘৰৰ পৰা লৈ যোৱা চাকটো গৰুৰ গালৈ দলিয়াই। এইদৰে গাব লাগে।

"লাউ খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু
তই হ'বি বৰ গৰু"।

গৰুবোৰ সোণাকালে ডাঙৰ হৈ খেতিৰ কামত সুফল পাবলৈ ভগৱানৰ ওচৰত খেতিয়কে প্ৰাৰ্থনা জনায়। বেমাৰৰ পৰা আৰোগ্য লাভ কৰিবলৈ মাহ-হালধিৰে গা ধুই নিৰোগী কামনা কৰা হয়। শিং দুটাত মিঠাতেল দি মোহাৰি দিয়া হয়। অৱশিষ্ট মিঠাতেল মানুহে গা-ধুওঁতে ব্যৱহাৰ কৰে আৰু ৰৈ যোৱাখিনি বটলত ভৰাই থৈ দিয়া হয়। সৰু লৰা-ছোৱালীবোৰে চিঞৰি চিঞৰি গাই আনন্দ ফুৰ্তি কৰি পৰিৱেশ উৎসৱমুখৰ কৰি তোলে। গৰুৰ গালৈ দলিওৱা এই লাউ, বেঙেনাৰ টুকুৰাবোৰ সঁচাকৈ গৰুৱে নাখায়। সেইবোৰ বুটলি সৰু ল'ৰাবোৰে জেপত ভৰাই ফুৰ্তি পায়। চাকবোৰ সলোৱাৰ নিয়ম আছে। বিশ্বাস আছিল যে সলাই লোৱা চাকবোৰ আৰু অৱশিষ্ট লাউ-বেঙেনাৰ টুকুৰাৰ লগত এই বুটলি অনা টুকুৰাবোৰ মিহলি কৰি গোহালি আৰু ঘৰৰ চালত গুঁজি থ'লে বছৰটোলৈ ঘৰখনৰ লগতে পোহনীয়া জন্তুৰ অপায়-অমংগল বেমাৰ-আজাৰ নোহোৱা হয়। ঘৰৰ অমংগল নহ'বলৈ আমি সৰু ল'ৰা-ছোৱালীবোৰে লাউ- বেঙেনাৰ টুকুৰাবোৰ বুটলিবলৈ প্ৰতিযোগিতাত নামি পৰো। পৰম বিশ্বাস আৰু ঘৰখনৰ মঙ্গল কামনাৰে গৰুক গা-ধুওৱা হয়। সেইদিনা গৰুক গা-ধোৱাই নদীৰ পাৰৰ মুকলি পথাৰত মেলি দিনৰ দিনটো চৰিবলৈ এৰি দিয়ে। গৰু বিহুৰ দিনাখন গৰুক গা-ধুৱাই গৃহস্থই নিজেও মাহ-হালধিৰে গা-পা ধুই নতুন কাপোৰ পৰিধান কৰি ৰাজহুৱা নামঘৰত ঘৰৰ মুখিয়ালজন আহি পৰিয়ালৰ মঙ্গল কামনাৰে সমূহীয়াকৈ গোসাঁই সেৱা কৰি আশীৰ্বাদ লয়। তাৰ পিচত ঘৰত পৰিয়ালৰ সকলোৱে মিলি-জুলি দৈ, চিৰা, সান্দহ, পিঠা, লাৰু সহ পুষ্টিকৰ জলপান তৃপ্তিৰে খায়।

গৰু বিহুৰ দিনাখন পুৱাতে গো-ধনক মাহ-হালধিৰে নোৱাই-ধোৱাই গধূলি গোহালিত তৰাগছৰ বকটু আৰু মৰাপাটৰ নতুন পঘাৰে বন্ধাৰ নিয়ম অসমীয়া সমাজত অতীজৰে পৰা চলি আহিছে। বিহুৰ কেইদিনমানৰ আগৰ পৰাই, মানে চ'তৰ মাহৰ মাজভাগৰ পৰাই মৰাপাট আৰু তৰাৰে পঘা বনোৱাত কৃষকসকল ব্যস্ত হৈ পৰে। আধুনিকতাৰ ধামখুমীয়াত অসমীয়া সমাজ জীৱনৰ পৰা গৰুৰ বাবে তৰা পঘা প্ৰস্তুত কৰাৰ পৰম্পৰা ক্ৰমাৎ হেৰাই গৈছে। কিন্তু বৰ্তমান তৰা পঘা প্ৰস্তুত কৰা লোকৰ সংখ্যা তেনেই সীমিত হৈ আহিছে। গধূলি গুড়, পিঠাগুৰি, বনোৱা পিঠা-পনা গৰুক খাবলৈ দিয়া হয়। সেইদিনাখন কিছুলোকে গো-মাতাক পূজাও কৰে। সন্ধিয়া দীঘলতি-মাখিয়তী, তুঁহ, বিহলঙনীৰ পাত, পচতিয়া পাত আদিৰে জাগ তৈয়াৰ কৰি গোহালিমুখত সন্ধিয়া জাগটো জ্বলাই দিয়া হয়। নতুন বিচনীৰে বিচি বিচি ধোঁৱাখিনি সিচৰিত কৰি দিয়া হয়, যাতে জাগৰ ধোঁৱা আৰু দ্ৰব্যসমূহৰ গোন্ধত অপকাৰী কীট-পতংগ মহ, মাখি, ডাঁহ, চিকৰা ইত্যাদি আঁতৰি যায়। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই এই নিয়ম চলি আহিছে। সেইদিনাৰ পৰাহে মানুহে বিচনী ব্যৱহাৰ কৰে। ঠাই বিশেষে বেলেগ বেলেগ নিয়ম প্ৰচলিত। গৰু বিহুৰ দিনাই গাঁওখনৰ মুৰব্বী সাধুবুঢ়া আৰু গাঁওবুঢ়াৰ ঘৰত সন্ধিয়া বিহু হুচৰি গোৱাৰ পৰম্পৰা আছে। অসমীয়াৰ জনজীৱনৰ এৰাব নোৱাৰা এটা অংগ গৰু বিহু। বৰ্তমান সময়ত গোহালি বিলুপ্তি হোৱাৰ উপক্ৰম হৈছে, তৰোপৰি গো-চৰণীয়া পথাৰো নোহোৱা হ'ল। গৰু বিহু কালৰ ক্ৰমত আধুনিকতাৰ পোচাক পিন্ধি হেৰাই যোৱাৰ উপক্ৰম হৈছে। গৰুবিহু পাতো পিচে, গোহালিত গৰু নাই। অসমীয়াত এষাৰ ডাকৰ বচন আছে "যাৰ নাই গৰু, সি সবাটোকৈ সৰু।" এতিয়া খেতিবাতি কৰিবলৈ এৰিছে, গৰু-গাই পুহিবলৈও বাদ দিছে। যি কি নহওক, সেইয়া আছিল অতীতৰ গাৱঁৰ জীৱনৰ মধুৰ স্মৃতি। যুগে যুগে গৰু বিহুৱে অসমীয়া জাতীয় জীৱন চহকী কৰি ৰাখক। গৰুবিহুৰ মাজতে যেন আমাৰ উশাহ আৰু সপোনবোৰ শিপাই আছে আৰু শিপাই থাকিব। স্মৃতি হ'ল বহু সংস্কৃতি, কাহিনী হ'ল বহু আশা, হেঁপাহবোৰো আধৰুৱা শেঁতা ৰঙৰ হ'ল।

---

অণুগল্প

## মৰম

গৰু বিহুৰ দিনা ৰমেন দাইটি আমন-জিমনকৈ পিৰালিতে বহি আছে। পুতেকে কি হৈছে সোধাত তেওঁ ক'লে- "মৰমৰ গৰুহাল বেচি টেক্টৰ কিনিলি, আজি গৰু বিহুৰ দিনা কাজলীয়ে চাগে মোলৈ মনত পেলাই উচুপি উঠিছে।"

দুলুমণি গগৈ
মৰাণ, ডিব্ৰুগড়
ফোন - ৯১০১০৭৬০৭৯

---

চাৰি পৃষ্ঠাৰ পৰা

## গৰু বিহু আৰু গোৰ্খা জনগোষ্ঠীৰ গাই তিহাৰ ঃ এক তুলনাত্মক আলোচনা

উল্লেখযোগ্য যে শ্ৰীকৃষ্ণ চৰিতত বৰ্ণনা কৰা অনুসৰি গোকুলত গো-পালকসকলে প্ৰতিবছৰে তেওঁলোকৰ গো বংশৰ শ্ৰীবৃদ্ধি আৰু সুৰক্ষাৰ বাবে ইন্দ্ৰ দেৱতাৰ পূজা কৰিছিল, কিন্তু শ্ৰীকৃষ্ণই ইন্দ্ৰৰ পৰিবৰ্তে গোৱৰ্ধন পাহাৰৰ পূজা কৰিবলৈ গোকুলৰ গো-পালকসকলক পৰামৰ্শ দিলে। তদানুসাৰে তেওঁলোকে গোৱৰ্ধনৰ পাহাৰৰ পূজা আৰম্ভ কৰোঁতেই ইন্দ্ৰ দেৱতা বিতুষ্ট হৈ পৰে। তেখেতৰ খঙৰ প্ৰভাৱত অঞ্চলটোত প্ৰাকৃতিক দুৰ্যোগৰ আশংকা ঘনীভূত হোৱাত শ্ৰীকৃষ্ণই গোৱৰ্ধন পাহাৰক হাতেৰে দাঙি গোকুলৰ গোপালক আৰু পশুধনক সম্ভাব্য দুৰ্যোগৰ পৰা ৰক্ষা কৰিছিল। প্ৰবাদ অনুসৰি, সেইদিনাৰ পৰা গো-পালকসকলে নিজৰ প্ৰতিপালিত পশুধনৰ শ্ৰীবৃদ্ধিৰ বাবে গোৱৰ্ধন পাহাৰৰ পূজা কৰি আহিছে। গোৰ্খা জনগোষ্ঠীয়লোকেও গোৱৰ্ধন পূজা শেষ কৰি গৰুক মালা পিন্ধায়, শিং আৰু খুৰত তেল সানে, নানা ৰঙৰ বোলেৰে গৰুক সুন্দৰ কৰি তোলে। পূজাৰ অন্তত গোৱৰ্ধন পাহাৰত দৈৰ অৰ্ঘ্য উৰ্চগা কৰে। এইদৰে গোৰ্খা জনজীৱনত গৰু তিহাৰ দুদিনীয়াকৈ পালন কৰা হয়। গাই তিহাৰৰ দিনা লক্ষ্মী পূজা শেষ কৰি গাঁৱৰ যুৱতী-মহিলাসকলে ঘৰে ঘৰে গৈ ভৈলী বা ভইলী খেলাৰ প্ৰচলন আছে। ভৈলী হ'ল অসমীয়া জনজীৱনৰ হুঁচৰিত লেখীয়া। একেদৰে গৰু তিহাৰৰ ৰাতি গাঁৱৰ ডেকা ল'ৰা- যুৱকসকল মিলি দেউচী খেলে। অৱশ্যে সৰু সৰু ল'ৰা-ছোৱালীয়ে গৰু পূজা শেষ হোৱাৰ পিছতেই দেউচী-ভৈলী খেলিবলৈ গাঁৱৰ ওচৰ-চুবুৰীয়াৰ চোতাললৈ যায়। ঘৰে ঘৰে গৈ দেউচী খেলাৰ প্ৰচলন অসমীয়া সমাজৰ বিহু মৰা অথবা হুঁচৰি গোৱাৰ সৈতে একে। ওভয় সাংস্কৃতিক পৰম্পৰাৰ উদ্দেশ্য এটাই- সি হ'ল সংস্কৃতি পালনৰ মাজতে গৃহস্থৰ মঙ্গল কামনা কৰি আশীৰ্বাদ দিয়া। অসমীয়া সমাজ জীৱনৰ প্ৰাণস্বৰূপ গৰু বিহু আৰু গোৰ্খা লোক জীৱনৰ গৰু তিহাৰৰ এই তুলনাত্মক চৰ্চাৰ পৰা এটি সুস্পষ্ট ধাৰণা হয় যে দুয়োটা জাতীয় জনজীৱনত গৰুৰ স্থান অতি উচ্চ। গৰু বিহু তথা গৰু তিহাৰ পালন কৰাৰ পৰম্পৰা অথবা ৰীতি পৃথক হোৱাটো নিতান্তই স্বাভাৱিক যদিও গৰুৰ প্ৰতি থকা আমাৰ আদৰ, দেৱতা জ্ঞান কৰি পূজা কৰা প্ৰথা প্ৰায় একে। এই পৰম্পৰাৰ অন্তৰ্নিহিত তাৎপৰ্য্যও যৌথ ৰূপত একে।

অতি সম্প্ৰতি চহৰমুখী প্ৰৱণতাই গৰুসমূহৰ প্ৰতি এক অৱজ্ঞা আৰু অৱহেলাৰ ধাৰণাৰ জন্ম দিছে। ই মুঠেই শুভ লক্ষণ নহয়। গ্ৰাম্য অঞ্চলৰ কৃষকসকলে হাল-নাঙলৰ মোহ এৰি বাংগালোৰ, তামিলনাডু, কেৰেলা, চেন্নাই আদিলৈ ঢাপলি মেলিছে। চৰকাৰ পক্ষই কৃষক বন্ধুসকলক কৃষিকৰ্মৰ প্ৰতি আকৰ্ষিত কৰাৰ উপৰিও কৃষিকৰ্মৰ বাবে উদগুণি যোগাব পাৰিব লাগিব। নূন্যতম সুবিধা প্ৰদান কৰি কৃষকসকলক কৃষিকৰ্মত পুনৰ নিয়োজিত কৰাৰ লগতে দুগ্ধ উৎপাদন তথা গো-পালনৰ প্ৰতি আগ্ৰহান্বিত কৰিব পাৰিলেহে গৰু বিহু বা গৰু তিহাৰৰ দৰে আধ্যাত্মবাদৰ সৈতে জড়িত আপুৰুগীয়া সংস্কৃতি বিপদাপন্ন হোৱাৰ পৰা ৰক্ষা পৰিব। কৃষকৰ বাবে গঠিত হোৱা সংস্থা-সংগঠনসমূহে কৃষক বন্ধুৰ অসংলগ্ন বিষয় বস্তুৰ পৰা আঁতৰি আহি কৃষকৰ মৌলিক সমস্যাসমূহ সমাধানাৰ্থে সততাৰে আগবাঢ়ি আহিব লাগিব। পঞ্জাব, হাৰিয়ানা আৰু দাক্ষিণাত্যৰ দৰে সেউজ বিপ্লৱৰ সূচনা কৰি কৃষিকৰ্মৰ প্ৰতি ক্ৰমাৎ মোহভঙ্গ হোৱা অসমীয়া কৃষকসকলক কৃষিকৰ্মৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ দায়িত্ব চৰকাৰৰ লগতে কৃষকক প্ৰতিনিধিত্ব কৰা সংগঠনসমূহৰ। কৃষক নেতাসকলেও কৃষিজীৱি ৰাইজৰ মৌলিক সমস্যাসমূহ সমাধানাৰ্থে সততা আৰু আন্তৰিকতাৰে আগবাঢ়ি আহিব লাগিব....।

*লেখকৰ ঠিকনা ঃ চমাৰ দলনি, নাগশংকৰ, চতিয়া, বিশ্বনাথ*

# শিৱসাগৰ জিলাৰ বৰছিলা খনিকৰ গাঁৱৰ ছাত্ৰী পল্লৱী হাজৰিকাৰ সফলতা

## উৎসাহিত সমগ্ৰ অঞ্চলবাসী

**অসম বাৰ্তা, গেলেকী, ১৩ এপ্ৰিল ঃ** অভাৱেই আৱিষ্কাৰৰ মূল এই কথাষাৰ আখৰে-আখৰে প্ৰতিপন্ন হৈছে শিৱসাগৰ জিলাৰ নামতি বৰছিলা খনিকৰ গাঁৱত। জিলা খনৰ ভিতৰতে অন্যতম অতি পিছপৰা বৰছিলা খনিকৰ গাঁৱৰ নিবাসী শ্ৰীযুত ৰাজেন হাজৰিকা আৰু শ্ৰীযুতা অৰ্চনা গগৈ হাজৰিকাৰ জেষ্ঠ কন্যা পল্লৱী হাজৰিকাই "Status of Education and Employment of the Tai-Khamti Women of Arunachal Pradesh" শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা যোৱা ১ এপ্ৰিল, ২০২৬ ৰ জাননী নম্বৰ DU/RG/PhD./03/2026/8286 মৰ্মে সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুৰব্বী প্ৰধ্যাপক সীমা ভাৰ্মা বৰবৰাৰ তত্ত্বাৱধানত এই গৱেষণা সম্পন্ন কৰিছিল বুলি সংবাদ মাধ্যমৰ আগত জানিব দিছে। দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰী গৰাকীয়ে শিক্ষা জীৱন আৰম্ভ কৰিছিল নামতি ৰঙালী মাঝি গাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা। পিতৃ ৰাজেন হাজৰিকাই স্থানীয় বজাৰত শাক-পাচলি বিক্ৰী কৰি ছাত্ৰী গৰাকীৰ লগতে ছাত্ৰীগৰাকীৰ কনিষ্ঠ ভাতৃক শিক্ষা গ্ৰহণৰ বাবে ব্যৱস্থা কৰিছিল। পল্লৱী হাজৰিকাই স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰালৈকে পিছপৰা গাঁওখনত নাছিল বিদ্যুৎ সেৱা ব্যৱস্থা। চাকি পোহৰত পঢ়ি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল পল্লৱী হাজৰিকাই। পল্লৱীৰ শিক্ষাৰ জীৱনটো সহজ নাছিল। বহু প্ৰত্যাহ্বানৰ মাজেৰে আগবাঢ়ি অৱশেষত সফলতাৰ শিখৰত উপনীত হ'বলৈ সক্ষম হ'ল পল্লৱী হাজৰিকা। বৰ্তমান পল্লৱী হাজৰিকা খোৱাং মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা হিচাপে কৰ্মৰত। ছাত্ৰী গৰাকীয়ে ডক্টৰেট ডিগ্ৰী লাভ কৰি নিজ গৃহত উপস্থিত হোৱাৰ ক্ষণত সমগ্ৰ গাঁওবাসীয়ে উষ্ম আদৰণি জনায়। আধা বাটৰ পৰাই ছাত্ৰী গৰাকীক ঢোলে-দগৰে আগবঢ়ায় নিয়েহি গাঁওবাসীয়ে। ছাত্ৰী গৰাকীৰ নিজ বাসগৃহত অনুষ্ঠিত হয় সম্বৰ্দ্ধনা অনুষ্ঠানৰ। এই অনুষ্ঠানত স্থানীয় কেইবাখনো শিক্ষানুষ্ঠানৰ মুৰব্বী সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে স্থানীয় সমাজকৰ্মী, সাংবাদিক, ৰাইজ উপস্থিত থাকি ছাত্ৰীগৰাকীৰ এই সফলতাৰ বাবে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। পল্লৱী হাজৰিকাৰ এই সফলতাই পুনৰ বাৰ প্ৰতিপন্ন কৰিলে যে দৰিদ্ৰতা কেতিয়াও শিক্ষাৰ বাবে হেঙাৰ হ'ব নোৱাৰে যদিহে আপোনাৰ লক্ষ্য আৰু উদ্দেশ্য স্থিৰ হয়।

# নলবাৰীৰ বিদ্যাঞ্চল দ্য স্কুলত আয়োজিত 'প্ৰাক ৰঙালী বিহু'ৰ সফল সামৰণি



**অসম বাৰ্তা, নলবাৰী, ১৩ এপ্ৰিল ঃ** "নাহৰৰ পাতে পাতে ফাগুনৰ শেষ স্বাক্ষৰ, বসন্তই আনে নতুন পোহৰ"— প্ৰকৃতিৰ এই অপূৰ্ব ৰূপান্তৰৰ লগে লগে অসমীয়াৰ প্ৰাণৰ উৎসৱ ৰঙালী বিহুৰ আগমনী উলাহেৰে নলবাৰীৰ আগশাৰীৰ শিক্ষানুষ্ঠান বিদ্যাঞ্চল দ্য স্কুলত প্ৰতিবছৰৰ দৰে এইবাৰো অত্যন্ত উৎসাহ-উদ্দীপনাৰে 'প্ৰাক ৰঙালী বিহু' উদ্‌যাপন কৰা হয়। বিদ্যালয়খনৰ সেউজীয়া পৰিৱেশ আৰু বৰ্ণিল সাজ-পাৰ গছে-পাতে নতুনত্বৰ সম্ভাষণ জনোৱাৰ দৰে সজাই তুলি একেবাৰে বিহুময় ৰূপ প্ৰদান কৰা হয়। অসমীয়া সংস্কৃতিৰ অপূৰ্ব সুবাস আৰু সাতামপুৰুষীয়া ঐতিহ্যক সজীৱ কৰি তুলি বিদ্যালয়ৰ "লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা" সোঁৱৰণী ক্ষেত্ৰত আয়োজন কৰা এই বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানটোৱে সকলোকে গভীৰভাৱে আকৰ্ষিত কৰে। বিহুৰ সুৰ, ঢোল-পেঁপাৰ ধ্বনি আৰু বসন্তৰ মাদকতাৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ সমন্বয়ত বিদ্যালয়খনৰ প্ৰাংগন একেবাৰে পৰম্পৰাগত বিহুৰ চোতাললৈ ৰূপান্তৰিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ অধ্যক্ষ জিতেন্দ্ৰ কুমাৰ জৈনে স্মৃতি তৰ্পণ কৰি ভাষণ আগবঢ়ায়। তেওঁ নতুন প্ৰজন্মক অসমীয়া ভাষা-সংস্কৃতিৰ সৈতে একাত্ম হৈ নিজৰ শিপাক চিনি ল'বলৈ আহ্বান জনায়। তেওঁ উল্লেখ কৰে যে আধুনিক শিক্ষাৰ লগতে সাংস্কৃতিক শিক্ষাও সমানেই গুৰুত্বপূৰ্ণ, যিয়ে এক সুস্থ সমাজ গঠনত সহায় কৰে। ইয়াৰ পিছতেই দেশ আৰু জাতিৰ বাবে আত্মবলিদান দিয়া বীৰ শ্বহীদসকলক স্মৰণ কৰি বিদ্যালয়ৰ সমন্বয়ক ববিতা জৈনে শ্বহীদ তৰ্পণ কৰে। এই অংশটোৱে অনুষ্ঠানখনত এক গভীৰ আবেগময় পৰিৱেশৰ সৃষ্টি কৰে আৰু উপস্থিত সকলোকে দেশপ্ৰেমৰ অনুভূতিত উদ্বুদ্ধ কৰে। সাংস্কৃতিক কাৰ্যসূচীৰ শুভাৰম্ভ হয় প্ৰীতিস্মিতা দত্তৰ মনোমোহা বিহু নৃত্য আৰু দীপাংকৰ কলিতাৰ ঢোলবাদনেৰে। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে একেৰাহে জেং বিহু, বিহু নৃত্য, হুঁচৰি, লোকগীত আদি পৰিৱেশন কৰি অনুষ্ঠানটোক এক উচ্চ শিখৰত উপনীত কৰে। বিশেষকৈ প্ৰাক-প্ৰাথমিক শাখাৰ কণকণ ছাত্ৰ-ছাত্ৰীসকলৰ অসমীয়া পৰম্পৰাগত সাজ-পাৰেৰে সজোৱা বিহু নৃত্যই সকলোৰে মন জয় কৰে। তেওঁলোকৰ নিষ্কলংক অভিনয় আৰু আনন্দময় নৃত্যই উপস্থিত দৰ্শকৰ মাজত ব্যাপক উচ্ছাসৰ সৃষ্টি কৰে, যাৰ ফলত বহু লোকেই তালে-তালে নিজেও নৃত্যত অংশগ্ৰহণ কৰে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে কৈলাস শৰ্মাই অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ এই উদ্যোগৰ শলাগ লয় আৰু কয় যে এনে অনুষ্ঠানসমূহে নতুন প্ৰজন্মৰ মাজত জাতীয় চেতনা, ভাতৃত্ববোধ আৰু সাংস্কৃতিক মূল্যবোধ সুদৃঢ় কৰে। উল্লেখযোগ্য যে, এই অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সৃজনশীল প্ৰতিভা বিকশিত হোৱাৰ লগতে তেওঁলোকৰ মাজত আত্মবিশ্বাস আৰু সাংস্কৃতিক সচেতনতা বৃদ্ধি পায়। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ একান্ত প্ৰচেষ্টাত অনুষ্ঠানটো সুন্দৰভাৱে পৰিচালিত হয়। শেষত বিদ্যালয়ৰ তত্ত্বাৱধায়কে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক-অভিভাৱিকাসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি কয় যে সকলোৰে সহযোগিতাতেই এই অনুষ্ঠান সফলভাৱে সম্পন্ন কৰিব পৰা গৈছে। তেওঁ আগন্তুক দিনতো এনে ধৰণৰ সাংস্কৃতিক কাৰ্যসূচী অব্যাহত ৰখাৰ আশাবাদ ব্যক্ত কৰে। সামগ্ৰিকভাৱে, এই 'প্ৰাক ৰঙালী বিহু' উদ্‌যাপন অনুষ্ঠানটোৱে নলবাৰীৰ সাংস্কৃতিক পৰিৱেশক অধিক সমৃদ্ধ কৰাৰ লগতে সকলোৰে মাজত আনন্দ, সম্প্ৰীতি আৰু ঐক্যৰ বাৰ্তা প্ৰসাৰিত কৰে।

# সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী



**অসম বাৰ্তা, লীলাবাৰী, ১৩ এপ্ৰিল ঃ** ৯ এপ্ৰিলৰ পুৱতি নিশা অসমীয়া প্ৰতিদিন কাকতৰ লখিমপুৰ কাৰ্যালয় দুষ্কৃতিকাৰীয়ে ফলা শিলেৰে আক্ৰমণৰ চাৰিদিন অতিক্ৰম কৰাৰ পাছতো আৰক্ষী প্ৰশাসনে দুষ্কৃতিকাৰীক চিনাক্ত কৰিব নোৱাৰা কাৰ্যই লখিমপুৰৰ সমূহ সাংবাদিক তথা সচেতন মহলে উদ্বিগ্নতা প্ৰকাশ কৰিছে। একেদৰে, ৮ এপ্ৰিলৰ নিশা নাওবৈচাৰ সাংবাদিক ৰবিন্দ্ৰ উপাধ্যায়ৰ বাসগৃহত দুষ্কৃতিকাৰীৰ শিলাবৰ্ষণ আৰু ৯ এপ্ৰিলৰ নিশা সাংবাদিক প্ৰশান্ত কুমাৰ মোদকৰ পত্নীক দুষ্কৃতিকাৰীৰ দ্বাৰা হত্যাৰ চেষ্টা চলোৱা কাণ্ডই লখিমপুৰৰ সাংবাদিকসকলক আতংকিত কৰিছে। কেওটা দুষ্কাৰ্যত অভিযুক্ত দুষ্কৃতিকাৰীক শীঘ্ৰে চিনাক্ত কৰি শাস্তি বিহাৰ লগতে সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে জিলা আয়ুক্তক সাংবাদিকসকলে দাবী জনাইছে। 'অসমীয়া প্ৰতিদিন' কাকতৰ লখিমপুৰ কাৰ্যালয়ত আক্ৰমণ আৰু সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰা সন্দৰ্ভত ১৩ এপ্ৰিলত লখিমপুৰ জিলা সাংবাদিক সংস্থাৰ এটি দলে লখিমপুৰ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক স্মাৰক-পত্ৰ প্ৰদান কৰে। লখিমপুৰ জিলা সাংবাদিক সংস্থাৰ সভাপতি-সম্পাদকদ্বয় কুমুদ বৰুৱা আৰু জগত বৰা, অসম বাৰ্তাজীৱি সংঘৰ সাংগঠনিক সম্পাদক প্ৰশান্ত কুমাৰ মোদকৰ দ্বাৰা স্বাক্ষৰিত স্মাৰক-পত্ৰটিত সাংবাদিকসকলৰ নিৰাপত্তাৰ স্বাৰ্থত জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক স্পষ্ট ভাষাৰে দাবী জনাইছে।

# যোৰহাটৰ তিলিকিয়ামত মটৰ-চাইকেলৰ খুন্দাত মটৰ-চাইকেল আৰোহীৰ মৃত্যু

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৩ এপ্ৰিল ঃ** যোৰহাট পুলিবৰ থানাৰ এলেকাভুক্ত ৰাষ্ট্ৰীয় পথৰ তিলিকিআমতঅ কালি সন্ধিয়া ৫-২৭ বজাত বাইক চালকে বাইক চালকক খুন্দিওৱাত এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজন সৰুহুজ গাঁৱৰ নিৱাসী কৃপাল হাজৰিকা (৫৫) বুলি জানিবপৰা গৈছে। প্ৰত্যক্ষদৰ্শীৰ বিৱৰণী মতে, যোৰহাটৰপৰা ৰাষ্ট্ৰীয় পথৰ দক্ষিণ দিশৰ উপপথেৰে এ এছ-০৩-ভি-১০৫০ নম্বৰৰ ছুপাৰ স্পেলণ্ডাৰ বাইকেৰে নিজা গৃহ অভিমুখে কৃপাল হাজৰিকা আহি থাকোঁতে বিপৰীত দিশৰপৰা এ এছ-০৩ এ এম-৭৫৮০ নম্বৰৰ টি ভি এছ মটৰ চাইকেলখনৰ দুই যুৱক আৰোহীয়ে কৃপাল হাজৰিকাৰ মটৰ চাইকেলখনত খুন্দিয়াই যুৱকদ্বয় পলাই যাবলৈ চেষ্টা কৰিছিল যদিও স্থানীয় লোকে খেদা-খেদি কৰাত মটৰ চাইকেলখন এৰি থৈ যায়। সংকটজনক অৱস্থাত স্থানীয় লোকে কৃপাল হাজৰিকাক জে এম চি এই ছলৈ প্ৰেৰণ কৰে। চিকিৎসকে কৃপাল হাজৰিকাক মৃত ঘোষণা কৰে। কৃপাল হাজৰিকাই পত্নীৰ, দুই পুত্ৰ, একমাত্ৰ জীয়াৰী-জোঁৱাই সহ আত্মীয়ক এৰি থৈ গৈছে। গাঁওখনৰ অনুষ্ঠানবোৰৰ সৈতে জড়িত কৃপাল হাজৰিকাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ পাছত আজি বাসগৃহলৈ আনোতে অসংখ্য লোক সমবেত হয় আৰু শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। যুৱকদ্বয়ে এৰি থৈ যোৱা মটৰ চাইকেলখন যোৰহাট পুলিবৰ থানাৰ আৰক্ষীয়ে জব্দ কৰিছে যদিও বৰ্তমানলৈকে যুৱকদ্বয়ক কৰায়ত্ত কৰিবপৰা নাই।

# ডবকা গাঁও পঞ্চায়তৰ উদ্যোগত HSLC উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, ডবকা, ১৩ এপ্ৰিল ঃ** ডবকা গাঁও পঞ্চায়তৰ সভাপতি আৰু নিৰ্বাচনী ৱাৰ্ড সদস্য/সদস্যা সকলৰ উদ্যোগত সোমবাৰে ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC)ত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক ডবকা গাঁও পঞ্চায়ত কাৰ্যালয়ত এক গৌৰৱময় অনুষ্ঠানৰ জৰিয়তে উষ্ম সম্বৰ্দ্ধনা জনোৱা হয়। ডবকা পঞ্চায়তৰ সভাপতি আনোৱাৰ হুছেইন (বুদুল)ৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত ৱাৰ্ড সদস্য/সদস্যা সকলে নিজৰ ভাষণত উল্লেখ কৰে যে, মেট্ৰিক পৰীক্ষাত সফলতা লাভ কৰা এই ছাত্ৰ-ছাত্ৰীসকলৰ সাফল্য কোনো সাধাৰণ কথা নহয়। তেওঁলোকৰ দিনে-নিশাই কৰা অক্লান্ত পৰিশ্ৰম, অধ্যয়নৰ প্ৰতি থকা একাগ্ৰতা, লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক সকলৰ নিৰন্তৰ সহায়-সহযোগিতা উল্লেখনীয়। তেওঁলোকে কয় যে, এই সফলতা ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি, যাৰ পৰা আৰম্ভ হ'ব এক নতুন এক যাত্ৰা। সভাপতি আৰু সদস্য/সদস্যা সকলে ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্য কৰি কয় যে, ভৱিষ্যতে তেওঁলোকে যি পথেই বাছি লওক, সেই পথত সততা, নিষ্ঠা আৰু মানৱীয় মূল্যবোধ অটুট ৰাখিব লাগিব। লগতে তেওঁলোকে ব্যৰ্থতাক শিক্ষা হিচাপে গ্ৰহণ কৰি আগবঢ়াৰ আহ্বান জনায়। অনুষ্ঠানৰ শেষত সকলো উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা আৰু শুভেচ্ছা বাৰ্তাৰে সম্বৰ্দ্ধনা জনোৱা হয়। পঞ্চায়তৰ তৰফৰ পৰা তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰা হয়। এই সম্বৰ্দ্ধনা অনুষ্ঠানটোৱে অঞ্চলটোত শিক্ষা ক্ষেত্ৰত এক ইতিবাচক পৰিবেশ সৃষ্টিত সহায় কৰিব বুলি স্থানীয় মহলে মত প্ৰকাশ কৰে।

# ৰূপহীহাটত ড্ৰাগছসহ গ্ৰেপ্তাৰ এজন

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ এপ্ৰিল ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সূৰুজ দত্তই আজি আবেলি এক গোপন সূত্ৰৰ পম খেদি গৰেমাটিখোৱাত ড্ৰাগছৰ বিৰুদ্ধে চলায় অভিযান। আৰক্ষীৰ অভিযানত এটা চাবোনৰ বাকচ ভৰ্তি ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে এজন সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীজন হ'ল বৰঘাটৰ বছিৰ উদ্দিন। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ১০.৭৫ গ্ৰাম। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰীজনক জেৰা অব্যাহত ৰাখিছে।

**দুজন মানুহ লগাই গছপুলিবোৰ চিকুণাই নতুনকৈ সাৰ জাবৰ দি অনন্য নিদৰ্শন ধৰিলে অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকাই**

# ৰঙালী বিহু উপলক্ষে নিজে ৰোৱা শ শ গছপুলিত নতুন নেট-কাপোৰ পিন্ধালে প্ৰকৃতিপ্ৰেমী অতুল হাজৰিকাই

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ এপ্ৰিল ঃ** গছক কিমান ভালপালে এজন মানুহে গছপুলিৰ লগত ৰঙালী বিহু উদযাপন কৰে। প্ৰকৃতিৰ ৰম্যভূমি মাজুলীত গছপুলি ৰোপণ কৰি সেই গছপুলিবোৰৰ লগত আজি বাপতি সাহোন ৰঙালী বিহু উদ্‌যাপন কৰিল মাজুলীৰ অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট প্ৰকৃতিবিদ অতুল হাজৰিকাই। কমলাবাৰী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকাই ৰঙালী বিহু উপলক্ষে তেওঁ নিজ হাতেৰে ৰোৱা শ শ গছপুলিত নতুন নেট কাপোৰ লগাই আজি প্ৰকৃতিপ্ৰেমৰ অনন্য নিদৰ্শন দাঙি ধৰিলে। সেউজী ধৰণী ধুনীয়া ধুনীয়া কৰাৰ লক্ষ্যৰে অতুল হাজৰিকাৰ গাত এতিয়া তত নোহোৱা অৱস্থা। তেওঁ ৰোপণ কৰা প্ৰতিটো গছপুলিৰ কাষত কালিৰ পৰা দিন-ৰাতি একাকাৰ কৰি পৰিচৰ্যা কৰিছে। বিশিষ্ট সমাজকৰ্মী তথা প্ৰকৃতিপ্ৰেমী হাজৰিকাই কালিৰ পৰা লগত দুজন শ্ৰমিক লগত লৈ তেওঁ ৰোপণ কৰা প্ৰতিটো গছপুলিৰ নতুন নেট লগাই দিছে আৰু গছপুলিপুলিবোৰৰ দলসমূহ চিকুণাই পৰিষ্কাৰ কৰাৰ লগতে সাৰ জাবৰ দি নতুন ৰূপ দিছে। দুজন শ্ৰমিকক কালিৰ পৰা দিন হাজিৰা প্ৰদান কৰি অতুল হাজৰিকাই উক্ত গছপুলি পৰিচৰ্যা কৰাৰ ব্যতিক্ৰমী কাম কৰিছে। নব্বৈৰ দশকৰ পৰা তেওঁ ৰোপণ কৰা প্ৰতিটো গছপুলি বৰ্তমান বৃক্ষলৈ পৰিনত হোৱাটো তেওঁৰ বাবে আটাইতকৈ গৌৰৱ আৰু অহংকাৰৰ বিষয় হৈ পৰিছে। বৰ্তমান ব'হাগ বিহুৰ সময়ত প্ৰকৃতিয়ে নতুন ৰূপ ধাৰণ কৰিছে আৰু সেয়ে প্ৰকৃতিপ্ৰেমী অতুল হাজৰিকাই গছপুলিবোৰ নিজৰ সন্তানৰ দৰে লালন পালন কৰিছে। কালিৰ পৰা তেওঁ নিজৰ লগতে দুজন শ্ৰমিক লগাই গছপুলিবোৰ যত্ন লোৱা নেদেখিলে কোনেও বিশ্বাস নকৰিব। এজন অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকাই আজি কমলাবাৰীৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত ১০টা গছপুলি, কমলাবাৰী চাৰিআলিত ৫০টা গছপুলি, কমলাবাৰী হৰিমন্দিৰ প্ৰাংগনত ৩ টা, কমলপুৰ গাঁৱত ৬টা গছপুলিত নতুনকৈ নেট লগাই গছপুলিবোৰ চিকুণাই, সাৰ জাবৰ দি নতুন ৰূপ দিছে। কালিও তেওঁ মাজুলীৰ বিভিন্ন প্ৰান্তত শতাধিক নিজে ৰোৱা গছপুলিক চিকুণাই সাৰ জাবৰ দি নতুন নেট লগাই দিছে। ৰঙালী বিহু উপলক্ষে তেওঁ গছপুলিবোৰক নতুন ৰূপ দিয়া বুলি আজি জানিবলৈ দিছে। আজি গছপুলি পৰিচৰ্যা কৰি থকা স্থানৰ পৰা হাজৰিকাই কয় যে-গছ থাকিলেহে মানুহ থাকিব আৰু গছপুলি ৰোপণ কৰিলেই নহ'ব, সেই গছপুলিবোৰ বৃক্ষ কৰি তোলালৈকে দায়িত্ব ৰোপকৰ বুলি তেওঁ উল্লেখ কৰে। গছপুলিবোৰ চিকুণাই নতুন নেট লগাই বিহু উপলক্ষে গছপুলিবোৰক নতুন ৰূপ দিয়া বুলি আজি তেওঁ উল্লেখ কৰিছে। উল্লেখযোগ্য যে অতুল হাজৰিকাই কমলাবাৰী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত নব্বৈ দশকত ৰোৱা গছপুলিবোৰ বৰ্তমান বৃহৎ বৃক্ষলৈ পৰিণত হৈছে। হাজৰিকাই গছপুলিৰ লগত ৰঙালী বিহু উদ্‌যাপন কৰাৰ দৰে ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰাত তেওঁক ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

# শংকৰদেৱ শিশু নিকেতন বধাকৰাত সম্বৰ্ধনা অনুষ্ঠান



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৩ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ অতিকৈ পিছপৰা অঞ্চল বধাকৰাত অৱস্থিত শিশু শিক্ষা সমিতি অসমৰ দ্বাৰা পৰিচালিত শংকৰদেৱ শিশু নিকেতন, বধাকৰাৰ শিক্ষাৰ্থীসকলে অলপতে ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ পৰা পাঁচ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে দুগৰাকীয়ে ষ্টাৰ নম্বৰ সহ পাঁচ গৰাকীয়েই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। সুখ্যাতিৰে উত্তীৰ্ণ মুনকৃষ্ণ পেগু, মৰমী শৰ্মা, প্ৰভামণি ঠেঙাল, বিপাশা সোণোৱাল, পূজা পেগুক কালি নিকেতনখনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আঁত ধৰে প্ৰধান আচাৰ্য মণিকুমাৰ পেগুৱে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৩ এপ্ৰিল ঃ** ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী শিক্ষাৰ্থীসকলক আজি বিদ্যালয়খনত আয়োজন কৰা এক বিশেষ অনুষ্ঠানত অভিনন্দন জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী, উপাধ্যক্ষা চিষ্টাৰ কেৰ'লিন কাইনি, জ্যেষ্ঠ শিক্ষয়িত্ৰী ৰ'জা এণ্টনী, শিক্ষক অনিৰ্বাণ দেৱ আৰু কৃতী শিক্ষাৰ্থী নন্দিতা শ্বাহে। অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী আৰু শিক্ষক ক্ৰমে ৰাজেশ সেন আৰু অভিজিৎ খাটনিয়াৰে শিক্ষাৰ্থীসকলক উদ্দেশ্যি উপদেশমূলক বক্তব্য প্ৰদান কৰে। বিদ্যালয়খনৰ পৰা এইবাৰ সৰ্বোচ্চ নম্বৰ লাভ কৰা ৰিধীমা দাসৰ লগতে ডিষ্টিংশ্বন সহ উত্তীৰ্ণ হোৱা ৰশ্মিতা শইকীয়া, শ্ৰুতি প্ৰিয়দৰ্শিনী, হিমাশ্ৰী মৰাণ আৰু ইচ্ছা সোণোৱালক অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰীয়ে বিশেষভাৱে সন্মানিত কৰে। তদুপৰি ষ্টাৰ নম্বৰসহ উত্তীৰ্ণ হোৱা ১৮ গৰাকী শিক্ষাৰ্থীকো বিশেষভাৱে অভিনন্দন জনোৱা হয়। এই বাৰ বিদ্যালয়খনৰ পৰা ৮১ গৰাকীয়ে প্ৰথম বিভাগ, ৪১ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৩ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। কৃতী শিক্ষাৰ্থীসকলৰ হৈ ৰিধীমা দাস আৰু হিমাশ্ৰী মৰাণে বক্তব্য প্ৰদান কৰাৰ লগতে শ্ৰুতি প্ৰিয়দৰ্শিনীয়ে এটা গীত পৰিৱেশন কৰে। বিদ্যালয়খনৰ শিক্ষক ছানী জোচেফ ধানে আঁত ধৰা অনুষ্ঠানটিত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে কেইবাটাও সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। শিক্ষক চিৰিল কিচপট্টাই শলাগ জ্ঞাপন কৰাৰ পাছতে সকলোৱে বিদ্যালয়খনৰ শীৰ্ষক গীতটি পৰিৱেশন কৰি অনুষ্ঠানটোৰ সামৰণি মাৰে।

# অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰী চৌনা মেইনক ব্ৰহ্মপুত্ৰ গৌৰৱ সন্মান প্ৰদান উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনৰ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৩ এপ্ৰিল ঃ** অৰুণাচল প্ৰদেশৰ ৪৬ নং চৌখাম বিধানসভা সমষ্টি (জনজাতীয়)ৰ বিধায়ক তথা উপ-মুখ্যমন্ত্ৰী চৌনা মেইনক নতুন দিল্লীত অনুষ্ঠিত এখন ৰাষ্ট্ৰীয় সন্মিলনত উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক সংৰক্ষণৰ ক্ষেত্ৰত তেওঁৰ অৱদানৰ স্বীকৃতিস্বৰূপে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে 'ব্ৰহ্মপুত্ৰ গৌৰৱ' সন্মানেৰে সন্মানিত কৰে। ডেহৰাডুনস্থিত আইটিআইটিআই ডুন সংস্কৃতি বিদ্যালয়ৰ ৰূপালী জয়ন্তী উদযাপনৰ অংশ হিচাপে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ দ্বাৰা নতুন দিল্লীৰ ভাৰত মণ্ডপামত অনুষ্ঠিত "ভাষা, বিশ্বাস আৰু সংস্কৃতি সংৰক্ষণৰ বিজ্ঞান আৰু প্ৰযুক্তিগত হস্তক্ষেপ - জনজাতীয় জীৱনৰ ৰূপান্তৰ" শীৰ্ষক ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰি উপ-মুখ্যমন্ত্ৰী চৌনা মেইনে অৰুণাচল প্ৰদেশত চলি থকা কেইবাটাও পদক্ষেপৰ কথা আঙুলিয়াই দিয়ে য'ত দুৰ্গম অঞ্চলত প্ৰযুক্তি প্ৰয়োগ কৰা হৈছে। ইয়াৰ ভিতৰত স্বাস্থ্য সেৱাৰ প্ৰৱেশৰ ব্যৱধান দূৰ কৰাৰ লক্ষ্যৰে টেলিমেডিচিন সেৱা, অফ-গ্ৰিড গাঁওসমূহক শক্তি প্ৰদান কৰা সৌৰশক্তিৰ সমাধান আৰু ভৌগোলিকভাৱে বিচ্ছিন্ন অঞ্চলসমূহত শিক্ষণৰ প্ৰৱেশ সম্প্ৰসাৰণ কৰা ডিজিটেল শিক্ষাৰ মঞ্চ আদি অন্তৰ্ভুক্ত। একে সময়তে মেইনে থলুৱা জ্ঞান ব্যৱস্থা সংৰক্ষণৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰে যে প্ৰযুক্তিগত সঁজুলিয়ে মৌখিক পৰম্পৰাৰ নথিভুক্তকৰণ, পাণ্ডুলিপিৰ ডিজিটেলাইজেচন আৰু বহল বজাৰত পৰম্পৰাগত শিল্পকৰ্মৰ প্ৰচাৰত সহায় কৰিব পাৰে, যাৰ ফলত সাংস্কৃতিক সংৰক্ষণক অৰ্থনৈতিক সুযোগৰ সৈতে সংযোগ কৰিব পাৰি। তেওঁ ডিজিটেল যুগত ভাষিক অন্তৰ্ভুক্তি নিশ্চিত কৰাৰ প্ৰচেষ্টাসমূহৰ ওপৰতো আলোকপাত কৰে, য'ত জনজাতীয় লিপিসমূহৰ বাবে ইউনিক'ড সংহতিৰ কামকে ধৰি আধুনিক যোগাযোগ ব্যৱস্থাত ইয়াৰ ব্যৱহাৰ সক্ষম কৰিব পৰা যায়। জ্ঞান ভাৰতম অভিযানৰ দৰে জাতীয় পদক্ষেপৰ কথা উল্লেখ কৰি মেইনে ভাৰতৰ পাণ্ডুলিপি ঐতিহ্য আৰু পৰম্পৰাগত জ্ঞান ব্যৱস্থা সংৰক্ষণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ভূমিকাক স্বীকাৰ কৰে। বঁটা গ্ৰহণ কৰি উপ-মুখ্যমন্ত্ৰী মেইনে এই বঁটাটো অৰুণাচল প্ৰদেশৰ জনসাধাৰণৰ বাবে উৎসৰ্গা কৰি কয় - "এই স্বীকৃতি কেৱল ব্যক্তিগত সন্মান নহয়, অৰুণাচল প্ৰদেশৰ স্থিতিস্থাপক আৰু সজীৱ জনজাতীয় সম্প্ৰদায়ৰ প্ৰতি শ্ৰদ্ধাঞ্জলি, যাৰ চহকী ঐতিহ্য, প্ৰজ্ঞা, মূল্যবোধে আমাক প্ৰতিদিনে অনুপ্ৰাণিত কৰি আহিছে। এই বঁটা অৰুণাচল প্ৰদেশৰ জনসাধাৰণলৈ আৰু আধুনিক উন্নয়নৰ সুযোগ আকোৱালি লৈ আমাৰ বিশ্বাস, সংস্কৃতি, ভাষা ৰক্ষাৰ দিশত অক্লান্তভাৱে কাম কৰা সকলোৰে বাবে উৎসৰ্গা কৰিছোঁ। আমি এনে এটা ভৱিষ্যত গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈ আছো য'ত প্ৰগতিয়ে আমাৰ শিপা শক্তিশালী কৰে, আমাৰ যুৱক-যুৱতীসকলক শক্তিশালী কৰে আৰু আমাৰ অনন্য পৰিচয়ক সুৰক্ষিত কৰে।" উপ-মুখ্যমন্ত্ৰী চাওনা মেইনৰ সমান্তৰালকৈ তেওঁৰ পত্নী তথা নামচাই সমষ্টিৰ প্ৰাক্তন বিধায়িকা নাং সতী মেইনকো সম্বৰ্দ্ধনা জনোৱা হয়।

# পথালিপাহাৰত নিচাজাতীয় টেবলেটসহ এজন যুৱকক আটক বান্দৰদেৱা আৰক্ষীৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ১৩ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰ তিনিআলিৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দিনৰ প্ৰায় ২-৩০ বজাত বান্দৰদেৱা আৰক্ষীযে এক গোপন সূত্ৰৰ ভিত্তিত বিশ্বনাথৰ পৰা বান্দৰদেৱা অভিমুখে কঢ়িয়াই অনা বৃহৎ পৰিমাণৰ নিচাযুক্ত টেবলেটসহ বিহপুৰীয়া সমষ্টিৰ বৰবালিৰ ৰাজু পাণিকা নামৰ যুৱকজনক হাতে-লোতে আটক কৰিবলৈ সক্ষম হয়। বান্দৰদেৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অৰূপ বাহাদুৰ থাপা আৰু বিমান গগৈসহ এটা আৰক্ষী দলে ১৬টা প্লাষ্টিক পলিথিনত কঢ়িয়াই অনা নিচাযুক্ত টেবলেট আৰু এটা মোবাইলসহ উক্ত যুৱক জনক কৰায়ত্ত কৰে। জব্দকৃত টেবলেটখিনিৰ ওজন ৩১৩.৪৮ গ্ৰাম বুলি আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত আইনী ব্যৱস্থাৰ বাবে ধৃত যুৱক জনক স্থানীয় বিহপুৰীয়া আৰক্ষী থানালৈ প্ৰেৰণ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন